● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**দিগ্‌দৰ্শন**

আপোনাৰ আকাংক্ষাক নস্যাৎ কৰিব বিচৰা লোকৰ পৰা আঁতৰত থাকিব। সৰু মানুহে সদায় তেনেকুৱা কৰে, কিন্তু মহান লোকে আপুনিও যে মহান হ'ব পাৰে তাৰ বিশ্বাস জন্মায়।

মাৰ্ক টোৱেইন
*আমেৰিকাৰ লেখক*



www.dainikagradoot.in

৫ ব্ৰিটেইনত প্ৰতি পৰিয়ালৰ অতিৰিক্ত ব্যয় ১.৮০ লাখলৈ বৃদ্ধি
১১ শ্ৰীলংকাৰ বিৰুদ্ধে ভাৰতৰ ড্ৰ
৪ কৰ'না, উৎসৱৰ ব্যয় আৰু চৰকাৰৰ ধোঁৱাখুলীয়া স্বভাৱ

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ৩য় সংখ্যা ● গুৱাহাটী ● শুকুৰবাৰ ২১ আহিন ১৪২৮ ভাস্কৰাব্দ ৮ অক্টোবৰ ২০২১ চন ■ DAINIK AGRADOOT ● Guwahati ● Friday 8 October 2021 মূল্য ঃ ৭.০০ টকা

■ সংসদত দাখিল কৰা পৰিসংখ্যাতে ভয়াৱহ আগজাননী ■ ডেৰ কোটি কিশোৰ-কিশোৰী বিভিন্ন ড্ৰাগছ-সুৰাৰ নিচাত আসক্ত

## নিচাত মতলীয়া হৈছে কৈশোৰ! গোচৰৰ সংখ্যা ২৯৮ শতাংশ বৃদ্ধি

■ নিউজ ব্যুৰ'

**নতুন দিল্লী, ৭ অক্টোবৰ ঃ** মুম্বাইৰ প্ৰমোদতৰীত ড্ৰাগছ সেৱনৰ অভিযোগত নাৰ্ক'টিক্স কন্ট্ৰোল ব্যুৰ'ৰ দ্বাৰা গ্ৰেপ্তাৰ হৈছে শ্বাহৰুখ খানৰ পুত্ৰ আৰিয়ান খানসহ একাধিক। তেওঁলোকৰ পৰা জব্দ কৰা হৈছে ২১ গ্ৰাম চৰছ, ১৩ গ্ৰাম ক'কেইন, ২২টা এমডিএমএ বড়ি। ইয়াৰ পৰিপ্ৰেক্ষিততে প্ৰশ্নই গা কৰি উঠিছে— দেশৰ তৰুণ প্ৰজন্মই বাৰু *আঠ পৃষ্ঠাত চাওক*



■ মাত্ৰ ২৯ বছৰ পাছত পাঁচশ কোটিয়ে নাপাব এটোপাল পানী ঃ বিশ্ব বতৰ বিজ্ঞান সংস্থা

## ভাৰতসহ বিশ্বতে প্ৰৱল জল-সংকট আসন্ন

২০১৮তে এমাহ পানী পোৱা নাছিল ৩৬০ কোটিয়ে

■ নিউজ ব্যুৰ'

**জেনেভা, ৭ অক্টোবৰ ঃ** মাত্ৰ ২৯ বছৰৰ পাছত ভাৰতসহ বিশ্বৰ বিভিন্ন দেশৰ পাঁচশ কোটি মানুহে এটোপাল পানীৰ বাবে হাহাকাৰ কৰিব লাগিব। ২০৫০ত এনে ভয়াৱহ অৱস্থাৰ সৃষ্টি হ'ব। গোলকীয় উষ্ণতাৰ বাবেই এই ভয়াৱহ পৰিস্থিতিৰ সৃষ্টি হ'বলৈ গৈ আছে। এই সতৰ্ক বাৰ্তা দিয়া হৈছে ৰাষ্ট্ৰসংঘৰ অধীনস্থ 'ৱৰ্ল্ড মেটিৰিঅ'লজিকেল অৰ্গেনাইজেচন' (ডব্লিউএমঅ')ৰ সাম্প্ৰতিক প্ৰতিবেদনত। এই প্ৰতিবেদনৰ শিৰোনাম হৈছে 'দ্য ষ্টেট অৱ ক্লাইমেট ছাৰ্ভিচেজ ২০২১ ঃ ৱাটাৰ'। এই সমস্যাৰ পৰা কিদৰে উদ্ধাৰ পোৱাটো সম্ভৱ হ'ব পাৰে সেই সন্দৰ্ভত জলবায়ু পৰিৱৰ্তন সংক্ৰান্তীয় বিশ্ব সন্মিলনত ৰাষ্ট্ৰনেতাসকলক আলোচনা *আঠ পৃষ্ঠাত চাওক*


বিশ্বৰ নিম্নোল্লিখিত স্থানত দেখা দিব গভীৰ জলসংকটে




## শাসকৰ দায়িত্বজ্ঞান

**দেশ-কাল-সমাজ**

ড° দীনেশ বৈশ্য



**নিজৰ** মৃত্যুৰ বাতৰি নিজে পঢ়াৰ সৌভাগ্য বা দুৰ্ভাগ্য কোনো মানুহৰেই নহয়। বিখ্যাত আমেৰিকান লেখক, প্ৰকাশক তথা বক্তা মাৰ্ক টোৱেইনৰ সেই সৌভাগ্য বা দুৰ্ভাগ্য হৈছিল। মাৰ্ক টোৱেইন ঢুকাইছে বুলি এটা বাতৰি প্ৰচাৰিত হৈছিল। তেতিয়া নিউ য়ৰ্কৰ এজন সাংবাদিকে টোৱেইনক সুধিছিল, তেওঁ একেবাৰে মৃতপ্ৰায় নে তেওঁ সঁচাকৈ মৰিছে অৰ্থাৎ মৃত্যু হৈছে। নিজৰ মৃত্যু হৈছে *আঠ পৃষ্ঠাত চাওক*

■ অসম চৰকাৰৰ 'প'ৰ্টেল' মুকলি অনুষ্ঠানত কেন্দ্ৰীয় বিত্তমন্ত্ৰী সীতাৰমণৰ ঘোষণা ■ গুৱাহাটী-শুৱালকুছি সংযোগী দলঙৰ দৈৰ্ঘ্য হ'ব তিনি কিলোমিটাৰ ■ পাঁচ বছৰত অসম উন্নত ৰাজ্য হ'ব

# ব্ৰহ্মপুত্ৰৰ ওপৰত নতুন দলং ঘোষণা



*বন্তি প্ৰজ্বলনেৰে অসম লোকসেৱা অধিকাৰ ৱেব প'ৰ্টেল মুকলি কৰিছে কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে।*

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৭ অক্টোবৰ ঃ** বিশ্ব বেংকৰ আৰ্থিক অনুদানেৰে অসম চৰকাৰে প্ৰস্তুত কৰি উলিওৱা 'অসম নাগৰিক কেন্দ্ৰিক সেৱা প্ৰদান প্ৰকল্প'ৰ ৱেব প'ৰ্টেল আজি শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাগৃহত মুকলি কৰা হয়। মুখ্য অতিথিৰূপে অনুষ্ঠানত উপস্থিত থাকি প'ৰ্টেল উদ্বোধন কৰে ভাৰত চৰকাৰৰ কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে। অনুষ্ঠানত ভাষণ দি কেন্দ্ৰীয় বিত্তমন্ত্ৰী সীতাৰমণে মহাবাহু ব্ৰহ্মপুত্ৰৰ ওপৰত আন এখন চাৰিলেনযুক্ত দলং নিৰ্মাণৰ কথা ঘোষণা কৰে। সীতাৰমণে কয়, 'ভাৰত চৰকাৰে ব্ৰহ্মপুত্ৰৰ ওপৰত শেহতীয়াকৈ আন এখন দলং নিৰ্মাণৰ প্ৰকল্পত অনুমোদন জনাইছে। এই প্ৰস্তাৱিত দলংখনে গুৱাহাটী আৰু শুৱালকুছিক সংযোগ কৰিব। ৩০৯৪ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া দলংখনৰ মুঠ দৈৰ্ঘ্য হ'ব তিনি কিলোমিটাৰ।' কেন্দ্ৰীয় *ন পৃষ্ঠাত চাওক*



## মহানগৰীত ধনৰ লেনদেনৰ বাবেই সতীৰ্থক হত্যা, গ্ৰেপ্তাৰ তিনি অভিযুক্ত

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৭ অক্টোবৰ ঃ** মহানগৰীৰ ভঙাগড়স্থিত নেমকেয়াৰ হাস্পতালৰ সমীপত যোৱা নিশা ক্ষত-বিক্ষত অৱস্থাত বিহাৰৰ বিশাল ৰয় নামৰ লোকজনৰ মৃতদেহ উদ্ধাৰ হোৱাৰ পাছতে আজি *আঠ পৃষ্ঠাত চাওক*

## ১৪ দিনৰ বাবে কাৰাগাৰলৈ প্ৰেৰণ বিধায়ক শ্বেৰমানক

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৭ অক্টোবৰ ঃ** ছহিদক ঘাতক আখ্যা দি যোৱা দুই অক্টোবৰত গ্ৰেপ্তাৰ হোৱা বাঘবৰ সমষ্টিৰ নিলম্বিত কংগ্ৰেছ বিধায়ক শ্বেৰমান আলীক আজি ১৪ দিনৰ বাবে ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে কামৰূপ জিলা মুখ্য ন্যায়িক দণ্ডাধীশৰ *আঠ পৃষ্ঠাত চাওক*

## আৰক্ষীৰ জিম্মাতে অসুস্থ ৰৌণক আলীক জিএমচিত ভৰ্তি

**ষ্টাফ ৰিপ'ৰ্টাৰ**


**গুৱাহাটী, ৭ অক্টোবৰ ঃ** গোপনে একাধিকবাৰ বিদেশ ভ্ৰমণ আৰু আয় বহিৰ্ভূত ধন-সম্পদৰ গোচৰত মুখ্যমন্ত্ৰীৰ বিশেষ তদাৰকী কোষে গ্ৰেপ্তাৰ কৰা নিলম্বিত আৰক্ষী উপ-মহাপৰিদৰ্শক ৰৌণক আলী হাজৰিকা *আঠ পৃষ্ঠাত চাওক*

■ উপ-আৰক্ষী আয়ুক্তক কৈফিয়ৎ তলৱ ■ এদিনৰ আৰক্ষীৰ জিম্মাত সুৰাসক্ত মডেল ■ গাড়ীচালনাৰ অনুজ্ঞাপত্ৰ বাতিলৰ নিৰ্দেশ আদালতৰ

## ৰাজকন্যাৰ স্বাস্থ্য সন্দৰ্ভত ভুৱা তথ্য দিয়া ডাঃ নৱনীলক গ্ৰেপ্তাৰৰ সম্ভাৱনা

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৭ অক্টোবৰ ঃ** মহানগৰীৰ ৰাজপথত বিলাসী বাহন, হাৰ্লি ডেভিডচনৰ দৰে বিলাসী দুচকীয়া বাহন চলাই কাজিয়া-দুৰ্ঘটনাত লিপ্ত হৈ হাইপ্ৰফাইল নেতা-মন্ত্ৰীৰ আশীৰ্বাদত আৰক্ষীক নাকত ধৰি চাকত ঘূৰোৱা বিতৰ্কিত মডেল ৰাজকন্যা বৰুৱাৰ জামিন আবেদন আজি নাকচ কৰে



কামৰূপ জিলা মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতে। যোৱা পহিলা অক্টোবৰৰ নিশা সুৰমত্ত হৈ তীব্ৰবেগেৰে বাহন চলাই আঠজনকৈ শ্ৰমিকক মহটিয়াই নিয়া শাসকীয় দলৰ বিধায়কৰ অতি ঘনিষ্ঠ সুন্দৰী যুৱতীগৰাকীক কালি পুনৰ দিছপুৰ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। আজি আদালতত হাজিৰ কৰায় আৰু আদালতে তেওঁক *ন পৃষ্ঠাত চাওক*

■ আমি ডিমা হাছাওৰ দ্ৰুত বিকাশ সুনিশ্চিত কৰিম ঃ মুখ্যমন্ত্ৰী

## ভূমি পূজনেৰে নামনি কপিলী জলবিদ্যুৎ প্ৰকল্পৰ আৰম্ভ সীতাৰমণৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৭ অক্টোবৰ ঃ** অসমত বিদ্যুৎ উৎপাদন বৃদ্ধিৰ লক্ষ্যৰে কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত আজি ভূমি পূজনেৰে অসম শক্তি উৎপাদন নিগম লিমিটেডৰ ১২০ মেগাৱাট নামনি কপিলী জলবিদ্যুৎ প্ৰকল্পৰ কামৰ আৰম্ভ কৰে। উল্লেখ্য যে অসমত বিদ্যুৎ উৎপাদন ক্ষমতা বৃদ্ধিৰ উদ্দেশ্যেৰে ভাৰত চৰকাৰে ১২০ মেগাৱাট জলবিদ্যুৎ প্ৰকল্প স্থাপনৰ বাবে ২০২০ৰ ডিচেম্বৰত এছিয়ান ডেভেলপমেণ্ট *আঠ পৃষ্ঠাত চাওক*



## কুৰিয়াৰ ছাৰ্ভিচৰ গাড়ীত বাৰ্মিজ চুপাৰি, ৫৩০ কেজি নগাঁৱত জব্দ

**বিশেষ সংবাদদাতা**

**নগাঁও, ৭ অক্টোবৰ ঃ** আৰক্ষীৰ কঠোৰ পদক্ষেপ সত্ত্বেও ৰাজ্যত অব্যাহত আছে বাৰ্মিজ চুপাৰিৰ ৰমৰমীয়া বেহা। আৰক্ষীৰ হাত সৰাৰ বাবেই সৰবৰাহকাৰীয়ে অৱলম্বন কৰিছে ন ন কৌশল। এখন কুৰিয়াৰ *ন পৃষ্ঠাত চাওক*

■ গংগা-ব্ৰহ্মপুত্ৰ-বৰাকৰ জলপথ সংযোগ হ'ব ■ নদীপথ সৃষ্টিৰ বাবে ধাৰ্য এহেজাৰ কোটি

উত্তৰ-পূৱত স্থাপন হ'ব মেৰাইন ইনষ্টিটিউট ■ নদীৰ পানীক আমি চিনিব লাগিব ঃ সোণোৱাল

## সাগৰ-নদী বন্দৰেৰে অসমক সংযোগৰ যোজা



■ **অৰূপজ্যোতি মহন্ত**

**কলকাতা, ৭ অক্টোবৰ ঃ** নদীৰ বুকুত থকা সম্ভাৱনাক উজ্জীৱিত কৰাৰ আহ্বানেৰে অসমসহ উত্তৰ-পূৰ্বাঞ্চলৰ বিকাশৰ লক্ষ্যৰে আজি কেন্দ্ৰীয় বন্দৰ-জাহাজ আৰু জলপথ দপ্তৰৰ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কলকাতাৰ শ্যামাপ্ৰসাদ মুৰ্খাজী বন্দৰত একাধিক নতুন ব্যৱস্থাৰ আৰম্ভণি কৰে। এই উপলক্ষে আয়োজিত একাধিক অনুষ্ঠানত মন্ত্ৰী সোণোৱালে কয় যে ডেৰশ বছৰ পুৰণি ভাৰতৰ অন্যতম বৃহৎ তথা ব্যস্ত বন্দৰটোক কেন্দ্ৰীয় চৰকাৰৰ 'লুক এক্ট পলিচি'ৰ জৰিয়তে অতি আধুনিক ৰূপ দিব বিচৰাৰ *আঠ পৃষ্ঠাত চাওক*

■ অখিল কংগ্ৰেছৰ শত্ৰু নহয়, প্ৰতিদ্বন্দ্বীও নহয় ঃ ভূপেন ■ কংগ্ৰেছে নিজকে জমিদাৰ বুলি ভাবে কাৰণেই ক্ৰমাৎ ধ্বংস হৈছে ঃ অখিল

## বিদ্ৰোহী ইমানুৱেলসহ উপ-নিৰ্বাচনৰ বাবে তিনি সমষ্টিত ১২জনৰ মনোনয়ন







**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**

**শিৱসাগৰ/ডিমৌ/মুছলপুৰ/গোসাঁইগাঁও/শ্ৰীৰামপুৰ, ৭ অক্টোবৰ ঃ** ৰাজ্যত উপ-নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া পাঁচটা বিধানসভা সমষ্টিৰ ভিতৰত আজি তিনিটা সমষ্টিত মুঠ ১২জন প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰে। গোসাঁইগাঁৱত পাঁচজনে, তামুলপুৰত চাৰিজনে আৰু থাওৰাত তিনিজন প্ৰাৰ্থীয়ে আজি দলীয় নেতা-কৰ্মীৰ স'তে নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ত উপস্থিত হৈ মনোনয়ন দাখিল কৰে। অৱশ্যে মৰিয়নি আৰু ভৱানীপুৰ বিধানসভা সমষ্টিৰ বাবে আজি এজনো প্ৰাৰ্থীয়ে মনোনয়ন দাখিল নকৰিলে। কাইলৈ মনোনয়ন দাখিলৰ অন্তিম দিন। অন্তিম দিনাও *ন পৃষ্ঠাত চাওক*

## পাঁচ সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে নতুন নীতি-নিৰ্দেশনা ঘোষণা

ৰোড শ্ব'-ৰেলী নিষিদ্ধ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৭ অক্টোবৰ ঃ** ৰাজ্যৰ পাঁচটাকৈ বিধানসভা সমষ্টিৰ অহা ৩০ অক্টোবৰত অনুষ্ঠিত হ'ব লগা উপ-নিৰ্বাচনৰ কাইলৈ মনোনয়ন দাখিলৰ অন্তিম দিন। এই নিৰ্বাচন সুকলমে অনুষ্ঠিত কৰিবলৈ কঠোৰ নীতি-নিৰ্দেশনা জাৰি কৰিছে নিৰ্বাচন আয়োগে। ২৮ নম্বৰ গোঁসাইগাঁও, ৪১ নম্বৰ ভৱানীপুৰ, *ন পৃষ্ঠাত চাওক*

উত্তৰ প্ৰদেশত গাড়ীৰে চেপি কৃষকক হত্যাক লৈ প্ৰতিক্ৰিয়া অব্যাহত

## উচ্চতম ন্যায়ালয়ৰ প্ৰশ্নতহে গা লৰিল কেন্দ্ৰীয় মন্ত্ৰীৰ পুত্ৰক তলৱ আৰক্ষীৰ

কৃষকৰ প্ৰতি সুহৃদয়তা প্ৰদৰ্শন কৰি বিজেপিৰ ৰোষত মেনকা-বৰুণ গান্ধী

■ নিউজ ব্যুৰ'

**নতুন দিল্লী/লক্ষ্ণৌ, ৭ অক্টোবৰ ঃ** উত্তৰ প্ৰদেশৰ লখিমপুৰ খেৰিত গাড়ীৰে কৃষকক মহটিয়াই হত্যাৰ ঘটনাত কেন্দ্ৰীয় গৃহৰাজ্য মন্ত্ৰীৰ পুত্ৰ আশিস মিশ্ৰক অৱশেষত সোধপোছৰ বাবে তলব কৰা হৈছে। উচ্চতম ন্যায়ালয়ে এই ঘটনাৰ সংক্ৰান্তত নিজাববীয়াকৈ গোচৰ ৰুজু কৰি *আঠ পৃষ্ঠাত চাওক*



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩৩° | ২৫° |
| ডিব্ৰুগড় | ৩৪° | ২৪° |
| দিল্লী | ৩৪° | ২১° |
| কলকাতা | ৩৪° | ২৮° |
| মুম্বাই | ৩৪° | ২৭° |
| চেন্নাই | ৩৪° | ২৬° |
| বাংগালুৰু | ২৭° | ২১° |
| শ্বিলং | ২৪° | ১৬° |

*৭ অক্টোবৰ, ২০২১*



## চেঙা তেল



*তোমালোকো যে আৰু কি! সাহায্য বিচাৰি আহিছা, এয়া দেখা নাই আমাৰ উন্নয়ন উৰ্ধ্বমুখী গ্ৰাফ!*

■ ঢাকী গাঁৱৰ কথাৰে... পূৰ্বপুৰুষৰ বৃত্তি ধৰি ৰখাৰ চেষ্টা ৭০ৰোৰ্ধ্বৰ ঢাকী ছুলিন-প্ৰফুলৰ

## বংগ নহয়, মহানগৰীতে আছে ঢাকী গাঁও



দেৱীৰ আগমনত আনন্দৰ লহৰ ■ আগ্ৰহী নহয় নতুন প্ৰজন্ম

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৭ অক্টোবৰ ঃ** দুৰ্গা পূজা আৰু ঢাক; এটা আনটোৰ পৰিপূৰক। ঢাক অবিহনে যেন দুৰ্গা পূজা আধৰুৱা। ঢাক হৈছে এনে এবিধ বাদ্য, যাক মাংগলিক অনুষ্ঠানত পৰিৱেশন কৰা হয়। দুৰ্গা পূজাৰ মন্ত্ৰপাঠৰ লগতে আৰতিৰ সময়ত ঢাক বজোৱা হয়। ঢাকৰ শব্দই পূজাৰ উন্মাদনা বৃদ্ধি কৰাৰ লগতে সমগ্ৰ পৰিৱেশক আধ্যাত্মিকতা প্ৰদান কৰে। মন কৰিবলগীয়া যে এটা নিৰ্দিষ্ট সম্প্ৰদায়ৰ লোকেহে প্ৰজন্মৰ পাছত প্ৰজন্ম ধৰি ঢাক পৰিৱেশন কৰি অহাৰ লগতে ঢাক বজাই জীৱিকা অৰ্জন কৰি পৰিয়ালো পোহপাল দি আহিছে। ঢাক বজোৱাৰ বাবেই তেওঁলোকক ঢাকী বুলি কোৱা হয়। দুৰ্গা পূজাৰ বিশেষ অংগ এই ঢাক পৰিৱেশনৰ বাবে পূৰ্বতে পশ্চিমবংগৰ পৰা ঢাকী অনা *আঠ পৃষ্ঠাত চাওক*

## পাম তেলৰ খেতিয়ে আৰ্দ্ৰতা নাইকিয়া কৰিব কৃষিভূমিৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৭ অক্টোবৰ ঃ** উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশনা উলংঘা কৰি কেন্দ্ৰীয় চৰকাৰে আন্দামান-নিকোবৰ, অসমকে ধৰি উত্তৰ-পূবৰ ৰাজ্যসমূহত ৰাষ্ট্ৰীয় ভোজ্য তেল মিছন অইল পাম অভিযানৰ সূচনা কৰিছে। এই অভিযোগ অসম জাতীয় পৰিষদৰ। আজি এক সংবাদমেলত এই অভিযোগ উত্থাপন কৰে দলৰ দুই নেতা ক্ৰমে অভিজিৎ কমল ভূঞা আৰু জিয়াউৰ ৰহমানে। পাম খেতিৰ ভয়াৱহতাৰ পৰিপ্ৰেক্ষিতত উচ্চতম ন্যায়ালয়ে ১৯৮০ তে পাম খেতিৰ এক 'পাইলট প্ৰজেক্ট' বন্ধ কৰাৰ নিৰ্দেশ দিছিল। উক্ত *ন পৃষ্ঠাত চাওক*

দৈনিক অগ্ৰদূত
গুৱাহাটী শুকুৰবাৰ ২১ আহিন ১৪২৮ ভাস্কৰাব্দ ৮ অক্টোবৰ ২০২১

# পৰিৱৰ্তন অৱধাৰিত

সমাজৰ অগ্ৰগতিত পৰিৱৰ্তনৰ ভূমিকা যিদৰে অপৰিসীম, তেনেদৰেই মানুহৰ জীৱনতো পৰিৱৰ্তনৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ; কিন্তু কিছু সংখ্যকে পৰিৱৰ্তনক স্বীকাৰ কৰি ল'ব নোখোজে। মানুহকে ধৰি সকলো প্ৰাণীৰেই শৈশৱ, কৈশোৰ, যৌৱন, বাৰ্ধক্য আদি অৱধাৰিত। গতিকে কোনোবাই চিৰকালেই যৌৱন অটুট ৰাখিব পাৰিব বুলি কোৱাটো মূৰ্খামি মাত্ৰ। আনহাতে, যিসকলে সময়ৰ পৰিৱৰ্তনৰ লগে লগে দৈহিক ৰূপান্তৰক হাঁহি মুখে আদৰি লয়, সেইসকলে মানসিক অশান্তি ভোগ কৰিব লগা নহয় আৰু সুখত দিন কটাব পাৰে। দৈহিক ৰূপান্তৰক অৱধাৰিত ভাবি লৈ যিমানে ইয়াক সহজভাৱে ল'ব জানে, তেওঁলোকেই বুধিয়ক, শান্তিপ্ৰয়াসী আৰু সুখী।

মানুহৰ জীৱনতেই যে এনে পৰিৱৰ্তন ঘটে, সি নহয়; সমাজ জীৱনৰো প্ৰতিটো খোজতেই ৰূপান্তৰ দেখিবলৈ পোৱা যায়। দৰাচলতে চিৰন্তন, চৰম সত্য, শাশ্বত বুলি কোনো কথা নাই। এসময়ৰ সত্যৰ ধাৰণা পৰৱৰ্তী কালত পৰিৱৰ্তন হোৱা দেখিবলৈ পোৱা যায়। উদাহৰণস্বৰূপে ক'ব পাৰি যে এসময়ৰ স্বামীৰ মৃত্যুৰ পাছত চিতা জুইত জাহ যোৱাটোৱেই পৱিত্ৰ কৰ্ম হিচাপে বিবেচিত হৈছিল। তেনেদৰেই বাল্য বিবাহ অৱধাৰিত আছিল; কিন্তু এতিয়া সেইবোৰ পথেৰে যোৱাজনক কোনোবাই সত্য পথেৰে যোৱা বুলি ক'বনে? অস্পৃশ্যতা, জাতিভেদ আদিয়েই এসময়ত পৰম সত্য আছিল; কিন্তু আজি? সৌ সিদিনালৈকে ভ্ৰূণ হত্যাৰ দৰে কাৰ্য মহাপাপ আছিল; কিন্তু আজিৰ পৃথিৱীত তেনে ধাৰণা আছেনে? প্ৰকাশ্যে এতিয়া জন্ম নিৰোধক ব্যৱহাৰ কৰিবলৈ প্ৰচাৰ চলোৱা হৈছে। গতিকে সময়ৰ লগে লগে মানুহৰ ধ্যান-ধাৰণা, মূল্যবোধ আদিৰো পৰিৱৰ্তন ঘটিছে।

এই পৰিৱৰ্তনবোৰ সকলো সমাজতেই হোৱা দেখিবলৈ পোৱা যায়; কিন্তু কিছুমানৰ দৃষ্টিত পৰিৱৰ্তন অসহনীয়। তেওঁলোকৰ মতে অতীতৰ জীৱন ধাৰা এতিয়াও অব্যাহত থাকিব লাগে; কিন্তু কোনো সমাজতেই তেনে ধৰণৰ অপৰিৱৰ্তনীয় অৱস্থা দেখিবলৈ পোৱা নাযায়। এতিয়া আমাৰ জীৱনৰ এনে এটা দিশ আছেনে, যিটো অপৰিৱৰ্তিত হৈ আছে! ঢাৰি-পাটি-পিৰা এৰি এতিয়া চকী-মেজ ব্যৱহাৰ কৰিবলৈ লৈছো। খোজকাঢ়ি অথবা গৰুগাড়ীৰে যোৱাৰ সলনি ৰেলগাড়ী, বিমানত পৰিভ্ৰমণ কৰিছো। এনেদৰেই খোৱা খাদ্যৰো আমূল পৰিৱৰ্তন ঘটিছে। পুৱাই এতিয়া চাহকাপ নহ'লে নচলে যদিও এশ বছৰমানৰ আগলৈকে চাহ খোৱাৰ কথা ভাবিবই পৰা নাছিল। আমাৰ জ্ঞাতে বা অজ্ঞাতে চাৰিওফালৰ সমাজখনত এই ধৰণৰ পৰিৱৰ্তন হোৱা দেখিবলৈ পোৱা গৈছে। আমাৰ সমাজখনতেই কেৱল নহয়, সকলো সমাজতেই এই ধৰণৰ পৰিৱৰ্তন ঘটিছে; কিন্তু এই পৰিৱৰ্তনকো সহ্য কৰিব নোৱাৰা এচাম আছে। তেওঁলোকৰ মতে, এই পৰিৱৰ্তনে আমাৰ ঐতিহ্যক শেষ কৰিব; কিন্তু ঐতিহ্যক ৰক্ষা কৰিবলৈ গৈ কোনোৱে গুহাবাসী হ'বলৈ নিবিচাৰে। এসময়ত গুহাৰ সলনি আমি খেৰৰ ঘৰ সাজিছিলো; কিন্তু এতিয়া সুযোগ পালে পকীঘৰো সাজো। পকীঘৰ যে পশ্চিমীয়া সভ্যতাই আমালৈ আনি দিছে, সেই কথা সঁচা নহয়। খ্ৰীষ্টপূৰ্ব কে'বা শতিকাৰো আগতে অজন্তা, ইলোৰাত নগৰীয়া সভ্যতাৰ নিদৰ্শন পোৱা যায়। পুৰ মানেই যিহেতু নগৰ, সেয়েহে প্ৰাগজ্যোতিপুৰতো সভ্যতাৰ চানেকী আছে। দ' পৰ্বতীয়াৰ ভাস্কৰ্যই প্ৰাচীন অসমৰ নগৰীয়া সভ্যতাকেই দাঙি ধৰে। ৰামায়ণৰ কালতেই অযোধ্যা নগৰৰ নিদৰ্শন পোৱা যায়। ব্ৰিটিছৰ আগমনৰ আগতেই কুটুবমিনাৰ, তাজমহল আদি নিৰ্মাণ কৰা হৈছিল। ভাৰতবৰ্ষৰ প্ৰতিখন সমাজৰেই ভিন ভিন খাদ্য সম্ভাৰ আছিল। ব্ৰিটিছৰ আগমনৰ পাছত কেতবোৰ ক্ষেত্ৰত আমাৰ যিদৰে পৰিৱৰ্তন ঘটিছে, ইংৰাজৰ সমাজতো ভালেখিনি পৰিৱৰ্তন ঘটা দেখা গৈছে। অসমৰ চাহ কাপৰ অবিহনে ইংৰাজ সমাজ এদিনৰ বাবেও চলিব নোৱৰা অৱস্থাত পৰিছে। সমাজে যিদৰে নতুনক আদৰি লৈছে, তেনেদৰেই অতীতৰ পৰম্পৰাৰ পম খেদিও মানুহ ধাৱমান হৈছে। মূৰকত দেখা যাব যে ন-পুৰণিৰ মাজত সংঘাত নাই; ইটো-আনটোৰ পৰিপূৰকহে; কিন্তু সময়ৰ পৰিৱৰ্তনক স্বীকাৰ কৰি ল'ব নোখোজাসকলে পদে পদে দুখ-যাতনা ভোগা দেখা যায়।

## খোলা মঞ্চ

# ৭৫ বছৰীয়া স্বাধীনতাই আমাক কি দিলে?



**কুলেন বৰ্মন,** *লেখক*

**জাতিৰ** পিতা মহামানৱ মহাত্মা গান্ধীৰ সবল নেতৃত্বত দেশৰ অগণন সংগ্ৰামী জনতাৰ ত্যাগ আৰু তেজৰ বিনিময়ত ইংৰাজৰ দুশ বছৰীয়া শাসন-শোষণৰ অৱসান ঘটাই ১৯৪৭ৰ ১৫ আগষ্টত ভাৰতে স্বাধীনতা লাভ কৰিছিল। ইংৰাজৰ শাসন-শোষণৰ পৰা দেশক মুক্ত কৰিবলৈ সুদূৰ দ্বাৰকাৰ পৰা শদিয়ালৈ কিমানে যে প্ৰাণ আহুতি দিছিল আৰু কিমানে যে শাৰীৰিক-মানসিক নিৰ্যাতন ভুগিছিল তাৰ লেখ-জোখ নাই। ভাৰতে স্বাধীনতা লাভ কৰাৰ পাছত সকলোৰে মনত এটাই স্বপ্ন আছিল ধনে-ধানে উভৈনদী হৈ থকা শস্য-শ্যামলা সুন্দৰ ভাৰতত সুন্দৰভাৱে, মুক্তমনে সম-অধিকাৰ তথা সম-মৰ্যাদা সহকাৰে স্বাভাৱিক জীৱন-যাপন কৰিবলৈ সুযোগ-সুবিধা লাভ কৰিব; কিন্তু বাস্তৱ ক্ষেত্ৰত আমি তাৰ সম্পূৰ্ণ ওলোটা ছবি এখনহে দেখিবলৈ পাইছো।

স্বাধীন দেশৰ নাগৰিক এজনে সুস্থিৰ অৱস্থাত জীৱন যাপন কৰিবলৈ হ'লে নাগৰিকজনে ন্যূনতম সা-সুবিধা যেনে— অন্ন-বস্ত্ৰ-খোৱাপানী আৰু বাসস্থানৰ নিৰাপত্তা সুদৃঢ় অৱস্থাত থাকিব লাগিব আৰু সেই নিৰাপত্তা প্ৰদান নিশ্চিত কৰিব লাগিব দেশৰ শাসক গোষ্ঠীয়ে; কিন্তু আশ্চৰ্যজনকভাৱে আমাৰ সকলোৰে চকুৰ আগতে শাসক গোষ্ঠীৰ আশিসধন্য হৈ এখন স্বাধীন দেশৰ তথা সমাজৰে এক শ্ৰেণীৰ লোক দিন দিয়েকৰ ভিতৰতে প্ৰচুৰ ধন-ঐশ্বৰ্যৰ মালিক হৈ অতি সুখ-সন্তোষেৰে লাহ-বিলাহত দিন অতিবাহিত কৰাৰ বিপৰীতে আন এক শ্ৰেণীৰ লোকে সদায়ে অৱহেলিত হৈ যুগ যুগ ধৰি দৰিদ্ৰ সীমাৰেখাৰ তলত থাকি অন্তহীন দুখ-বেদনা-যন্ত্ৰণা নীৰৱে সহ্য কৰি দিন অতিবাহিত কৰি আছে।

কোৱা বাহুল্য যে ভাৰতে স্বাধীনতা লাভ কৰাৰ পাছৰে পৰা দেশৰ একাংশ স্বাৰ্থপৰ দুৰ্নীতিপৰায়ণ ৰাজনীতিক, ঘোচখোৰ আমোলা-বিষয়া, সমাজবিৰোধী দুৰ্বৃত্তৰ দ্বাৰা চলিছে ভাৰতবৰ্ষৰ শাসন। ফলত দেশত আইন-শৃংখলাৰ চৰম অৱনতি ঘটাৰ সমান্তৰালকৈ দেশ তথা সমাজৰ সৰ্বত্ৰতে অনীতি-অনিয়ম, দুৰ্নীতি-ভ্ৰষ্টাচাৰে ছানি ধৰিছে।


ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্যৰ তুলনাত অসমৰ ভৌগোলিক দৃশ্যপট একে বুলি ক'ব নোৱাৰি। ভাৰতে স্বাধীনতা লাভ কৰা সূত্ৰে অসম স্বাধীন হ'ল যদিও দেশৰ বাকী ৰাজ্যসমূহে লাভ কৰা সা-সুবিধাৰ পৰা অসম বঞ্চিত। অসম কৃষিপ্ৰধান ৰাজ্য। ৰাজ্যখনৰ অধিকাংশ লোক কৃষি কৰ্মৰ ওপৰতে নিৰ্ভৰ কৰি জীৱিকাৰ পথ প্ৰশস্ত কৰে। কৃষিয়ে আমাৰ দেশৰ অৰ্থনীতিৰ বিশেষকৈ অসমৰ মূল আধাৰ যদিও প্ৰতি বছৰে আপদীয়া বানপানী আৰু খৰাং— এই দুই প্ৰাকৃতিক দুৰ্যোগৰ বাবে কৃষক ৰাইজৰ তথা ৰাজ্যখনৰ সৰ্বসাধাৰণ ৰাইজৰ অৱস্থা পুতৌলগা। তদুপৰি এইটো অতি বাস্তৱ আৰু অনস্বীকাৰ্য যে অসমৰ জনসাধাৰণে বিশেষকৈ অসমীয়াসকলে কায়িক শ্ৰমৰ পৰা আঁতৰত থাকিব বিচাৰে। এলেহুৱা আৰু ভোগবাদী সংস্কৃতিয়ে আজি অসমীয়া জাতিটোক এনেদৰে প্ৰভাৱিত কৰিছে যে আমি (অসমীয়া জাতিটোৱে) আনৰ ওচৰত হেলাৰঙে সৰ্বস্ব এৰি দি পুতৌৰ পাত্ৰ হ'বলৈ দ্বিধাবোধ নকৰা হৈছো। অসমত অৰ্থনৈতিক, সামাজিক, শৈক্ষিক তথা সাংস্কৃতিক আদি সকলো দিশতে এক অনাকাংক্ষিত বিপৰ্যয়ৰ সন্মুখীন হোৱাৰ মূলতে বিগত দুকুৰি বছৰতকৈও অধিক কাল ৰাজ্যখনত নিৰৱচ্ছিন্নভাৱে চলাই থকা আন্দোলনৰ কুপ্ৰভাৱৰ ফল। গতিকে অসমীয়াসকলে আন্দোলন কৰাৰ বদঅভ্যাস আৰু পৰমুখাপেক্ষী স্বভাৱ পৰিত্যাগ কৰি কৰ্মসংস্কৃতিৰ যোগেদি নিজকে আৰ্থিকভাৱে টনকিয়াল তথা স্বাৱলম্বী কৰি গঢ়ি তোলাত আত্মনিয়োগ কৰিব লাগিব। আনহাতে, চৰকাৰে বিভাজনৰ ৰাজনীতি এৰি প্ৰতিগৰাকী ভাৰতীয়কে স্বাৱলম্বী কৰাৰ দৃঢ় সংকল্প লওক আৰু তেতিয়াহে মহামানৱ মহাত্মা গান্ধীৰ নেতৃত্বত ভাৰতবাসীয়ে লাভ কৰা স্বাধীনতাৰ প্ৰকৃত সোৱাদ (লাভ কৰিবলৈ) পাবলৈ সক্ষম হ'ব বুলি আশা কৰিব পাৰি।

*ফোন ঃ ৯৪৩৫৩৩৮৪১৯*

# কৰ'না, উৎসৱৰ ব্যয় আৰু চৰকাৰৰ ধোঁৱাখুলীয়া স্বভাৱ

## ঘৰতে বিদেশী হ'ব লগা অৱস্থাৰ বাবে অসমীয়াই দায়ী

## দৃষ্টিপাত



**ড° খৰ্গেশ্বৰ ভূঞা**

কৰ'নাৰ গ্ৰাসত সমগ্ৰ পৃথিৱীৰ লগতে অসমো বিধ্বস্ত হোৱাৰ পাছত এতিয়া চৰকাৰী খবৰ মতে বেমাৰবিধৰ উগ্ৰতা কমিছে। যোৱা বছৰো এনেকুৱা সময়ত কৰ'না কমিছিল, ৰাইজে কিছু মুকলিকৈ ঘূৰিবলৈ লৈছিল। সেই সুবিধাতে নিৰ্বাচন আয়োগে অসম আৰু অন্যান্য ৰাজ্যত নিৰ্বাচন পাতি নতুন চৰকাৰ গঠন কৰালে। তাৰ পাছতে কৰ'নাৰ দ্বিতীয় ঢৌ আৰম্ভ হৈ অৱস্থা পূৰ্বৰ দৰে হ'লগৈ। সেয়েহে এতিয়াও বহু লোকেই ক'বলৈ লৈছে যে ছটা সমষ্টিত উপ-নিৰ্বাচন পাতিবৰ বাবেই কৰ'নাৰ প্ৰকোপ কম হোৱা যেন দেখুৱাইছে। তেনে সন্দেহত সত্যতা থাকক বা নাথাকক, ২০২১ৰ বিধানসভা নিৰ্বাচনত কৰ'না প্ৰতিৰোধৰ ব্যৱস্থাৱলী, যেনে— মুখত মাস্ক পৰিধান কৰা, পাৰস্পৰিক শাৰীৰিক দূৰত্ব ৰক্ষা কৰা, সঘনাই চাবোনেৰে হাত ধোৱা আদি পালন নকৰি বৃহৎ সভা, সমাৱেশ, শোভাযাত্ৰা আদি কৰাৰ ফলত কৰ'না বাঢ়িল, কাৰণ বেমাৰবিধৰ বীজাণু সম্পূৰ্ণ নিৰ্মূল হোৱা নাছিল আৰু এই বীজাণু সাংঘাতিকভাৱে সোঁচৰা বাবে কম পৰিমাণৰ বীজাণুৱেই বিস্তাৰ লাভ কৰিব পাৰিছিল। এতিয়াও কথাটো তেনেকুৱাই হৈছে, কৰ'নাৰ প্ৰকোপ কম নাই হোৱা যদিতো কথাই নাই, কম হ'লেও আহি থকা দুৰ্গা পূজা আৰু তাৰ পাছতেই হ'ব লগা উপ-নিৰ্বাচনত জনসমাৰোহে নিশ্চিতভাৱে কৰ'নাৰ তৃতীয় ঢৌক বৰপীৰা পাৰি দিব। কেৰালাত ওনাম উৎসৱৰ সময়ত সকলো বাধা-নিষেধ আঁতৰাই দিয়াৰ বাবে পাছত একেদিনতে ৪০ হেজাৰমান লোক কৰ'নাত আক্ৰান্ত হ'ল।

কৰ'না প্ৰতিৰোধৰ ব্যৱস্থাসমূহৰ কথা বোধহয় এতিয়া আৰু নজনা মানুহ নাই। গতিকে সকীয়নিবোৰো চৰ্বিতচৰ্বন হ'বলৈ বাধ্য। চৰকাৰ তথা অন্য সংশ্লিষ্টসকলৰ পৰা সতৰ্কবাণীবোৰ ঠিকেই দিয়া হয়, পিছে পালন কৰা হৈছে নে নাই সেই বিষয়ে চাওঁতাহে কোনো নাই। বাতৰিত প্ৰকাশ হোৱা মতে স্বয়ং প্ৰধানমন্ত্ৰীয়েই আমেৰিকাৰ ৰাষ্ট্ৰপতিৰ লগত বহি থাকোতে মুখত মাস্ক নাছিল, আনজনৰ মুখত কিন্তু আছিল। সেইদৰে বিভিন্ন সভা-সমিতিবোৰতো আজি-কালি মাস্ক পিন্ধা, দৈহিক দূৰত্ব ৰখা আদি কামবোৰ বৰ বৰ নেতায়েই নকৰা হৈছে, সাধাৰণ লোকৰতো কথাই নাই। আচলতে এইবোৰ নিয়ম এবছৰমান কঠোৰভাৱে পালন কৰিলে কৰ'না সম্পূৰ্ণৰূপে বিদায় ল'বলৈ বাধ্য হ'ব বুলিয়েই বিশ্বাস কৰিব পাৰি।

দুৰ্গা পূজা সমাগত। কৰ'নাৰ বাবে যোৱা বছৰ অনুষ্ঠুপীয়াকৈ শাৰদীয় দুৰ্গা পূজা পতাৰ পাছত এইবাৰো বোধহয় জাক-জমকতা বেছি নহ'ব। কথাটো ভাললৈ হৈছে নে বেয়ালৈয়ে হৈছে— সেইবোৰ লৈ নিশ্চয় বিতৰ্ক কৰি থাকিব পাৰে যিবোৰৰ কোনো অন্ত নাই। ২০২০ৰ পূৰ্বৰ পূজাবোৰৰ নামত অৰ্থাৎ দুৰ্গাদেৱী আৰু আন দেৱী-দেৱতাৰ নামত ৰাজ্যখনৰ পৰা প্ৰতি বছৰে কমেও হেজাৰ কোটিকৈ খৰচ হৈছে। ইয়াৰ লগতে বিহু, ধৰ্মীয় উৎসৱ-পাৰ্বণ, সাহিত্য সভা ধৰণৰ অধিৱেশন, ১২ মাহত ১৩টা পূজা আদি আছেই। আজি-কালি আকৌ সৰ্বভাৰতীয় হ'বলৈ গৈ অসমৰ মানুহে ব'ল বম, ধন তেৰচ, ৰাখী বন্ধন, ভেলেন্টাইন ডে, ষট্ পূজা ধৰণৰ সৰু-ডাঙৰ বিধে-বিধে উৎসৱবোৰ ধুমধামেৰেই পালন কৰিবলৈ লৈছে। এই সকলোবোৰ মিলালে অসমত বছৰত কে'বা হেজাৰ কোটি টকা উৎসৱ-পাৰ্বণতে খৰচ হ'বলৈ লৈছে। কৰ'নাৰ বছৰ দুটাই অৱশ্যে ইয়াৰে বহুখিনি ধন ৰাহি কৰি দিলে বুলিব পাৰি।

কেৱল কামৰ মাজত ডুব গৈ থাকি যন্ত্ৰসদৃশ হোৱাতকৈ মানুহে জীৱনত ফূৰ্তি-তামাচাও কৰিব লাগে বাবে এইবোৰক লৈ বৰকৈ উচ্চবাচ্য কৰিলে বিৰুদ্ধে যুক্তি দিয়া মানুহো ঢেৰ ওলাব। খৰচৰ কথাক লৈও হুলস্থুল কৰি লাভ নাই। এনেকৈ দুহাত উজাৰি খৰচ কৰিব পাৰিছে বাবেই ধন থকাসকলে কৰিছে, তাকে লৈ বেছিকৈ মাত মাতিলে অপদস্থ হোৱাৰেই সম্ভাৱনা বেছি। কৰ'নাৰ পূৰ্বতে উৎসৱাদিত খৰচ কৰাৰ ধৰণ দেখি সহজেই ক'ব পাৰি যে অসমৰ মানুহ ধনী হৈছে; চৰকাৰখনো যথেষ্ট ধনী, কাৰণ ধন বিলোৱাৰ উজান উঠা সকলোৱে দেখি আছে। বেচৰকাৰী (চৰকাৰী চাকৰি কৰা এচামক ধৰি) লোকৰ হাতত ধন বহুত হৈছে বাবেই খৰচ কৰিব পাৰিছে। এইচাম লোকে প্ৰকাশ্যে ক'ব বা মনতে ভাবিব— 'কৃষকে আত্মহত্যা কৰিছে, দুখ-দৈন্যৰ বাবেও বহুত মৰিছে, কোনোবাই সন্তান আৰু দেহ বিক্ৰী কৰিব লগা হৈছে— এইবোৰ থাকিবই, প্ৰাচীন কালত বা মধ্য যুগতো এইবোৰ আছিল, এতিয়াও আছে। যোগ্য-ভোগ্য বসুন্ধৰাত আমি যোগ্য বাবেই ভোগ কৰিছো, অযোগ্যবোৰে ভোগ কৰিব পৰা নাই বাবে আমি ফূৰ্তি নকৰিম নেকি?' এৰা এইবোৰ যুক্তিও পেলাই দিব লগা নহয়।



এচামে ফূৰ্তি কৰি টকা খৰচ কৰা দেখি উৎসৱ-পাৰ্বণত ধন নথকাসকলৰ মনো প্ৰলুব্ধ হয়। অৱশ্যে কেৱল উৎসৱ-পাৰ্বণৰ ক্ষেত্ৰতেই নহয়, সাধাৰণভাৱে খাই-পিন্ধি থাকিবলৈও ধন লাগে। আধুনিক কালত বিজ্ঞান-প্ৰযুক্তিৰ কৃপাত বজাৰত ভোগ-বিলাসৰ সামগ্ৰী ইমানেই উভৈনদী আৰু সহজলভ্য হৈ পৰিছে যে ধন নথকাসকলেও এইবোৰ পাবলৈ বিচাৰে। ইয়াৰ বাবে স্থাৱৰ সম্পত্তি থকাসকলে সেইবোৰ বিক্ৰী কৰি প্ৰয়োজন পূৰাব বিচাৰে। অৱশ্যে মাটি-বাৰী আদি সম্পত্তি বিক্ৰী কৰি ঘৰ চলোৱা, সৰহ ধনৰ লোভত এইবোৰ বিক্ৰী কৰা— এনে ধৰণৰ ঘটনাবোৰ অসমীয়াৰ বাবে পুৰণি দিনৰে পৰা চলি অহা। অসমত বংগমূলীয় বহিৰাগতসকলক অসমীয়া মানুহেই মাটি বিক্ৰী কৰিছিল আৰু এতিয়াও সেই কাম চলি আছে। চৰাঞ্চলৰ কথা বাদেই, বৰপেটা-নগাঁও আদি জিলাত তেনে কাণ্ড ঊনবিংশ শতিকাৰ পৰাই চলি আহিছিল। মাটিৰ হাকিম বা মাটি তদাৰকী বিষয়া হিচাপে কবি শৈলধৰ ৰাজখোৱা, কালিৰাম মেধি আদিৰ লিখনিত পোৱা যায় যে বৰপেটা চহৰৰ অসমীয়া মানুহে কিছুমান দালালৰ প্ৰৰোচনাত পৰি দ' অঞ্চলবিলাক হেনো হোৱাহোৱে বিক্ৰী কৰিছিল। গুৱাহাটী অঞ্চলৰ মাটিবোৰৰ গৰাকী আছিল কাৰ্বি আৰু আন খিলঞ্জীয়া জনগোষ্ঠীৰ লোক। এইবোৰ বহিৰাগত বণিয়াৰ হাতলৈ গ'ল— খিলঞ্জীয়াই এওঁলোকক সোণৰ লেখীয়া মাটিবোৰ বিক্ৰী কৰিছিল। এই ঘটনা এতিয়াও পূৰ্ণোদ্যমে অসমত চলি আছে। এসময়ত মাটি খঁকুৱা বংগমূলীয় সংখ্যালঘু লোকক অসমীয়াই মাটি বেচিছিল, এতিয়া বহিৰাগত বণিয়াসকল হ'ল অসমীয়াৰ 'ভূমিৰ ভাৰ হৰণকাৰী'। চৰকাৰী মাটি দখল কৰাৰ অধ্যায়ো বেলেগ। মুঠতে ঘৰতে বিদেশী হ'ব লগা অৱস্থাৰ বাবে অসমীয়াই দায়ী।

বিভিন্ন পাকচক্ৰত পৰি, দালালৰ প্ৰৰোচনাত বা ধনৰ অভাৱত বা আন যিকোনো কাৰণতেই হওক, স্থাৱৰ সম্পত্তি বিক্ৰী কৰি অভাৱ পূৰণ কৰা লোকক ধোঁৱাখুলীয়া বুলিলেও অত্যুক্তি কৰা নহয়। স্বভাৱটো বেয়া হ'লেও অসমীয়াসকলে এটা কথাত গৌৰৱ কৰিবই পাৰে যে অসমীয়াৰ স্বাভিমান গামোচাখন প্ৰধানমন্ত্ৰী মোদীয়ে আপোন কৰি লোৱাৰ দৰে তেওঁ অসমীয়াৰ ধোঁৱাখুলীয়া স্বভাৱটোও নিজৰ কৰি লৈছে, অৰ্থাৎ দেশৰ স্থাৱৰ সম্পত্তিবোৰ বিক্ৰী কৰি দেশ চলোৱাৰ (আচলতে বিজেপিৰ শাসন স্থায়ী কৰাৰ) প্ৰয়াস কৰিছে। ২০২১-২২ৰ বাজেটত কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে ঘোষণা কৰিছে যে অহা চাৰি বছৰত চৰকাৰে ৰাজহুৱা সম্পত্তি বিক্ৰী কৰি ছয় লাখ কোটি টকা সংগ্ৰহ কৰিব। এই সম্পত্তিবোৰৰ ভিতৰত আছে— ২৬,৭০০ কিলোমিটাৰ ৰাজপথ, ইয়াৰ পৰা ১.৬ লাখ কোটিমান টকা চৰকাৰে পাব, লগতে আছে ৩০ হেজাৰ কোটিমান টকা পাব, বিমান বন্দৰ ১৫টা মান বিক্ৰী কৰি, সেইদৰে ৯০ খন ৰেল, চাৰিশটা ৰেল ষ্টেছন, গুদাম আদি, টেলিকম খণ্ডৰ বি এছ এন এল আৰু এম টি এন এল, বিভিন্ন ধৰণৰ খনি, ৩৫টা মান জাহাজাৰ বন্দৰ, ২৮ হেজাৰ কিলোমিটাৰ ট্ৰেন্সমিছন লাইন, বিদ্যুৎ উৎপাদন কেন্দ্ৰ, জলবিদ্যুৎ কেন্দ্ৰ, দুশ কিলোমিটাৰ খাৰুৱা তেলৰ লাইন, ইয়াৰ লগতে পৰিশোধিত তেল আৰু গেছৰ লাইন, পঞ্চতাৰকা হোটেল, ষ্টেডিয়াম ইত্যাদি অনেক ৰাজহুৱা সম্পদ মোদী চৰকাৰে বিক্ৰী কৰিবলৈ সিদ্ধান্ত লৈছে। ইতিমধ্যে যোৱা সাত বছৰীয়া কালত মোদী চৰকাৰে বহুতো সম্পত্তি বিক্ৰী কৰিলেই। ইয়াৰ ভিতৰতে গোপীনাথ বৰদলৈ বিমানকোঠো আছে। প্ৰায় চাৰে ১২শ কোটি চৰকাৰী ধন খৰচ কৰি কোঠটোৰ উন্নতি সাধন কৰি মোদীয়ে অসমৰ ৰাইজৰ প্ৰতি বিজেপি প্ৰেমৰ নিদৰ্শন দাঙি ধৰিছিল যদিও এয়া আছিল আদানীক দিয়া উপহাৰহে। এজন সাংবাদিকে কোৱাৰ দৰে প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালক ভাৰ দিয়া মন্ত্ৰী দপ্তৰত বিমান, জাহাজ আদি নাথাকিবগৈ, থাকিব কেৱল মন্ত্ৰণালয়টোহে।

প্ৰসংগটো আছিল অসমত উৎসৱ-পাৰ্বণ আদি পালনৰ আতিশয্যৰ বিষয়ে। এইবোৰত অসমীয়া ৰাইজে স্থাৱৰ সম্পত্তি বিক্ৰী কৰি জাক-জমক দেখুৱায়, অসমীয়াৰ এই স্বভাৱৰ লগত কেন্দ্ৰীয় চৰকাৰৰ মিলটো দেখিহে প্ৰসংগান্তৰলৈ আহিব লগা হ'ল। সি যি কি নহওক, দেশ আৰু ৰাজ্যৰ অৰ্থনীতি সবল কৰিবলৈ হ'লে ইয়াক সচলো কৰি ৰাখিব লাগিব। উৎসৱ-পাৰ্বণত ব্যয় কৰা একাংশ ধন ব্যৱসায়ী, কাৰিকৰ, শিল্পী আদিলৈও যায় বাবে এইবোৰ খৰচ সম্পূৰ্ণ অলাগতিয়াল বুলিব নোৱাৰি। পিছে প্ৰহসনৰ কথাটো হ'ল— এইবোৰ ব্যয়ৰ সিংহভাগ ধন ৰাজ্যৰ বাহিৰলৈ যায়। ভাৰতৰ অন্য ৰাজ্যৰ লগতে চীন দেশেও বিশেষভাৱে এইবোৰৰ পৰা লাভ উঠায়।

ৰাজ্য তথা দেশৰ অৰ্থনীতি সবল কৰিবলৈ হ'লে উৎপাদনমুখী ব্যৱস্থা আৰু কৰ্মসংস্থানৰহে সৃষ্টি কৰিব লাগে। বিনামূলীয়া বা কম মূল্যত চাউল দি বা অন্য ধৰণে ধন দিয়াতকৈ সেইবোৰ দিশতহে চকু দিব লাগিছিল। জাগীৰোড আৰু কাছাৰ কল দুটাৰ কৰ্মচাৰীসকলক আৰ্থিক সাহায্য তথা অন্য কৰ্মসংস্থান দিব খোজাটো আদৰণীয় যদিও কল দুটা সচল কৰাটোহে অধিক দৰকাৰী কথা আছিল। এয়া মাথোঁ উদাহৰণহে।

*ফোন ঃ ৮১৩৫৮৩৫২১৯*

**ৰাজ্য তথা দেশৰ অৰ্থনীতি সবল কৰিবলৈ হ'লে উৎপাদনমুখী ব্যৱস্থা আৰু কৰ্মসংস্থানৰহে সৃষ্টি কৰিব লাগে। বিনামূলীয়া বা কম মূল্যত চাউল দি বা অন্য ধৰণে ধন দিয়াতকৈ সেইবোৰ দিশতহে চকু দিব লাগিছিল। জাগীৰোড আৰু কাছাৰ কল দুটাৰ কৰ্মচাৰীসকলক আৰ্থিক সাহায্য তথা অন্য কৰ্মসংস্থান দিব খোজাটো আদৰণীয় যদিও কল দুটা সচল কৰাটোহে অধিক দৰকাৰী কথা আছিল**

# প্ৰতিবাদৰ সংস্কৃতি

## গণতন্ত্ৰত থকা সকলো অধিকাৰ লাভৰ বাবে জনগণৰ প্ৰতিবাদ কৰাৰ অধিকাৰ আছে যদিও তেনে অধিকাৰ সাব্যস্ত কৰাৰ সীমা থাকে

**ড° অনিল কুমাৰ শইকীয়া**

**প্ৰতিবাদবিলাক** যেতিয়া নমনীয়, সমাহিত আৰু শৃংখলিত হৈ উঠে তেতিয়াই প্ৰতিবাদে এক সংস্কৃতিক ৰূপ পৰিগ্ৰহ কৰে; কিন্তু সেই প্ৰতিবাদবিলাক যেতিয়া তীব্ৰ আৱেগৰ তাড়নাত শৃংখলিত হৈ পৰে, সকলোবোৰ নীতি-নিয়ম উলংঘা কৰে, কাৰোবাৰ কপট প্ৰৰোচনাত পৰি প্ৰতিবাদ বা আন্দোলনবোৰ পৰিচালিত হ'বলৈ ধৰে তেতিয়া সেই আন্দোলন বা প্ৰতিবাদবোৰ বহু সময়ত ধ্বংসাত্মক হৈ পৰে। এই ধ্বংসাত্মক প্ৰক্ৰিয়াটোৱে প্ৰতিবাদ বা আন্দোলনৰ সৎ উদ্দেশ্যবোৰ নসাৎ কৰি পেলায়। সাম্প্ৰতিক প্ৰেক্ষাপটত সমগ্ৰ বিশ্বত বিভিন্ন জাতি, জনগোষ্ঠী, দল-সংগঠন আদিৰ প্ৰতিবাদী আন্দোলনবিলাকৰ ভাষা আৰু সংস্কৃতিৰ পৰিৱৰ্তন ঘটিছে। ইতিবাচক দৃষ্টিভংগীৰে প্ৰতিবাদৰ চৰিত্ৰও উন্মোচিত হৈছে। সাধাৰণতে যিকোনো প্ৰতিবাদৰ কৰ্ম-কাণ্ড বহু সময়ত সংপৃক্ত হৈ থাকে সম্ভাৱনাময় অশান্ত অৱস্থাৰ উকমুকনি। প্ৰতিবাদী সমদল কেতিয়াবা হৈ পৰে ধ্বংসাত্মক, কেতিয়াবা হৈ পৰে হিংস্ৰ আৰু বহু সময়ত হৈ পৰে অইনৰ চকুত অপৰাধী। শান্তিপূৰ্ণভাৱে আগবঢ়া বা অৱস্থান গ্ৰহণ কৰি থকা প্ৰতিবাদকাৰী উন্মাদ হৈ নিৰাপত্তাৰক্ষীক আক্ৰমণ কৰে আৰু তেতিয়াই সেই আক্ৰমণ প্ৰতিহত কৰিবলৈ নিৰাপত্তাৰক্ষীয়ে অস্ত্ৰ প্ৰয়োগ কৰিব লগা হয়। অৱশ্যে চৰকাৰৰ দ্বাৰাও বহু সময়ত প্ৰতিবাদকাৰীক উত্তেজিত কৰি তুলিবলৈ গোপনীয় কৌশল অৱলম্বন কৰি অহাৰো উদাহৰণ অলেখ আছে। আমাৰ দেশত স্বাধীনতা আন্দোলনৰ পৰা আৰম্ভ কৰি অতি সম্প্ৰতি হৈ থকা প্ৰতিবাদৰ আন্দোলন বিলাকত অসহিষ্ণুতা আৰু অশান্তময় অৱস্থা প্ৰায়ে সৃষ্টি হৈ আহিছে। চৰকাৰবিলাকেও গণতান্ত্ৰিক প্ৰতিবাদৰ ভাষা বুজিবলৈ চেষ্টা নকৰে, মুহূৰ্তে মুহূৰ্তে এক সম্ভাৱনাময় সংঘাতৰ আশংকাত ভুগি থাকিব লগা হয়। প্ৰতিবাদী আন্দোলনবোৰ বিফল কৰিবৰ বাবে বহু সময়ত সমাজ বিৰোধী এচাম দুষ্কৃতিকাৰীয়ে প্ৰচেষ্টা চলাই থাকে। বহু পৰিকল্পিত শান্তিপূৰ্ণ আন্দোলনবোৰ হৈ পৰে উচ্ছৃংখল, উন্মাদ আৰু অসহিষ্ণু। বিশ্বৰ সৰ্ববৃহৎ বুলি পৰিচিত অসমৰ বিদেশী খেদা আন্দোলন প্ৰথম অৱস্থাত অতি শৃংখলিত আছিল যদিও পৰৱৰ্তী সময়ত এই আন্দোলন প্ৰতিহত কৰিবলৈ দুষ্ট চক্ৰই বিপথে পৰিচালিত কৰাত বহু আন্দোলনকাৰীয়ে মৃত্যুক সাৱটি ল'ব লগা হৈছিল আৰু বহুজন চিৰদিনৰ কাৰণে ঘুণীয়া হৈ পৰিছিল। প্ৰতিবাদকাৰী সমদলবিলাকে প্ৰায়ে চহৰ বা নগৰসমূহত যান-জঁটৰ সৃষ্টি কৰি জনজীৱন বিপন্ন কৰি তোলে। ট্ৰেফিকত অবৰ্ণনীয় ভীৰ হৈ এক যন্ত্ৰণাদায়ক পৰিৱেশ সৃষ্টি হোৱাত বিভিন্ন পৰিবহণ আৰু যোগাযোগ স্তব্ধ হৈ পৰাত স্কুল-কলেজ, অফিচ আদালত, জৰুৰী চিকিৎসালয় আদিলৈ যোৱা লোকৰ দুখ-দুৰ্দ্দশাৰ সীমা নোহোৱা হয়, প্ৰশাসনৰ জটিলতা বাঢ়ে, শ্ৰমিক, ক্ষুদ্ৰ ব্যৱসায়ীৰ উপাৰ্জনৰ প্ৰতিও ভাবুকি আহে। চৰকাৰ আন্দোলনৰ প্ৰতি যিমানেই অনমনীয় হয় সিমানেই পৰিৱেশ উত্তাল আৰু অশান্ত হৈ পৰে। পিছে অতি সম্প্ৰতি কিছুমান প্ৰতিবাদে এক সংস্কৃতিৰ ৰূপ ধাৰণ কৰা প্ৰত্যক্ষ হৈছে। জাপানৰ উদাহৰণ এটা দি ক'ব পাৰি যে জাপানত যাত্ৰীসকলৰ ভাড়া বৃদ্ধিৰ বাবে প্ৰতিবাদ আৰম্ভ হৈছিল। এই প্ৰতিবাদত কোনো প্ৰতিবাদী দল নাছিল আৰু নাছিল কোনো অশান্তময় অৱস্থা। নগৰত দেখা পোৱা নগৈছিল কোনো ট্ৰেফিক জাম, স্বাভাৱিকভাৱেই সকলো কাম-কাজ সম্ভৱ হৈ আছিল। জাপানৰ অকায়ামাত ৰায়বী নামৰ বাছ পৰিবহণ সংস্থাটোৱে যাত্ৰীৰ পৰা কোনো ধৰণৰ মাচুল নোলোৱাকৈ বহুদিন ধৰি যাত্ৰীক অনা-নিয়া কৰিবলৈ ধৰিলে। এনে কাৰ্যত আন পৰিবহণ সংস্থাসমূহৰ পৰা সন্মুখীন হোৱা ৰায়বী সংস্থাটোৱে ভীষণ প্ৰত্যাহ্বানৰ সন্মুখীন হৈছিল যদিও এদিন যাত্ৰীৰ বৰ্ধিত ভাড়া কমাই দিবলৈ আন সকলো পৰিবহণ সংস্থা বাধ্য হৈ পৰিল। ৰায়বী পৰিবহণ সংস্থাটোৱে প্ৰকৃততে এইটো প্ৰতিপন্ন কৰিছিল যে তেওঁলোকে একমাত্ৰ জনগণৰ স্বাৰ্থত কোনো অশান্তময় অৱস্থা সৃষ্টি নকৰাকৈ প্ৰতিবাদ আৰম্ভ কৰিছিল। স্বাভাৱিক অৱস্থা বৰ্তাই ৰাখি কৰা এনে প্ৰতিবাদী কাৰ্যৰ প্ৰতি প্ৰশাসনও শংকিত হ'ব লগা নহৈছিল।

প্ৰতিবাদী আন্দোলন যদিও হিংসাত্মক নহয়, তথাপি ইয়াৰ লগত কিছু পৰিমাণে উন্মাদনাৰ আবেগ জড়িত হৈ থাকে। ৰাজনৈতিক সংগঠনসমূহে এইটো বিশ্বাস কৰে, যে একমাত্ৰ সামৰিক বা অসামৰিক কাৰ্যৰ দ্বাৰাহে প্ৰতিবাদী আন্দোলনবিলাকৰ ফলাফল নিৰ্ধাৰণ কৰিব পাৰে। প্ৰকৃততে শান্তিপূৰ্ণভাৱে আৰম্ভ কৰা আন্দোলনবিলাকক বহু সময়ত দুৰ্বল বুলি বিবেচনা কৰা হয়। মহাত্মা গান্ধীৰ অহিংস আৰু শান্তিপূৰ্ণ আন্দোলনৰ দৰ্শনটোক সমালোচনা কৰা হৈছিল অথচ এনে আন্দোলনৰ দ্বাৰাই সোঁপন্থী হিন্দুত্ববাদীয়ে যে ব্ৰিটিছৰ শাসনৰ পৰা স্বাধীনতা আজুৰি আনিছিল, সেই কথা পাহৰি যোৱা হয়। উল্লেখ কৰা প্ৰয়োজন যে সোঁপন্থী হিন্দুত্ববাদীসকলৰ অন্যতম পিতৃ সংগঠন ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘই আনকি স্বাধীনতা আন্দোলনত অংশগ্ৰহণ কৰা নাছিল বুলি একাংশই সমালোচনা কৰি আহিছে। বংগদেশৰ সেই সময়ৰ উপ-মুখ্যমন্ত্ৰী শ্যামা প্ৰসাদ মুখাৰ্জীয়ে ব্ৰিটিছ শাসকবৰ্গক এই বুলি পৰামৰ্শ দিছিল, যে— Quit India movement of 1942 should be crushed least it would cred disturbance in the country (Sandeep Panday). । আমাৰ দেশত সৌ-সিদিনা আৰম্ভ কৰা এক বিশাল কৃষক আন্দোলন এটাৰ প্ৰতিবাদী চৰিত্ৰ সম্পৰ্কে আলোচনা কৰা হওক। ২০১৮ৰ পাঁচ মাৰ্চৰ পৰা ১২ মাৰ্চ পৰ্যন্ত মহাৰাষ্ট্ৰৰ নাচিকৰ পৰা মুম্বাইত থকা বিধানসভালৈ বুলি সৰ্বভাৰতীয় কৃষক সভাই মাৰ্ক্সবাদী কমিউনিষ্ট দলৰ সহযোগত প্ৰায় ৪০ হেজাৰ কৃষকক লৈ ১৮০ কিলোমিটাৰ পথত প্ৰতিবাদৰ যাত্ৰা আৰম্ভ কৰিছিল। তেওঁলোকৰ প্ৰধান দাবী আছিল, যে মহাৰাষ্ট্ৰ চৰকাৰে কৃষকৰ সমুদায় ঋণ আৰু বিদ্যুতৰ মাচুল ৰেহাই দিব লাগে, স্বামীনাথন আয়োগৰ প্ৰতিবেদন অনতিপলমে কাৰ্যকৰী হৈ উঠিব লাগে আৰু বন অধিকাৰ আইন বলৱৎ কৰিব লাগে। সম্পূৰ্ণ আঠদিন প্ৰতিবাদৰ কণ্ঠ নিগৰাই কৃষকৰ বিশাল পদযাত্ৰাৰ অন্তত অন্তিম দিনা মুম্বাই মহানগৰীত উপস্থিত হৈছিল। আশ্চৰ্যজনকভাৱে যাত্ৰাপথত কোনো ধৰণৰ অশান্ত পৰিৱেশ সৃষ্টি হোৱা নাছিল আৰু তাতকৈ লক্ষ্যণীয় যে ৪০ হেজাৰ কৃষকে মহানগৰীত অৱস্থান কৰোতে মহানগৰৰ জীৱন যাত্ৰা মুঠেই অস্বাভাৱিক হৈ উঠা নাছিল। এনেধৰণৰ শান্তিপূৰ্ণ প্ৰতিবাদী আন্দোলনে কিন্তু সফলতা লাভ কৰিবলৈ সক্ষম হৈছিল।



সাম্প্ৰতিক সময়ত আমাৰ দেশৰ অগ্নিগৰ্ভা আৰু অশৃংখলিত অৱস্থাৰ প্ৰতি লক্ষ্য কৰিলে এইটো স্পষ্ট হৈ পৰিব যে দেশখনত দুৰ্নীতি আৰু কৰ্তব্যৰ প্ৰতি অৱহেলা কৰাটো এক অৰ্হতা হিচাপে বিবেচিত হৈছে আৰু ইয়াক স্মাৰ্ট ব্যৱস্থা বুলিহে গণ্য কৰা হৈছে। ব্যক্তি পূজাৰ প্ৰাধান্য পোৱা দেশখনত ক'ভিড মহামাৰীয়ে বিধ্বস্ত কৰি যোৱা অৰ্থনীতিত দেশৰ জনগণ আজি দিশহাৰা হৈ পৰিছে। পুঁজিপতিৰ বাবে হৈ পৰিছে সোণৰ কণী পৰা হাঁহ সদৃশ। মূল্যবৃদ্ধি, আগ্ৰাসী নিবনুৱা, মন্দাৱস্থাৰ অৰ্থনীতিয়ে ভাৰাক্ৰান্ত কৰি তোলা দেশখনত এতিয়া সৰ্বত্ৰ ব্যক্তিপূজাৰ আয়োজন চলিছে। এনে পূজাত আহুতি ঢালি আমাৰ দলীয় চৰকাৰৰ কৰ্মকৰ্তাই ক'ভিড সংক্ৰমণ কি, অৰ্থনীতি কি, সামাজিক সংঘাত কি, বিবিধ সমস্যাৰ আগ্ৰাসনত পিষ্ট দেশখনত অযথা মুদ্ৰাৰ শৰাধ কৰি থকা কাৰ্যবোৰ এখন কল্যাণকামী ৰাষ্ট্ৰৰ বাবে সঁচাকৈ দুৰ্ভাগ্যজনক।

দেশখনত সৎ আৰু ন্যায় নিষ্ঠাপৰায়ণ কৰ্মচাৰীয়ে দলীয় ৰাজনীতিৰ আগ্ৰাসনৰ পৰা মুক্ত হৈ সঁচা অৰ্থত কৰ্ম সম্পাদন কৰিব পাৰিছেনে? পুঁজিপতি তথা প্ৰভাৱশালী আৰু ক্ষমতাৱান একাংশ বিষয়া-কৰ্মচাৰীয়ে অহৰহ সাম্প্ৰদায়িকতা, উগ্ৰ-দাম্ভিকতা আৰু স্বজন-তোষণ কাৰ্যক প্ৰশ্ৰয় দি অহা নাই নে? ভালকৈ দৃষ্টি দিলে এইটো উন্মোচিত হ'ব যে শাসনৰ বাঘজৰীত থকা অধিকাংশৰে উচ্চ বৰ্ণৰ স্থিতি বিদ্যমান। এইসকলে সম্প্ৰদায়ভিত্তিক সংৰক্ষণ নীতিৰ বিৰোধিতা কৰি মেধাক অপমান কৰা হৈছে বুলি হৈ-চৈ লগাই আহিছে, অথচ এইসকলৰ মাজতেই দুৰ্নীতিৰে জীৱন গঢ়াৰ শিক্ষা অব্যাহত ৰাখিছে। সমাজ জীৱনত দুৰ্নীতিক উৎসাহিত কৰি এওঁলোকৰ মন-মগজু ঠগ-প্ৰৱঞ্চনা আৰু দুৰ্নীতি চিন্তাৰে সমৃদ্ধ কৰি ৰাখিছে। এওঁলোকে ৰাজনৈতিক গুৰুৰ আশীৰ্বাদ পুষ্ট হৈ মহান কৰ্ম-সমূহক বাধা প্ৰদান কৰিবলৈ নিৰন্তৰ প্ৰয়াস অব্যাহত ৰাখিছে। অৱশ্যে ইয়াৰ ব্যতিক্ৰম নথকা নহয়। সেইসকল অৱশ্যেই আমাৰ পূজনীয়। সময়ে সময়ে এনেবোৰ অভিযোগ আহে যে ৰাজনৈতিক হস্তক্ষেপত আৰু ধনবলৰ প্ৰভাৱত চূড়ান্ত অপৰাধীও সাৰি যায়। আইন-কানুনবিলাকো ধনী আৰু প্ৰভাৱশালী ব্যক্তিৰ আজ্ঞাবাহী হৈ পৰে। আনহাতে, প্ৰশাসনত থকা অলেখ অপৰাধীক চৰকাৰে ৰক্ষণাবেক্ষণ দি দলীয় ৰাজনৈতিক স্বাৰ্থ পূৰণৰ বাবে সুবিধা আদায় কৰি লয়। সম্প্ৰতি আমাৰ দেশত এনে ধৰণৰ প্ৰশাসনিক আৰ্হি সৃষ্টি হ'ব ধৰিছে। যিকোনো বিষয়ত মেধা এতিয়া উচিত নিৰ্ণায়কৰ অৰ্হতা হৈ থকা নাই। সামান্য ব্যতিক্ৰমৰ বাদে সমগ্ৰ ব্যৱস্থাবোৰত বিশেষকৈ নতুন শিক্ষানীতিৰ আলম লৈ শিক্ষা পদ্ধতিটোত ৰাজনৈতিক সমৰ্থন সৰ্বোচ্চ হৈ উঠিছে, বে-চৰকাৰী তথা পুঁজিপতিৰ অধীনলৈ শিক্ষা ব্যৱস্থাটো নিশ্চিতভাৱে সোমাই গৈছে। শিক্ষা পদ্ধতিৰ নতুন প্ৰক্ৰিয়াটো শিক্ষা প্ৰতিষ্ঠান, প্ৰশাসক, শিক্ষক, ছাত্ৰ-অভিভাৱকৰ সন্মিলিত শক্তিক অধিক প্ৰাণৱন্ত কৰি তোলাৰ পশ্চাদপটত কিন্তু ৰাজনৈতিক ইচ্ছা-অনিচ্ছাৰ ওপৰত শিক্ষা ব্যৱস্থাটো নিৰ্ভৰ কৰিহে বৰ্তি থাকিব বুলি ভবা হৈছে। অবৈধ উপায়েৰে আহৰণ কৰা উচ্চ শিক্ষাৰ ডিগ্ৰী, মূল্যাংকনৰ উচ্চ নম্বৰেহে এতিয়াও প্ৰাধান্য পাই আছে।

আমাৰ বিশ্বাস দেশত অব্যাহত থকা দুৰ্নীতি, অনীতি, ভ্ৰষ্টাচাৰ, ব্যক্তি পূজাৰ বন্দনাৰে অৰ্থ অপচয় কৰা, নিবনুৱাক কৰ্মসংস্থাপন দিয়া, ক'ভিড মহামাৰীত বিধ্বস্ত হৈ পৰা জনগণক উদ্ধাৰ কৰা আদি অলেখ সমস্যাৰ বাবে প্ৰতিবাদ হ'ব; কিন্তু তেনে প্ৰতিবাদবোৰ নিশ্চয় এক সাংস্কৃতিক মৰ্যাদাৰে সাব্যস্ত কৰিব লাগিব। গণতন্ত্ৰত থকা সকলো অধিকাৰ লাভৰ বাবে জনগণৰ প্ৰতিবাদ কৰাৰ অধিকাৰ আছে যদিও তেনে অধিকাৰ সাব্যস্ত কৰাৰ সীমা থাকে। সেই সীমাই হৈছে প্ৰতিবাদৰ সংস্কৃতি।

মানুহক একেলগে গোট খুওৱাটো সহজ কথা, কিন্তু সেইসকলৰ সমন্বিত মানসিকতাক উচ্চ মনৰ অধিকাৰী কৰি তোলাৰ বিপৰীতে সম্প্ৰতি প্ৰতিৰোধক কৰ্মৰ প্ৰতিহে অধিক আগ্ৰহী কৰি তোলা হয়। সন্দিপ পাণ্ডেৰ এটি বক্তব্য উল্লেখ কৰি ক'ব পাৰি যে It is easier to mobilise people in sensational issue rather than on some society building agenda. সম্প্ৰতি এইটোৱেই হৈছে আধিপত্যকাৰী ৰাজনীতিৰ সংস্কৃতি। এখন সমাজে শান্তিপূৰ্ণ আৰু মানৱীয়তাৰে সমৃদ্ধ অৱস্থা এটা সদায় কামনা কৰি থাকে; কিন্তু তেনে কামনাক গোপনীয়ভাৱে এনে এটা অৱস্থালৈ লৈ যোৱা হয়, য'ত মৌলবাদী চিন্তাৰ প্ৰতিফলন ঘটে। বিতৰ্কবোৰ হৈ পৰে সংবাদৰ গৰম খবৰ আৰু মহৎ কৰ্মবোৰৰ সংবাদ সাধাৰণ পৰিঘটনালৈ পৰ্যবসিত হয়।

*ফোন ঃ [illegible]*

দৈনিক অগ্ৰদূত

দেশ-দেশান্তৰ

গুৱাহাটী, ৮ অক্টোবৰ, ২০২১ শুকুৰবাৰ, পৃষ্ঠা ৫

# আৰিয়ানৰ গ্ৰেপ্তাৰৰ সময়ত এন চি বিৰ স'তে আছিল বিজেপি নেতা ঃ কিন্তু কিয়?

**নিউজ ব্যুৰ'**
নতুন দিল্লী, ৭ অক্টোবৰ ঃ মাদক দ্ৰব্যৰ কাণ্ডত মহাতাৰকা অভিনেতা শ্বাহৰুখ খানৰ পুত্ৰ আৰিয়ান খানসহ কে'বাজনকো নাৰ্ক'টিক্স কন্ট্ৰ'ল ব্যুৰ' (এন চি বি)-এ গ্ৰেপ্তাৰ কৰাৰ আঁৰত বিজেপিৰ হাত আছে নেকি? উত্থাপিত অভিযোগ অনুসৰি বিজেপিৰ এজন নেতাই উক্ত প্ৰমোদতৰীত নিষিদ্ধ মাদক দ্ৰব্যৰ পাৰ্টি অনুষ্ঠিত কৰাক লৈ খবৰ দিছিল এন চি বিক। আৰিয়ানৰ গ্ৰেপ্তাৰৰ পাছত যেতিয়া এন চি বিয়ে ন্যায়িক জিম্মাত লৈছিল, সেই সময়ত এক ভিডিঅ' ফুটেজত উক্ত স্থানত বিজেপিৰ নেতা মনীষ ভানুচালি উপস্থিত থকাৰ প্ৰমাণ লাভ কৰা হৈছিল। এই তথ্য পোহৰলৈ অহাৰ পাছতে মহাৰাষ্ট্ৰৰ মন্ত্ৰী নবাব মালিকে এন চি বিৰ অভিযানৰ স'তে বিজেপি জড়িত থকা বুলি অভিযোগ কৰে। ইফালে, ইতিমধ্যে নিজৰ আৰু পৰিয়ালৰ নিৰাপত্তা নিশ্চিত কৰিবলৈ আৰক্ষীক দাবী জনাইছে বিজেপি নেতা মনীষে। সংবাদ মাধ্যমৰ আগত তেওঁ কয়, 'এক অক্টোবৰত মই মাদক দ্ৰব্যৰ পাৰ্টিৰ খবৰ লাভ কৰিছিলো। মোক এজন বন্ধুৱে এন চি বিক জনাবলৈ কৈছিল। এই খবৰ এন চি বিয়েও লাভ কৰিছিল। দুই অক্টোবৰত প্ৰমোদতৰীত অভিযান চলোৱা হৈছিল। সাক্ষী




হিচাপে মোকো লৈ যোৱা হৈছিল। মই জনা নাছিলো যে উক্ত প্ৰমোদতৰীত শ্বাহৰুখৰ পুত্ৰও আছিল। মই এন চি বিৰ বিষয়াৰ স'তে আছিলো। কিন্তু মই নিজে একো কৰা নাছিলো। মই এজন বিজেপি কৰ্মী। যি কৰিলো সেয়া দেশৰ বাবে কৰিলো। এই ঘটনাৰ সন্দৰ্ভত মই বিজেপিৰ কোনো নেতাৰ স'তে আলোচনা কৰা নাই। কিন্তু ইয়াকে লৈ লেতেৰা ৰাজনীতি কৰাত মই আতংকিত হৈছো।'



## 'ফ'ৰ্বছ'ৰ শীৰ্ষ ভাৰতীয় ধনাঢ্যৰ তালিকাত স্থান অক্ষুণ্ণ মুকেশ আম্বানীৰ

**নিউজ ব্যুৰ', নতুন দিল্লী, ৭ অক্টোবৰ ঃ** 'ফ'ৰ্বছ'ৰ ভাৰতীয় ধনাঢ্যৰ ২০২১ৰ তালিকাত নিজৰ শীৰ্ষস্থান অক্ষুণ্ণ ৰাখিলে ৰিলায়েন্স ইণ্ডাষ্ট্ৰিজৰ স্বত্বাধিকাৰী মুকেশ আম্বানীয়ে। আম্বানীয়ে ২০০৮ৰ পৰা ফ'ৰ্বছৰ এই তালিকাত একেৰাহে ১৪ বছৰ ধৰি প্ৰথম স্থান দখল কৰি আহিছে। ফ'ৰ্বছৰ ভাৰতীয় ধনাঢ্য ব্যক্তিৰ তালিকাত দ্বিতীয় স্থানত আছে গৌতম আদানী আৰু তৃতীয় স্থান দখল কৰিলে শিৱ নাডাৰে। ফ'ৰ্বছৰ তথ্য অনুসৰি, আম্বানীৰ সম্পত্তিৰ পৰিমাণ হৈছে ৯৩ বিলিয়ন ডলাৰ অৰ্থাৎ ভাৰতীয় মূল্যত প্ৰায় ৬.৯৬ লাখ কোটি টকা। দ্বিতীয় স্থানত থকা আদানীৰ সম্পত্তিৰ পৰিমাণ হৈছে ৭৪.৮ ডলাৰ, অৰ্থাৎ ৫.৬১ লাখ কোটি টকা।

## এইবাৰো দীপাৱলীত আতচবাজীত নিষেধাজ্ঞা বাহাল উচ্চতম ন্যায়ালয়ৰ



**নিউজ ব্যুৰ', নতুন দিল্লী, ৭ অক্টোবৰ ঃ** এইবাৰো দীপাৱলীত আতচবাজী কৰাৰ বাবে অনুমতি নিদিলে উচ্চতম ন্যায়ালয়ে। দেশৰ সৰ্বোচ্চ ন্যায়ালয়ে স্পষ্টভাৱে কয় যে মানুহৰ জীৱনক বিপদাপন্ন কৰি কোনো উৎসৱ পালনৰ অনুমতি দিব নোৱাৰি। উল্লেখ্য যে আতচবাজীৰ ওপৰত পূৰ্বে আৰোপ কৰা নিষেধাজ্ঞাক প্ৰত্যাহ্বান জনাই আতচবাজী প্ৰস্তুতকাৰকে দেশৰ সৰ্বোচ্চ আদালতৰ দ্বাৰস্থ হৈছিল। এই গোচৰৰ ৰায় দি ন্যায়াধীশ এম আৰ শ্বাহ আৰু এ এছ ব'পান্নাৰ বিচাৰপীঠে কয়, 'ফটকা ফুটাই শব্দ আৰু বায়ু প্ৰদূষণৰ মাধ্যমেৰে উৎসৱ পালন কৰিব লাগিব নেকি? আমি আতচবাজী অবিহনেও উৎসৱ পালন কৰিব পাৰো। আমি উৎসৱ উদ্‌যাপনৰ বিৰোধী নহয়। কিন্তু আমি আনৰ জীৱনৰ মূল্য আদায়েৰে উৎসৱ পালন কৰিব নোৱাৰো।'

## ম্যানমাৰত সেনাক আক্ৰমণ বিদ্ৰোহীৰ, কমেও ৪০ সৈনিকৰ মৃত্যু

**নিউজ ব্যুৰ', য়াংগুন, ৭ অক্টোবৰ ঃ** ম্যানমাৰত বিদ্ৰোহীয়ে সেনা বাহিনীক আক্ৰমণৰ লক্ষ্য হিচাপে ল'লে। বিদ্ৰোহীৰ আক্ৰমণত কমেও ৪০ জন সেনাৰ মৃত্যু হ'ল। এই ঘটনাত আন ৩০ জন গুৰুতৰভাৱে আহত হৈছে। দেশখনৰ মগবে অঞ্চলৰ গংগাবত বিদ্ৰোহীয়ে সেনাক লক্ষ্য হিচাপে লৈ আক্ৰমণ চলাইছিল। সেনাবাহিনীৰ এক কনভয়ক বিদ্ৰোহীয়ে গুলি আৰু বোমাৰে আক্ৰমণ চলাইছিল আৰু এই ঘটনাত ৪০ জন সৈনিকৰ ঘটনাস্থলীতে মৃত্যু হৈছিল। গুলিবিদ্ধ আন ৩০ জন সৈনিকক স্থানীয় চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে।



## ইউনিচেফৰ প্ৰতিবেদনত চাঞ্চল্যকৰ তথ্য ঃ বছৰি মানসিক সমস্যাৰ সন্মুখীন হোৱা ৪৬ হেজাৰ শিশু-কিশোৰৰ আত্মহনন

# বিশ্বত প্ৰতি সাত শিশুৰ এটি আক্ৰান্ত হৈছে মানসিক সমস্যাত

**নিউজ ব্যুৰ'**
**নিউ য়ৰ্ক, ৭ অক্টোবৰ ঃ** ইউনিচেফৰ দ্বাৰা প্ৰকাশিত শেহতীয়া এক প্ৰতিবেদনৰ তথ্য অনুসৰি, সাম্প্ৰতিক বিশ্বত ১০ৰ পৰা ১৯ বছৰ বয়সীয়া প্ৰতি সাতগৰাকী শিশুৰ এটি মানসিক সমস্যাত আক্ৰান্ত হৈছে। ইউনিচেফৰ এই প্ৰতিবেদনত লগতে উল্লেখ কৰা অনুসৰি, ক'ভিড মহামাৰীয়ে শিশু আৰু কিশোৰৰ মানসিক স্বাস্থ্যত যথেষ্ট নেতিবাচক প্ৰভাৱ পেলাইছে। ক'ভিডৰ এই প্ৰভাৱ দীৰ্ঘদিনলৈ বৰ্তি থাকিব পাৰে বুলিও প্ৰতিবেদনটোত উল্লেখ কৰা হৈছে। শিশু আৰু কিশোৰে সাম্প্ৰতিক সময়ত সন্মুখীন হোৱা মানসিক সমস্যাৰ দিশটোৰ প্ৰতি বয়স্ক নাগৰিকসকলক লক্ষ্য ৰাখিবলৈকো আন্তৰ্জাতিক শিশু সংগঠনটোৱে আহ্বান জনাইছে। ইউনিচেফৰ মতে, শিশু আৰু কিশোৰক মানসিক সমস্যামুক্ত কৰাৰ ক্ষেত্ৰত প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰা হোৱা নাই। সবাতোকৈ উদ্বেগজনক তথ্যটো হৈছে বিশ্বত প্ৰতি বছৰে প্ৰায় ৪৬ হেজাৰ শিশু



আৰু কিশোৰে মূলত মানসিক সমস্যাৰ সন্মুখীন হৈ আত্মহনন কৰি আহিছে। কিন্তু ইয়াৰ পাছতো বিশ্বৰ শিশু আৰু কিশোৰে সন্মুখীন হোৱা মানসিক সমস্যাৰ প্ৰতি অভিভাৱকৰ লগতে বিশেষজ্ঞসকলৰ বিশেষ গুৰুত্ব আৰোপ নকৰাৰ অভিযোগ উত্থাপিত হৈ আহিছে। ইউনিচেফে এই প্ৰতিবেদনত ২১খন দেশৰ শিশু, কিশোৰ আৰু প্ৰাপ্তবয়স্কৰ মানসিক সমস্যাৰ সন্দৰ্ভত আলোকপাত কৰিছে। একেটা প্ৰতিবেদনতে উল্লেখ কৰা অনুসৰি বিশ্বৰ প্ৰতি পাঁচজন যুৱ প্ৰজন্মৰ এজনে প্ৰায়ে মানসিক সমস্যাত আক্ৰান্ত হোৱা বুলি স্বীকাৰ কৰিছে।

## ৫.৯ প্ৰাৱল্যৰ ভূমিকম্পত দক্ষিণ পাকিস্তানত কমেও ২০ জনৰ মৃত্যু, আহত ২০০



**নিউজ ব্যুৰ', কোৱেটা, ৭ অক্টোবৰ ঃ** বৃহস্পতিবাৰে পুৱতি নিশা ভূমিকম্পই কঁপাই তুলিলে দক্ষিণ পাকিস্তান। ৰিখ্‌টাৰ স্কেলত ভূকম্পনৰ প্ৰাৱল্য আছিল ৫.৭। এই ভূমিকম্পৰ উৎসস্থল আছিল কোৱেটা প্ৰদেশৰ পূব আৰু উত্তৰ-পূবৰ পৰা ১০২ কিলোমিটাৰ দূৰৰ ভূপৃষ্ঠৰ পৰা ১০ কিলোমিটাৰ গভীৰত। প্ৰশাসনৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি, ভূমিকম্পৰ ফলত কমেও ২০ জন লোকৰ মৃত্যু হৈছে। তদুপৰি দুই শতাধিক লোক ভূমিকম্পত আহত হ'ল। ভূমিকম্পই সৰ্বাধিক ক্ষতি কৰিলে পাহাৰীয়া চহৰ হাৰনাই আৰু বালুচিস্তানৰ। পুৱতি নিশা স্থানীয় বাসিন্দাসকল নিদ্ৰাৰত হৈ থকাৰ সময়তে ভূকম্পন অনুভূত হোৱাত কে'বাজনো লোকৰ বাসগৃহ ভাগি পৰাত প্ৰাণহানি ঘটে। মৃতকৰ মাজত ছটা শিশুও আছে। মৃতকৰ সংখ্যা অধিক বৃদ্ধি পাব বুলি আশংকা কৰিছে প্ৰশাসনে।

## শ্ৰীনগৰত বিদ্যালয়ত সন্ত্ৰাসবাদীৰ আক্ৰমণত অধ্যক্ষসহ দুই শিক্ষক নিহত



**নিউজ ব্যুৰ', শ্ৰীনগৰ, ৭ অক্টোবৰ ঃ** নিৰীহ নাগৰিকক পুনৰ আক্ৰমণৰ লক্ষ্য হিচাপে ল'লে কাশ্মীৰৰ সন্ত্ৰাসবাদীয়ে। জম্মু-কাশ্মীৰৰ শ্ৰীনগৰৰ এখন বিদ্যালয়ত ভয়াৱহ গুলি আক্ৰমণৰ ঘটনা সংঘটিত কৰিলে সন্ত্ৰাসবাদীয়ে। এই আক্ৰমণত প্ৰাণ হেৰুৱালে বিদ্যালয়ৰ অধ্যক্ষসহ দুই শিক্ষকে। সেনাৰ সূত্ৰৰ খবৰ অনুসৰি, আজি শ্ৰীনগৰৰ চাফা কাডাল অঞ্চলত এখন চৰকাৰী বিদ্যালয়ত কে'বাজন সন্ত্ৰাসবাদীয়ে প্ৰৱেশ কৰি গুলিবৰ্ষণ কৰিছিল। এই ঘটনাত বিদ্যালয়খনৰ অধ্যক্ষ সুপিন্দ্ৰ কৌৰ আৰু শিক্ষক দীপক চাঁদৰ মৃত্যু হয়। দুই শিক্ষকে সন্ত্ৰাসবাদীক বাধাদান কৰাত তেওঁলোকে জধে-মধে গুলিবৰ্ষণ কৰে আৰু লগে লগে ঘটনাস্থলীতে শিক্ষক দুজন ধৰাশায়ী হয়। পাছত দুয়োজনকে চিকিৎসালয়লৈ নিয়া হয় যদিও চিকিৎসকে মৃত ঘোষণা কৰে। কাশ্মীৰী পণ্ডিতক হত্যা কৰাৰ পাছত সন্ত্ৰাসবাদীয়ে এইবাৰ কাশ্মীৰত সংখ্যালঘু শিখক আক্ৰমণৰ লক্ষ্য হিচাপে ল'লে। চলিত বৰ্ষত বৰ্তমানলৈকে সন্ত্ৰাসবাদীৰ হাতত জম্মু-কাশ্মীৰত ২৩ জন সাধাৰণ নাগৰিকৰ মৃত্যু হৈছে। ইয়াৰে শ্ৰীনগৰত আঠজন, পুলৱামা আৰু অনন্তনাগত চাৰিজনকৈ, কুলগামত তিনিজন, বাৰামুল্লাত দুজন, বডগাম আৰু বান্দিপুৰাত এজনকৈ সাধাৰণ নাগৰিকৰ সন্ত্ৰাস আক্ৰমণত প্ৰাণহানি হৈছে।



## মেলেৰিয়াৰ প্ৰতিষেধকক স্বীকৃতি দিলে 'হু'ৱে

**নিউজ ব্যুৰ'**
**ৱাশ্বিংটন, ৭ অক্টোবৰ ঃ** বিশ্বজুৰি প্ৰতি বছৰে লাখ লাখ লোকৰ মেলেৰিয়াত মৃত্যু হৈ আহিছে। মেলেৰিয়াত মৃত্যু প্ৰতিৰোধ কৰিবলৈ পদক্ষেপ গ্ৰহণ কৰিলে বিশ্ব স্বাস্থ্য সংস্থা (হু)ই। এইবাৰ শিশুৰ বাবে বিশ্বৰ প্ৰথম মেলেৰিয়াৰ প্ৰতিষেধক ব্যৱহাৰত অনুমোদন জনালে হুৱে। হুৰ এই সিদ্ধান্তক ঐতিহাসিক আখ্যা দিলে স্বাস্থ্য বিশেষজ্ঞসকলে। উল্লেখ্য যে মহবাহিত এই ৰোগত প্ৰতি বছৰে বিশ্বত চাৰি লাখৰো অধিক লোকৰ মৃত্যু হৈ আহিছে। ২০১৯ৰ পৰা ঘানা, কেনিয়া আৰু মালাউৱেত পৰীক্ষামূলকভাৱে যি কৰ্মসূচী গ্ৰহণ কৰা হৈছিল, তাৰ ফলাফল পৰ্যবেক্ষণৰ পাছত আৰ টি এছ, এছ/এ এছ ০১ প্ৰতিষেধক ব্যৱহাৰৰ বাবে সেউজ সংকেত দিলে বিশ্ব স্বাস্থ্য সংস্থাই। মেলেৰিয়াৰ আক্ৰান্ত হোৱাৰ ফলতে বিশ্বত প্ৰতি দুই মিনিটত এটি শিশুৰ মৃত্যু হৈ আহিছে। শিশুক মেলেৰিয়াৰ প্ৰতিষেধক প্ৰদানৰ জৰিয়তে এই ৰোগত মৃত্যুৰ সম্ভাৱনা হ্ৰাস কৰিব পৰা যাব বুলি আশা কৰা হৈছে।

## ব্ৰিটেইনত মূল্যবৃদ্ধিৰ প্ৰকোপ, প্ৰতি পৰিয়ালৰ অতিৰিক্ত ব্যয় ১.৮০ লাখ টকা বৃদ্ধি



**নিউজ ব্যুৰ', লণ্ডন, ৭ অক্টোবৰ ঃ** কৰ'না কালত ভাৰতেৰে নহয়, বিশ্বৰ প্ৰায়বোৰ দেশৰে বজাৰত ব্যাপক মূল্যবৃদ্ধি অব্যাহত আছে। শ্ৰমিকৰ নাটনি, উৎপাদন হ্ৰাস, ইন্ধনৰ মূল্যবৃদ্ধি আদি কাৰকৰ ফলত ব্ৰিটেইনতো সম্প্ৰতি মূল্যবৃদ্ধিয়ে ভয়াৱহ ৰূপ ধাৰণ কৰিছে। চেণ্টাৰ ফ'ৰ ইক'ন'মিক্স এণ্ড বিজনেছ ৰিছাৰ্চ (চি এফ ই বি আৰ)ৰ শেহতীয়া অধ্যয়নৰ তথ্য অনুসৰি, ব্ৰিটেইনত চাৰিজনীয়া সদস্য বিশিষ্ট পৰিয়ালত মূল্যবৃদ্ধিৰ ফলত চলিত বৰ্ষৰ অন্তিমভাগত অতিৰিক্ত ব্যয়ৰ পৰিমাণ ১৮০০ পাউণ্ড অৰ্থাৎ ভাৰতীয় মুদ্ৰাত ১.৮০ লাখ টকালৈ বৃদ্ধি পাব। বেংক অব ইংলণ্ডৰ পূৰ্বানুমান অনুসৰি, ২০২১ৰ অন্তিমভাগত ব্ৰিটেইনত মুদ্ৰাস্ফীতিৰ হাৰ চাৰি শতাংশলৈ বৃদ্ধি পাব। ব্ৰিটেইনৰ ছুপাৰ মাৰ্কেটসমূহত সা-সামগ্ৰীৰ মূল্য কমেও পাঁচ শতাংশ বৃদ্ধি পাইছে। ইফালে, দেশখনত প্ৰতিলিটাৰ পেট্ৰ'লৰ মূল্য ১৩৬.১০ পাউণ্ডলৈ বৃদ্ধি পাইছে। এয়ে প্ৰথমবাৰৰ বাবে ব্ৰিটেইনত পেট্ৰ'লৰ মূল্য ইমান বৃদ্ধি পালে। বিদ্যুতৰ মাচুল বৃদ্ধিৰ ফলতো দেশখনৰ প্ৰায় ডেৰ কোটিৰো অধিক পৰিয়ালে সম্প্ৰতি ১৪০ পাউণ্ড অৰ্থাৎ প্ৰায় ১৪ হেজাৰ টকাৰ অতিৰিক্ত মাচুল বছৰি আদায় দিব লগা হৈছে। ব্ৰিটেইনত অব্যাহত থকা এই মূল্যবৃদ্ধিৰ বাবে চি ই বি আৰ-এ ব্ৰেক্সিট আৰু ক'ভিডৰ ব্যাপক সংক্ৰমণক জগৰীয়া কৰিছে।

## কৰ'নাত এদিনতে ৰাছিয়াত মৃত্যু ৯২৯ জনৰ, ম'স্কোত সৰ্বাধিক সংক্ৰমণ

**নিউজ ব্যুৰ', ম'স্কো, ৭ অক্টোবৰ ঃ** কৰ'নাৰ সংক্ৰমণৰ নতুন কেন্দ্ৰত পৰিণত হৈছে ৰাছিয়া। যোৱা আগষ্টৰ পৰা দেশখনত ক'ভিড-১৯ৰ সংক্ৰমণ প্ৰতিদিনে বৃদ্ধি পাই আহিছে। বুধবাৰে দেশখনত ৯২৯ জন লোকৰ কৰ'নাত মৃত্যু হৈছিল। সমগ্ৰ বিশ্বৰ ভিতৰত ক'ভিড আক্ৰান্তৰ তালিকাত এই মুহূৰ্তত পঞ্চম স্থানত আছে ৰাছিয়া। কিন্তু দৈনিক মৃত্যুৰ হিচাপত সম্প্ৰতি ভাৰত, ব্ৰাজিল আৰু ব্ৰিটেইনতকৈ আগত আছে ৰাছিয়া। বৰ্তমানলৈকে ৰাছিয়াত দুই লাখ ১২ হেজাৰ ৬২৫ জন ক'ভিড ৰোগীৰ মৃত্যু হ'ল। ইউৰোপৰ দেশসমূহৰ ভিতৰত ৰাছিয়াতে সৰ্বাধিকসংখ্যক লোকৰ ক'ভিডত মৃত্যু হৈছে। স্মৰ্তব্য যে ৰাছিয়াতে বিশ্বৰ প্ৰথমটো ক'ভিড প্ৰতিষেধক উদ্ভাৱন কৰা হৈছিল। দেশখনৰ ৩০ শতাংশ নাগৰিকে দুপালি প্ৰতিষেধক লাভ কৰাৰ



পাছতো এই ভাইৰাছৰ সংক্ৰমণ ৰাছিয়াৰ অন্যতম এক উদ্বেগত পৰিণত হৈছে। দেশৰ ভিতৰতে সৰ্বাধিকসংখ্যক লোক কৰ'নাত আক্ৰান্ত হৈছে ম'স্কোত। 'ডেল্টা' প্ৰজাতিৰ ব্যাপক সংক্ৰমণৰ ফলত ম'স্কোত ক'ভিড পৰিস্থিতি জটিল হৈছে।

## মমতাৰ দাবী ঃ কংগ্ৰেছে কেতিয়াও নোৱাৰে, বিজেপিক তৃণমূলেহে জনাব পাৰিব প্ৰত্যাহ্বান

**নিউজ ব্যুৰ'**
**কলকাতা, ৭ অক্টোবৰ ঃ** পশ্চিমবংগ বিধানসভাৰ নিৰ্বাচনত তৃণমূল কংগ্ৰেছৰ বিপুল বিজয় আৰু শেহতীয়াভাৱে ভৱানীপুৰ উপ-নিৰ্বাচনত অভিলেখসংখ্যক ভোটেৰে জয়লাভৰ পাছত ৰাজ্যখনৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীৰ আত্মবিশ্বাস কে'বাগুণ বৃদ্ধি পালে। এক নিবন্ধত পশ্চিমবংগৰ মুখ্যমন্ত্ৰীগৰাকীয়ে দাবী কৰি কয় যে তৃণমূল কংগ্ৰেছ এতিয়া কংগ্ৰেছতকৈ বহুগুণে অধিক শক্তিশালী। মমতাই দলৰ মুখপত্ৰ 'জাগো বাংলা'ৰ দুৰ্গা পূজা বিশেষ সংখ্যাৰ এটি নিবন্ধত কয় যে কংগ্ৰেছে বিজেপিৰ বিৰুদ্ধে যুঁজত সম্পূৰ্ণৰূপে ব্যৰ্থ হৈছে। সেয়েহে ভাৰতবাসীয়ে এতিয়া ফেডাৰেলবাদী দলক আঁতৰাই নতুন ভাৰত নিৰ্মাণৰ দায়িত্ব তৃণমূল কংগ্ৰেছক অৰ্পণ কৰা বুলি মমতাই দাবী কৰে। মমতাই নিবন্ধত কয় যে



চলিত বৰ্ষৰ আৰম্ভণিতে ৰাজ্যত হোৱা বিধানসভাৰ নিৰ্বাচনত বিজেপিৰ বিৰুদ্ধে চমকপ্ৰদ জয়ৰ পাছত তৃণমূল কংগ্ৰেছে দেশবাসীৰ বিশ্বাস অৰ্জন কৰিলে। কংগ্ৰেছে বিজেপিৰ বিৰুদ্ধে যুঁজত সম্পূৰ্ণ ব্যৰ্থ হ'ল বুলি অভিযোগ কৰি তৃণমূল কংগ্ৰেছ নেত্ৰীয়ে কয় যে এতিয়া বিজেপিক একমাত্ৰ তৃণমূল কংগ্ৰেছেহে প্ৰত্যাহ্বান জনাব পাৰিব।

## আশ্ৰফ ঘানিৰ বিপদ, যোগান ধৰা ধনৰ তদন্ত চলাব আমেৰিকাই

**নিউজ ব্যুৰ', ৱাশ্বিংটন, ৭ অক্টোবৰ ঃ** বিগত ২০ বছৰৰ সময়ছোৱাত আমেৰিকাই আফগানিস্তানৰ পুনৰ নিৰ্মাণ আৰু সন্ত্ৰাস দমনৰ বাবে বৃহৎ পৰিমাণৰ পুঁজিৰ যোগান ধৰিছিল। এই ধনৰাশি আফগানিস্তান চৰকাৰে ক'ত ব্যয় কৰিছিল, সেই সন্দৰ্ভত অনুসন্ধান চলোৱাৰ সিদ্ধান্ত ল'লে আমেৰিকাই। উল্লেখ্য যে কাবুলৰ পৰা পলায়ন কৰাৰ সময়ত আফগানিস্তানৰ প্ৰাক্তন ৰাষ্ট্ৰপতি আশ্ৰফ ঘানিয়ে লাখ লাখ ডলাৰ নিজৰ লগত লৈ যোৱা বুলি এক বাতৰি ব্যাপক প্ৰচাৰিত হৈছিল। ঘানিৰ বিৰুদ্ধে উত্থাপিত চৰকাৰী ধন আত্মসাতৰ এই অভিযোগৰ সন্দৰ্ভত তদন্ত চলাব মাৰ্কিন নিৰীক্ষক সংস্থাই। আফগানিস্তান পুনৰ নিৰ্মাণৰ সন্দৰ্ভত আমেৰিকাৰ বিশেষ মহানিৰীক্ষক জন চ'পক'ৱে এইদৰে ঘোষণা কৰি কয় যে আমেৰিকাই বিগত সময়ছোৱাত আফগানিস্তানত বৃহৎ পৰিমাণৰ ধনৰ যোগান ধৰিছিল। এই ধন ঘানি চৰকাৰে প্ৰকৃততে কেনেকৈ আৰু ক'ত ব্যয় কৰিছিল তাৰ হিচাপ-নিকাচ কৰা হ'ব বুলি মাৰ্কিন মহানিৰীক্ষকজনে জানিবলৈ দিয়ে।



## কৰ্ণাটকৰ মন্ত্ৰীয়ে ক'লে 'আৰ এছ এছ নথকা হ'লে দ্বিতীয় পাকিস্তানত পৰিণত হ'লহেঁতেন দেশ'

**নিউজ ব্যুৰ'**
**বাংগালুৰু, ৭ অক্টোবৰ ঃ** ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘ (আৰ এছ এছ)ক লৈ এক বিতৰ্কৰ সৃষ্টি হ'ল কৰ্ণাটকত। ৰাজ্যখনৰ প্ৰাক্তন মুখ্যমন্ত্ৰী এইচ ডি কুমাৰাস্বামীৰ এক মন্তব্যৰ প্ৰত্যুত্তৰ দি কৰ্ণাটকৰ পশুপালন মন্ত্ৰী প্ৰভু চৌহানে কয় যে যদিহে আৰ এছ এছ নাথাকিলহেঁতেন তেন্তে ভাৰত দ্বিতীয়খন পাকিস্তানত পৰিণত হ'লহেঁতেন। আনহাতে, বিজেপিৰ ৰাজ্যিক সভাপতি নলীন কুমাৰ কটিলে কয় যে কুমাৰাস্বামীয়ে আৰ এছ এছৰ শাখালৈ গৈ দেশভক্তিৰ শিক্ষা আহৰণ কৰা উচিত। মন্ত্ৰী চৌহানে কয়, 'আৰ এছ এছ এটা দেশভক্ত সংগঠন, যি সংগঠনে দেশক ৰক্ষা কৰি আহিছে। সেয়েহে দেশবাসীয়ে আন কোনো দেশ বা শক্তি লৈ ভয় কৰাৰ প্ৰয়োজন নাই।



' উল্লেখ্য যে যোৱা মঙলবাৰে কুমাৰাস্বামীয়ে অভিযোগ কৰি কৈছিল যে আৰ এছ এছে দেশৰ চাৰি হেজাৰ আই এ এছ আৰু আই পি এছ বিষয়াক প্ৰশিক্ষণ দিছিল আৰু এতিয়া এইসকল বিষয়াই আৰ এছ এছৰ নীতি অনুসৰি কৰ্মৰত হৈছে।

## পুনৰ দৈনিক আক্ৰান্তৰ সংখ্যা বৃদ্ধি দেশত, মৃত্যুও বাঢ়িল ৩১৮ জনলৈ



**নিউজ ব্যুৰ', নতুন দিল্লী, ৭ অক্টোবৰ ঃ** ভাৰতত পুনৰ বৃদ্ধি পালে দৈনিক কৰ'না আক্ৰান্তৰ সংখ্যা। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি যোৱা ২৪ ঘণ্টাত দেশত নতুনকৈ কৰ'নাত আক্ৰান্ত হ'ল ২২,৪৩১ জন লোক। বুধবাৰৰ তুলনাত দেশত ১৯ শতাংশ ক'ভিড আক্ৰান্ত বৃদ্ধি পালে। যোৱা ২৪ ঘণ্টাত ক'ভিডৰ সংক্ৰমণৰ হাৰ আছিল ১.৫৭ শতাংশ। সংক্ৰমণ বৃদ্ধিৰ লগতে যোৱা ২৪ ঘণ্টাত ভাৰতত পুনৰ ক'ভিডত মৃতকৰ সংখ্যা ৩০০ৰ অধিক হ'ল। বিগত এদিনত কৰ'নাই প্ৰাণ কাঢ়িলে ৩১৮ জন লোকৰ।

## অনলাইন ক্লাছ ঃ ভাৰতৰ তিনি কোটি শিক্ষাৰ্থীৰ পৰিয়ালত নাই স্মাৰ্টফোন



**নিউজ ব্যুৰ', নতুন দিল্লী, ৭ অক্টোবৰ ঃ** অনলাইন ক্লাছৰ নামত দৰাচলতে ভাৰতত ভেঁকোভাওনাহে চলিল। কেন্দ্ৰীয় শিক্ষা মন্ত্ৰণালয়ে প্ৰকাশ কৰা এক তথ্য অনুসৰি, ভাৰতৰ প্ৰায় দুই কোটি ৯০ লাখ স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ নিজৰ বা পৰিয়ালৰ কোনো স্মাৰ্টফোন বা কম্পিউটাৰ নাই। দেশৰ ১৯খন ৰাজ্য আৰু পাঁচখন কেন্দ্ৰীয় শাসিত অঞ্চলক সামৰি এই তথ্য যোৱা জুনলৈকে সংগ্ৰহ কৰা হৈছিল। বিগত ডেৰ বছৰ ধৰি দেশৰ প্ৰায়বোৰ বিদ্যালয় অধিকাংশ সময় বন্ধ হৈ আছে আৰু ছাত্ৰ-ছাত্ৰীয়ে অনলাইনত শিক্ষাগ্ৰহণ কৰিব লগা হৈছে। কিন্তু নিজৰ বা পৰিয়ালৰ স্মাৰ্টফোন নথকাৰ ফলত ভাৰতত কমেও প্ৰায় তিনি কোটি শিক্ষাৰ্থীয়ে ক'ভিড কালত অনলাইন শিক্ষা গ্ৰহণৰ পৰা বঞ্চিত হৈছে। পৰিসংখ্যা অনুসৰি, বিহাৰত ১.৪ কোটি, ঝাৰখণ্ডত ৩২ লাখ, কৰ্ণাটকত ৩১ লাখ ছাত্ৰ-ছাত্ৰীৰ কোনো স্মাৰ্টফোন নাই।

## সম্পত্তি বিক্ৰীৰে বিদ্যুতৰ বকেয়া আদায় দিব তালিবানে

**নিউজ ব্যুৰ', কাবুল, ৭ অক্টোবৰ ঃ** তালিবানে আফগানিস্তানত চৰকাৰ গঠন কৰিলেও বিদ্যুতৰ বকেয়া বিল আদায় নিদিয়াৰ ফলত বিদ্যুৎ যোগানকাৰী সংস্থাসমূহে আফগানিস্তানলৈ বিদ্যুতৰ যোগান বন্ধ কৰাৰ ভাবুকি দিছে। এনে পৰিস্থিতিত তালিবান চৰকাৰে ঘোষণা কৰা অনুসৰি, তেওঁলোকে সা-সম্পত্তি বিক্ৰী কৰি বিদ্যুতৰ বকেয়া বিল পৰিশোধ কৰিব। পূৰ্বৱৰ্তী আফগান চৰকাৰৰ যিসকল ৰাজনীতিবিদ আৰু আমোলাই বিদ্যুতৰ বিল আদায় দিয়া নাছিল, তেওঁলোকৰ বাসগৃহও বিক্ৰী কৰি ধন সংগ্ৰহ কৰিব আফগান বিদ্যুৎ সংস্থাই।



## সংঘাত আঁতৰাবলৈ জিনপিঙৰে আলোচনাত বহিব বাইডেনে



**নিউজ ব্যুৰ', ৱাশ্বিংটন, ৭ অক্টোবৰ ঃ** দক্ষিণ চীন সাগৰৰ পৰা আৰম্ভ কৰি টাইৱান আৰু তালিবানসহ একাধিক বিষয়ত ক্ৰমে সংঘাত বৃদ্ধি পাইছে আমেৰিকা আৰু চীনৰ। এনে পৰিস্থিতিত দ্বিপাক্ষিক সম্পৰ্ক কিছু স্বাভাৱিক কৰাৰ উদ্দেশ্যেৰে চীনৰ ৰাষ্ট্ৰপতি জি জিনপিঙৰ স'তে এখন বৈঠকত অংশ ল'বলৈ সন্মত হ'ল আমেৰিকাৰ ৰাষ্ট্ৰপতি জ' বাইডেন। হোৱাইট হাউছৰ সূত্ৰৰ খবৰ অনুসৰি, চলিত বৰ্ষৰ অন্তিমভাগত ভাৰ্চুৱেল বৈঠকত অংশ ল'ব বাইডেন আৰু জিনপিঙে। ৰোমত অনুষ্ঠিত হ'ব লগা জি-২০ দেশৰ বৈঠকত চীনে অংশ নলয়। ফলত উক্ত বৈঠকত জিনপিং আৰু বাইডেনৰ সাক্ষাতৰ সম্ভাৱনা নাই। হোৱাইট হাউছৰ সূত্ৰই জনোৱা অনুসৰি, ২০২১ৰ অন্তিমভাগত জিনপিঙৰ স'তে ভাৰ্চুৱেল বৈঠকত অংশ লৈ দ্বিপাক্ষিক সম্পৰ্কৰ লগতে অন্যান্য প্ৰসংগত বাইডেনে আলোচনা কৰিব।



## গোৰ্খা সমাজৰ 'দুনা-টপৰা'ৰ তাৎপৰ্য আৰু প্লাষ্টিক মুক্তকৰণত ইয়াৰ সম্ভাৱনীয়তা

■ চবিত বিষ্ট

**অসমীয়া** গোৰ্খাসকলৰ আছে এক স্বকীয় বৈশিষ্ট্য। ভাষা-সাহিত্য-সংস্কৃতিকে আদি কৰি দিশসমূহত গোৰ্খা জনগোষ্ঠীৰ একক অনন্য পৰিচয় আছে। অসমীয়া গোৰ্খাসকলে এই স্বকীয়তাক অটুট ৰখাৰ লগতে অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিকো আঁকোৱালি লৈছে। আনকি অসমীয়া সাহিত্য-সংস্কৃতিৰ ভঁৰাল টনকিয়াল কৰি তোলাৰ উদ্দেশ্যে আগবঢ়াই গৈছে অনেক অৱদান। এনে এক জনগোষ্ঠীৰ বিষয়ে ওচৰৰ পৰা জানিবলৈ সকলোৰে মন যায় যদিও যিকোনো মুহূৰ্তত সকলোবোৰ বিষয় জনাটো আজিও কাৰো পক্ষে সম্ভৱপৰ হৈ উঠাগৈ নাই। গোৰ্খাসকলৰ আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি, পৰম্পৰা আদিৰ বিষয়ে বৰ্তমান সময়ত বিভিন্ন গ্ৰন্থ আদিত কিছু পৰিমাণে উল্লেখ পোৱা যায় যদিও সেইখিনিয়েই যথেষ্ট নহয়। জনগোষ্ঠীটোৰ এনে অনেক বিষয় আছে; যিবোৰৰ বিতংকৈ আলোচনা আজি পৰ্যন্ত হোৱা নাই। আজি আমি গোৰ্খা জনগোষ্ঠীৰ তেনে এক বিষয়কে এই লেখাৰ মূল বিষয়বস্তু হিচাপে কিছু লৈ কিছু আভাস দিয়াৰ প্ৰয়াস কৰিছে। বিষয়টো হ'ল— গোৰ্খা সমাজৰ 'দুনা-টপৰা'। হয়তো বহু লোকে এই বিষয়ে জানে বা এতিয়াও বহু এনে লোক আছে; যিয়ে বিষয়টোৰ সম্পৰ্কে একোৱেই নাজানে। যি কি নহওক, সাম্প্ৰতিক সময়ত ই এটা অতি গুৰুত্বপূৰ্ণ আৰু মননশীল বিষয়ৰূপে পৰিলক্ষিত হৈছে। কিয়নো সাম্প্ৰতিক সময়ত প্লাষ্টিকৰ অবাধ প্ৰয়োগে প্ৰদূষণ বৃদ্ধি কৰি ক্ৰমান্বয়ে জীৱজগতলৈ এক ভয়াবহ বিপদ নমাই অনাৰ বিষয়ে সজাগতা সৃষ্টি কৰিবলগীয়া পৰিস্থিতি হৈছে। বিয়া-সভাত প্লাষ্টিকৰ গিলাচ, বাটি, কাঁহীৰ প্ৰচলনৰ ফলশ্ৰুতিত পৰিৱেশ বিনষ্ট হৈছে। মাটিৰ উৰ্বৰা শক্তি নাশ হৈছে। জীৱ-জন্তুৰ মাজত এই অপচনীয় পদাৰ্থবিধে অনেক দুৰাৰোগ্য ৰোগক নিমন্ত্ৰণ দিছে। মূলতঃ ক্ৰমান্বয়ে সম্পূৰ্ণ জীৱজগতকেই এক ভয়াবহ ভৱিষ্যতৰ দিশে ঠেলি দিছে। কিন্তু, ইয়াৰ হেজাৰ বছৰৰ পূৰ্বেই যেন গোৰ্খা জনগোষ্ঠীৰ লোকসকলে এই কথা উপলব্ধি কৰিছিল। সেয়েহে হয়তো তেওঁলোকে অৱলম্বন কৰিছিল অন্য এক পন্থা। গোৰ্খা সমাজে আৱিষ্কাৰ কৰি উলিয়াইছিল এক বিশেষ প্ৰকাৰৰ একক ব্যৱহাৰ্য কাঁহী-বাটি। ধৰ্মীয় বা যিকোনো ধৰণৰ মাংগলিক কাৰ্য, উৎসৱ-পাৰ্বণ আদিত বিশেষকৈ এই ধৰণৰ কাঁহী-বাটিসমূহৰ ব্যৱহাৰ দেখিবলৈ পোৱা যায়। ইপিনে, খাদ্য সম্ভাৰৰ জুতি লোৱাৰ বাবেও অতি উৎকৃষ্ট এই কাঁহী-বাটি। 'দুনা-টপৰা' নামেৰে জনাজাত এক বিশেষ গছৰ পাতেৰে প্ৰস্তুত কৰি উলিওৱা এই কাঁহী-বাটিসমূহ বিভিন্ন আকাৰ আৰু আয়তনত থকা দেখা যায়। ইয়াৰ সৃষ্টি কেতিয়া আৰু ক'ত হৈছিল; সঠিককৈ ক'ব নোৱাৰিলেও ইয়াৰ প্ৰচলন পৰম্পৰাগতভাৱে প্ৰজন্মৰ পাছত প্ৰজন্মলৈ বাগৰি আহিছে। গোৰ্খাসকলে 'ছাল পাত' আৰু সৰু সৰু বাঁহৰ কাঠিৰে এই 'দুনা-টপৰা' সাজি উলিয়ায়। উল্লেখ্য যে 'দুনা' মানে সৰু বাটিৰ দৰে পাত্ৰক বুজা যায় আৰু 'টপৰা' বা 'টপৰি' মানে কাঁহীৰ আকাৰৰ পাত্ৰক বুজায়। গোৰ্খা মহিলাই হাবি-জংঘলৰ পৰা এই 'ছাল পাত' তুলি আনে আৰু বাঁহৰ কাঠিৰে 'দুনা-টপৰা' প্ৰস্তুত কৰি উলিয়ায়।

বিবাহৰ দৰে শুভ কাৰ্যৰ সময়ছোৱাত গাঁৱৰ মহিলা-পুৰুষ একেলগ হৈ বিৰাট আনন্দ-স্ফূৰ্তিৰ মাজেৰে এক পৰ্ব স্বৰূপেই পালন কৰে 'পাত টিপনে' পৰ্ব। ইয়াৰ তাৎপৰ্য হ'ল যে বিবাহ অনুষ্ঠিত হ'ব লগা গৃহস্থৰ আহ্বান আৰু নিবেদনত গাঁৱৰ প্ৰতিঘৰ পৰিয়ালৰ এজন পুৰুষ বা এগৰাকী মহিলা একেলগে মিলি ছাল পাত তুলিবলৈ পুৱাৰ ভাগতে ওলাই যায় আৰু দিনটো জংঘলত পাত বিচাৰি ঘূৰি ফুৰাৰ অন্তত আবেলি গৃহস্থৰ ঘৰতে এক উৎসৱমুখৰ পৰিৱেশৰ মাজেৰে খাদ্য গ্ৰহণ কৰে। সম্প্ৰতি ইয়ো এক পৰম্পৰালৈয়ে যেন পৰ্যবসিত হৈছে।

যি কি নহওক, গোৰ্খাসকলে ব্যৱহাৰ কৰা এই 'দুনা-টপৰি' পৰিৱেশ অনুকূল। কোনো ধৰণৰ পৰিৱেশ বিনষ্ট নকৰা এনে পাত্ৰৰ প্ৰস্তুত কৰি যুগে যুগে গোৰ্খা সমাজে কিছু পৰিমাণে হ'লেও প্ৰদূষণ ৰোধ কৰি আহিছে। গোৰ্খাসকলে এই পৰম্পৰা জীয়াই ৰাখিব লাগিব। এই পন্থা পাৰিলে সকলোৰে লোৱাৰ প্ৰয়োজনীয়তাও আহি পৰিছে। সেয়েহে, হয়তো জনগোষ্ঠীয় সংগঠনে বিভিন্ন সময়ত যুৱক-যুৱতীসকলৰ মাজত 'দুনা-টপৰা' প্ৰস্তুতৰ প্ৰতিযোগিতা আয়োজন কৰিবলৈ আৰম্ভ কৰা দেখা গৈছে। চৰকাৰীভাৱেও এই ক্ষেত্ৰত কৰণীয় থকা দেখা যায়। এই 'দুনা-টপৰা'ৰ বহুল প্ৰচাৰ আৰু ব্যৱহাৰৰ ক্ষেত্ৰত অসম চৰকাৰে গোৰ্খা জনগোষ্ঠীটোক উদগনি জনোৱাৰ আঁচনিও গ্ৰহণ কৰিব পাৰে। এনে কৰিলে প্লাষ্টিকৰ ব্যৱহাৰ ৰোধৰ ক্ষেত্ৰত গোৰ্খা সমাজৰ পৰাই এক ক্ৰান্তিৰ সূচনা হোৱাটো নিশ্চিত।

## যুক্তিবাদীৰ দৃষ্টিত তথাগত বুদ্ধ

■ ডº ললিত শ্যাম

**তথাগত** বুদ্ধ পৃথিৱীৰ প্ৰথম যুক্তিবাদী আছিল। তেওঁ মানুহক তেওঁৰ প্ৰচাৰিত শিকনিসমূহৰ বিষয়ে শিক্ষা দিছিল। মানুহ আনৰ মতামতৰ দ্বাৰা প্ৰভাৱিত নহৈ যুক্তিৰ ওপৰত নিৰ্ভৰশীল হ'বলৈ কৈছিল।

সম্যক দৃষ্টি ই হ'ল অষ্টাংগিক মাৰ্গৰ প্ৰথম মাৰ্গ। ইয়াৰ অৰ্থ হ'ল নিৰ্ভুল দৃষ্টি। সম্যক দৃষ্টি হ'ল অজ্ঞাত, কুসংস্কাৰ, ভ্ৰান্তি ইত্যাদিৰ পৰা মুক্ত হৈ সত্যক অৱলোকন কৰা। সত্যক সত্য আৰু অসত্যক অসত্য বোলা হয়। অবিদ্যাক ধ্বংস কৰা সম্যক দৃষ্টিৰ লক্ষ্য।

বুদ্ধদেৱে তেওঁৰ ধৰ্ম প্ৰচাৰৰ বাবে যাদু বিদ্যা প্ৰয়োগৰ বিৰোধী আছিল। বুদ্ধই যেতিয়া তেওঁৰ ধৰ্ম প্ৰচাৰৰ বাবে ভিক্ষুসকলক বিভিন্ন প্ৰান্তলৈ পঠাইছিল, তেতিয়া তেওঁলোকক কোনো যাদু বিদ্যা বা কোনো ধৰণৰ অলৌকিকতাৰ আশ্ৰয় নল'বলৈ স্পষ্ট নিৰ্দেশ দিছিল। ইয়াৰ পৰা বুজা যায় যে তেওঁ কেতিয়াও সাধাৰণ মানুহক প্ৰৱঞ্চনা কৰিবলৈ বিচৰা নাছিল আৰু মিছা প্ৰতিজ্ঞাও কৰা নাছিল। তেওঁ কেতিয়াও তেওঁৰ শিক্ষা-শিকনিসমূহ ঈশ্বৰ প্ৰদত্ত বা নিজকে স্বয়ং ঈশ্বৰ, ঈশ্বৰৰ পুত্ৰ বা ঈশ্বৰৰ বাৰ্তাবাহকৰূপে দাবী কৰা নাই।

বুদ্ধৰ প্ৰচাৰিত ধৰ্মত কুসংস্কাৰৰ স্থান নাই। তেওঁ ঈশ্বৰ, আত্মা, চয়তান, ভূত-প্ৰেত, মানুহ বা জগতৰ সৃষ্টি ৰহস্য ইত্যাদিৰ সম্পৰ্কে কোনো কথা কোৱা নাই। এইবিলাক তেওঁৰ দৰ্শনৰ স'তে সম্পৰ্কহীন আৰু সময়ৰ অপব্যয় বুলি মত পোষণ কৰিছে। এনে ধৰণৰ চিন্তা-চৰ্চা আৰু আলোচনাই মানুহৰ কোনো মংগল বা কল্যাণ সাধন কৰিব নোৱাৰে বুলি তেওঁ বিশ্বাস কৰে। তেওঁ কৈছে যে যি বাস্তৱ আৰু মানুহৰ মংগলৰ পক্ষে কেৱল প্ৰয়োজনীয় চিন্তা কৰা ভাল। এই প্ৰসংগত 'চুলমালুঙ্ক সূত্ৰ'ৰ কথা উল্লেখ কৰিব পাৰি। কোনো এক সময়ত বুদ্ধই যেতিয়া শ্ৰাৱস্তিত অনাথপিণ্ডিকৰ জেতবন আৰামত বসবাস কৰিছিল, তেতিয়া আয়ুস্মান মালুংক্য পুত্ৰ আহি জনাবলৈ বিচাৰিলে—(১) লোক শাশ্বত? (২) লোক অশাশ্বত? (৩) লোক অন্তবান ? (৪) লোক অনন্তবান (৫) যেই জীৱ সেই শৰীৰ ? (৬) জীৱ অন্য শৰীৰ অন্য? (৭) মৃত্যুৰ পাছত তথাগত (সত্বঃ) থাকে? (৮) মৃত্যুৰ পাছত তথাগত নাথাকে? (৯) মৃত্যুৰ পাছত তথাগত থাকে, নাথাকে? আৰু (১০) মৃত্যুৰ পাছত তথাগত নাথাকে।

উত্তৰত তথাগতই ক'লে যে তেওঁ কেতিয়াও ইমান প্ৰতিশ্ৰুতি দিয়া নাই যে এই সমস্ত প্ৰশ্নৰ উত্তৰ দিব। প্ৰকৃততে এইবিলাক প্ৰশ্নৰ উত্তৰ জানিবলৈ ইমান জৰুৰী নহয়। তেওঁ আৰু ক'লে, ধৰা যাওক, কোনো লোক তীৰবিদ্ধ হ'ল। আৰু তাৰ পাছত তেওঁক চিকিৎসকৰ ওচৰলৈ অনা হ'ল। তেতিয়া সেই আহত ব্যক্তিজনে যদি কয় যি পৰ্যন্তলৈকে জানিব পাৰিছে যে যি ব্যক্তিয়ে তেওঁক শৰবিদ্ধ কৰিছে তেওঁ ক্ষত্ৰিয়, ব্ৰাহ্মণ, বৈশ্য নে শূদ্ৰ তেতিয়ালৈকে তেওঁক চিকিৎসা কৰিবলৈ নিদিব, বা যেতিয়ালৈকে যি ব্যক্তিয়ে তেওঁক শৰবিদ্ধ কৰিছে তেওঁ কোন গোত্ৰৰ বা তেওঁৰ নাম কি বাসস্থান ক'ত তেতিয়ালৈকে তেওঁক চিকিৎসা কৰিবলৈ নিদিয়ে। তেনে পৰিস্থিতিত সেই ব্যক্তিৰ মৃত্যু ঘটিব পাৰে। প্ৰকৃত পক্ষে ওপৰত উল্লিখিত বস্তুবিলাক বাস্তৱত থাকক বা নাথাকক, জৰা-মৰণ আছে, শোক-দুখ আছেই। গৌতম বুদ্ধই এইবিলাক বিনাশ কৰাৰ উদ্দেশ্যে জীৱন উৎসৰ্গা কৰিছিল।

বুদ্ধদেৱৰ সমস্ত বাণীৰ নিৰ্বাচিত সংকলন হ'ল 'ধৰ্মপদ'। সমগ্ৰ ধৰ্মপদত ক'তো ঈশ্বৰৰ নাম উচ্চাৰিত হোৱা নাই। তাৰ কাৰণ গৌতম বুদ্ধই কৈছে মানুহৰ যুক্তি নিজৰ হাততে, ইয়াৰ বাবে কাৰো সহায়ৰ প্ৰয়োজন নাই। ঈশ্বৰ বুলি কিবা থাকিলেও, তেওঁ মানুহৰ মুক্তি লাভত কোনো ভূমিকা গ্ৰহণ নকৰে। এই বিষয়ে বুদ্ধৰ উপদেশ ধৰ্মপদৰ 'অত্তৱগ্ গো'ত কৈছে—অতাহি অতনো নাথো, কোহি নাথো পৰো সিয়া? অৰ্থাৎ নিজে নিজৰ ত্ৰাণকৰ্তা, ইয়াৰ বাহিৰে অন্য কোন কাৰ নাথ। (ত্ৰাণকৰ্তা)?

বুদ্ধই মানুহক নিজ যুক্তি পথৰ শিক্ষা দিছে। মুক্তিকামীকেয়ে সেই পথ অনুসৰণ কৰি নিজ মুক্তি অৰ্জন কৰিব পাৰে। বুদ্ধই মানুহক এই শিক্ষা দিছে যে নিজৰ মুক্তি নিজৰ হাতত, কাৰো অনুগ্ৰহ বা মধ্যস্থতাত এই যুক্তি সম্ভৱ নহয়। সেয়ে, এই কথা নিঃসন্দেহে ক'ব পাৰিছে যে বুদ্ধই মানুহক তেওঁৰ নিজৰ কৰ্মৰ দায়িত্ব নিজে নিতৌ শিক্ষা দিছিল। আন কথাত ক'বলৈ গ'লে তেওঁ মানুহক স্বাৱলম্বী আৰু সাবালক হোৱাৰ পথ দেখুৱাইছিল। এয়া তেওঁৰ সবাতোতকৈ ডাঙৰ কৃতিত্ব।

যুক্তিবাদী হিচাপে তথাগত বুদ্ধ অন্যান্য ধৰ্মীয় নেতাৰ স'তে বেলেগ আছিল। এই সম্পৰ্কত কৃশা গৌতমী (কিসা-গোতমী)ৰ কাহিনীটো এক উদাহৰণ।

কাহিনী—কৃশা গৌতমীৰ একমাত্ৰ পুত্ৰৰ অকাল মৃত্যুত উন্মাদিনী হৈ যেতিয়া শ্ৰাৱস্তি নগৰবাসীক সন্তানটোৰ পুনৰ জীৱন ঘূৰাই পোৱাৰ ঔষধ বিচাৰি অৱশেষত বিফল হ'ল, তেতিয়া নাৰীগৰাকীৰ বেদনা বুজি নগৰবাসীয়ে বুদ্ধৰ ওচৰলৈ ঔষধ বিচাৰিবলৈ পৰামৰ্শ দিয়ে। সেইমতে তাই বুদ্ধৰ ওচৰলৈ গৈ সন্তানটোৰ পুনৰ জীৱন ঘূৰাই পাবৰ বাবে ঔষধ বিচাৰে তেতিয়া বুদ্ধই নগৰলৈ গৈ আজি পৰ্যন্ত কোনো লোক মৃত্যু নোহোৱা ঘৰৰ পৰা এমুঠি সৰিয়হ আনিবলৈ তাইক কোৱাত তাই উত্ৰাৱল হৈ ঘৰে ঘৰে গৈ বিচৰাত মানুহ মৃত্যু নোহোৱা কোনো এঘৰ মানুহৰ ঘৰ বিচাৰি নাপাই বিফল হ'ল। অৱশেষত তাই বুজিলে যে কোনো গৃহস্থই মৃত্যুৰ কৰাল গ্ৰাসৰ পৰা মুক্ত নহয়। বিফল মনেৰে বুদ্ধৰ ওচৰলৈ আহি সকলো কথা ক'লেহি সকলো বাস্তৱ কথা উপলব্ধি কৰি পাছত তাই পুত্ৰৰ মৃতদেহ সংকাৰ কৰে।

এই কৰ্ম সম্পাদন কৰি কিশা গৌতমী বুদ্ধৰ ওচৰলৈ যায় আৰু তেওঁৰ শিষ্যত্ব গ্ৰহণ কৰি ভিক্ষুণী হয়। তেতিয়া বুদ্ধই তাইক সান্ত্বনা দি ক'লে মানুহৰ মৃত্যু অনিবাৰ্য আৰু অমোঘ। ইয়াক প্ৰতিৰোধ কৰাৰ কাৰো ক্ষমতা নাই। এই কাহিনীটোৰ পৰা আমি জানিব পাৰিছো— বুদ্ধ কোনো ধৰণৰ



অলৌকিক বা অতীন্দ্ৰিয় শক্তিৰ অস্তিত্বত বিশ্বাসী নহয়। মানুহৰ জীৱনৰ চিৰন্তন সত্য যে মৃত্যু আৰু ইয়াৰ পৰা কোনেও সাৰিব নোৱাৰে, এই কথা তেওঁ স্বীকাৰ কৰে।

সিদ্ধাৰ্থ গৌতমৰ সংসাৰ জীৱন ত্যাগ কৰি সন্ন্যাসীৰ জীৱন-যাপন কৰা সম্বন্ধে এটি কাহিনী আছে। নগৰ পৰিভ্ৰমণ কৰিবলৈ গৈ সিদ্ধাৰ্থই প্ৰথমদিনা এটা জৰাগ্ৰস্ত মানুহ, দ্বিতীয় দিনা এটা ৰোগগ্ৰস্ত মানুহ আৰু তৃতীয় দিনা এটি মৃত মানুহ দেখা পালে। এই তিনিটা দৃশ্য তেওঁ দেখা পাই মানুহৰ দুখ-দুৰ্দশাকে গভীৰভাৱে উপলব্ধি কৰিলে। এই দুখ-দুৰ্দশাৰ পৰা মুক্তি পোৱাৰ পথ বিচাৰিবলৈ তেওঁৰ মন উদ্‌বাউল হ'ল। অন্য এদিন নগৰ ভ্ৰমণলৈ যাওঁতে তেওঁ এজন সন্ন্যাসীক দেখা পালে। সন্ন্যাসীজনে সংসাৰৰ সৰ্বস্ব ত্যাগ কৰিছে, তেওঁ শান্ত আৰু নিস্পৃহ। জীৱনৰ কোনো দুখ বা সমস্যাই যেন তেওঁক স্পৰ্শ কৰিব পৰা নাই। সিদ্ধাৰ্থই সেই সন্ন্যাসীক দেখি মানুহৰ দুখ মুক্তিৰ পথ বিচাৰি পালে। তেওঁ স্থিৰ কৰিলে যে সন্ন্যাসীজনৰ দৰে তেওঁৰ সংসাৰ ত্যাগ কৰিব আৰু সেইমতে সেই কৰিলে।

সিদ্ধাৰ্থ গৌতমে কোনো কাল্পনিক বা অতীন্দ্ৰিয় ঈশ্বৰ সাক্ষাতৰ আশাত গৃহ ত্যাগ কৰা নাছিল, কৰিছিল মানুহৰ মংগলৰ বাবে। শেষ দিন পৰ্যন্ত সেয়াই আছিল তেওঁৰ দ্বাৰা প্ৰচাৰিত সমস্ত শিক্ষাৰ মূল উদ্দেশ্য। মানুহৰ দুখ মুক্তিৰ উপায় হিচাপে গৌতম বুদ্ধই গৃহীসকলৰ বাবে পঞ্চশীল আৰু ভিক্ষুসকলৰ বাবে দশশীলৰ উপৰি অষ্টাংগিক মাৰ্গৰ বিধান দিছে। এই বিধানত তেওঁ কিন্তু ঈশ্বৰ বা কোনো অতি প্ৰাকৃত শক্তিক আৰাধনা কৰাৰ বা তাৰ অস্তিত্বক বিশ্বাস কৰাৰ কথা কোৱা নাই, এটা পথ নিৰ্দেশ দিছে মাত্ৰ, যি পথ অনুসৰণ কৰি তেওঁ নিজে সাফল্য লাভ কৰিছে।

এই খিনিতে বুদ্ধৰ শিক্ষাৰ অন্যতম উল্লেখযোগ্য বিষয় চাৰিটা আৰ্য সত্য কথা। ইয়াত বুদ্ধক আমাৰ এজন চিকিৎসকৰ ভূমিকাত দেখা পাওঁ। এজন চিকিৎসকে যেনেকৈ তেওঁৰ ব্যৱস্থা পত্ৰত প্ৰথমতে ৰোগীৰ নাম লিখে, বুদ্ধয়ো তাকে কৰে— দুখ আছে। অৰ্থাৎ ৰোগটো হ'ল দুখ। তাৰ পাছত তেওঁ ৰোগৰ কাৰণ সুধিলে। দুখৰ কাৰণ আছে; তাৰ পাছত তেওঁ দুখ মুক্তিৰ উপায় বিচাৰিলে, দুখৰ পৰা মুক্তি আছে, দুখৰ পৰা মুক্তিৰ উপায় আছে।

ভাৰতবৰ্ষৰ ইতিহাসত এক অতি গুৰুত্বপূৰ্ণ সন্ধিক্ষণত বুদ্ধদেৱৰ আবিৰ্ভাৱ হৈছিল। সেই সময়ৰ প্ৰচলিত ধৰ্মৰ বিৰুদ্ধে এক ধৰ্ম বিপ্লৱ কৰিছিল তেওঁ। পিছলৈ তেওঁ বৌদ্ধ ধৰ্ম প্ৰৱৰ্তন কৰিছিল।

বুদ্ধদেৱে মানুহক শিকাইছিল মানুহক সমস্তখিনি বিশ্লেষণ কৰাৰ পাছত গ্ৰহণ কৰিবলৈ। আনকি তেওঁ নিজৰ প্ৰচাৰিত শিক্ষা সম্পৰ্কেও এই কথা প্ৰযোজ্য। তেওঁ কৈছে ধৰ্মীয় প্ৰভাৱ, ধৰ্মগ্ৰন্থ, পাৰিবাৰিক বা গোষ্ঠীগত ঐতিহ্য বা ভীতি প্ৰদৰ্শন ইত্যাদিৰ দ্বাৰা প্ৰভাৱিত হৈ কাকো স্বীকাৰ কৰিবলৈ দিয়া নাই। সমস্তখিনি যুক্তিৰ দ্বাৰা বিচাৰ কৰি গ্ৰহণ কৰিবলৈ কৈছে। এই প্ৰসংগত বুদ্ধ প্ৰচাৰিত 'কালাম সূত্ৰটোক' সংক্ষেপে আলোচনা কৰিব পাৰি।

গৌতম বুদ্ধই অকলে ভিক্ষুক লগত লৈ কোশল দেশ পৰিভ্ৰমণ কৰোতে কৰোতে কালামৰ চহৰ কেশপুত্তত আহি পালেহি। কেশপুত্তবাসীয়ে বুদ্ধৰ আগমনৰ বাৰ্তা শুনি তেওঁৰ ওচৰলৈ আহি তেওঁক প্ৰশ্ন কৰিলে—প্ৰভু, কোন কোনে ব্ৰাহ্মণ আৰু সন্ন্যাসী কেশপুত্তত আহি দাবী কৰিছে একমাত্ৰ তেওঁৰ প্ৰচাৰিত শিক্ষাই সত্য আৰু আনৰ প্ৰচাৰিত শিক্ষা ভ্ৰান্ত। এই কাৰণে আমি বিভ্ৰান্ত হৈ পৰিছো। এই সন্ন্যাসীৰ পাছত কাৰ বক্তব্য সত্য আৰু কাৰ বক্তব্য মিছা?

এই প্ৰশ্নৰ উত্তৰত বুদ্ধই ক'লে— তোমাৰ কোনো ধৰণৰ ঐতিহ্য, লোক বিশ্বাস, কিংবদন্তি, অনুমান ইত্যাদিৰ দ্বাৰা প্ৰভাৱিত নহ'বা। আনকি কোনো শিক্ষকৰ বাণীৰ দ্বাৰাও নহয়। যদি তোমাৰ মনত এই ধাৰণাটো অকুশলয়ময়, সমালোচনাৰ যোগ্য, জ্ঞানীজনৰ দ্বাৰা নিন্দিত, গ্ৰহণ কৰিলে দুখ আৰু ক্ষতিৰ সম্ভাৱনা আছে তেতিয়াহ'লে সেই মতটোক বৰ্জন কৰিবা। যদি মনত এইবিলাক মংগলময়, নিৰ্দোষ, জ্ঞানীজনৰ দ্বাৰা প্ৰশংসিত, আৰু প্ৰয়োগ কৰিলে মংগল আৰু সুখৰ কাৰণ হ'ব, সেয়ে ইয়াকে অৱশ্যে গ্ৰহণ কৰিবা। 'কালাম সূত্তই' আছিল যুক্তিবাদৰ প্ৰথম পাঠ।

*ফোন ঃ ৯১০১৪০৮৫৪৪*

> সম্যক দৃষ্টি ই হ'ল অষ্টাংগিক মাৰ্গৰ প্ৰথম মাৰ্গ। ইয়াৰ অৰ্থ হ'ল নিৰ্ভুল দৃষ্টি। সম্যক দৃষ্টি হ'ল অজ্ঞাত, কুসংস্কাৰ, ভ্ৰান্তি ইত্যাদিৰ পৰা মুক্ত হৈ সত্যক অৱলোকন কৰা। সত্যক সত্য আৰু অসত্যক অসত্য বোলা হয়। অবিদ্যাক ধ্বংস কৰা সম্যক দৃষ্টিৰ লক্ষ্য।

## জেহাদ মানে সন্ত্ৰাসবাদ নহয় ঃ নফছক দমন কৰাহে জেহাদ

■ চাহাবুদ্দিন আহমেদ



**সাম্প্ৰতিক** সময়ত জেহাদ বা জেহাদী শব্দটো বহুলভাৱে প্ৰচাৰিত। জেহাদ মানে এতিয়া ইছলাম ধৰ্ম আৰু আৰু ইছলাম ধৰ্মৰ লোক এনে এক মনোভাৱেৰে বিশ্বত সকলোৰে মনত জেহাদ মানে এতিয়া আতংক। জেহাদ ইছলাম ধৰ্মৰ লগত জড়িত যদিও ইয়াৰ অৰ্থ সাম্প্ৰতিক সময়ত বিকৃত ৰূপত তুলি ধৰা হৈছে। ইছলাম ধৰ্মৰ শেষ নবী হজৰত মহম্মদ (ছঃ)ৰ সময়ত আৰু এতিয়াৰ সময়ত জেহাদৰ মাজত আকাশ-পাতল পাৰ্থক্য আছে। জেহাদ বা জেহাদ সম্পৰ্কে জানিবলৈ হ'লে প্ৰথমে ইছলাম ধৰ্মৰ পৱিত্ৰ কোৰান শ্বৰীফ সম্পৰ্কে জানিব লাগিব। দ্বিতীয়তে, জানিব লাগিব হজৰত মহম্মদ (ছঃ)ৰ জীৱনী। শেষত বুজিব লাগিব হজৰত মহম্মদ (ছঃ)ৰ বাণীসমূহ অৰ্থাৎ হাদিছসমূহ। জেহাদ শব্দৰ আক্ষৰিক অৰ্থ হ'ল কৰ্মোদ্যম বা ধৰ্মোদ্যম। পৱিত্ৰ কোৰানৰ ভাষাত—

'জেহাদ ফি ছবিলুল্লাহ' অৰ্থাৎ 'আল্লাহৰ পথত কেৰ্মোদ্যম।'

সেয়েহে এই দিশৰ পৰা ক'ব পাৰি যে জেহাদ মানে আমি ভবা ৰক্তাক্ত যুদ্ধ বা পৰিৱেশ অথবা ইছলাম ধৰ্মৰ বাহিৰে আন ধৰ্মৰ বিৰুদ্ধে কৰা যুদ্ধ নহয়। ইয়াৰ পৰা বুজিব পাৰি জেহাদ মানে সন্ত্ৰাসবাদ বা আতংকৰ নাম নহয়। জেহাদ হৈছে সত্যক তুলি ধৰিবলৈ, অন্যায়ক প্ৰতিৰোধ কৰি ন্যায়, শান্তি, নিৰাপত্তা, ক্ষমা আদি প্ৰতিষ্ঠা কৰিবলৈ কিছুমান চৰ্ত বা নিয়মৰ মাজত শত্ৰুপক্ষৰ লগত মোকাবিলা কৰা। যি সময়ত হজৰত মহম্মদ (ছঃ)ক আল্লাহে পৃথিৱীলৈ পঠিয়াইছিল, তেতিয়া আৰব সমাজখন অন্ধকাৰত ডুব গৈ আছিল। সেই সময়ৰ অন্ধবিশ্বাসী, যাযাবৰী, বহু ঈশ্বৰবাদী অঘৰী, দস্যু-ডকাইত সদৃশ লোকসকলৰ মাজত ধৰ্ম প্ৰচাৰ কৰিবলৈ গৈ পদে পদে তেওঁ বাধা, অপমান, নানা অত্যাচাৰ আৰু দুৰ্যোগৰ মুখামুখি হৈছিল। ইছলাম বিৰোধীসকলৰ এনে কাৰ্যৰ বাবে জেহাদ ঘোষণা কৰা হৈছিল। সেয়েহে জেহাদ মানে হাতত বন্দুক লৈ ধৰ্মৰ নামত নিৰীহ লোকক হত্যা কৰাটো নুবুজায়। কোনো জেহাদে মানুহক হত্যা কৰিবলৈ কোৱা নাই। ইছলাম ধৰ্মৰ প্ৰচাৰৰ লগে লগে হজৰত মহম্মদ (ছঃ)ৰ নিজৰ বংশ কোৰেইছসকলৰ লগতে বিভিন্ন গোত্ৰ, গোষ্ঠী, জাতি-উপজাতিসমূহে তেওঁৰ বিৰুদ্ধে বিভিন্ন ষড়যন্ত্ৰ ৰচনা কৰিছিল। আনকি হত্যা কৰিবলৈও চেষ্টা চলায়। তদুপৰি ইছলাম ধৰ্ম গ্ৰহণ কৰা সকলোকো য'তে পায় তাতে খুব মাৰপিট, অত্যাচাৰ কৰাৰ লগতে বিভিন্ন প্ৰকাৰে অপমানিত কৰিছিল। দিনক দিনে বৃদ্ধি পোৱা এনে অত্যাচাৰৰ বিৰুদ্ধে, আল্লাহৰ নামত কৰা অন্যায়ৰ বিৰুদ্ধে নাম দিয়া হৈছিল জেহাদ। কিন্তু এই জেহাদ সন্দৰ্ভত স্বয়ং আল্লাহে কৈছে—

'কিন্তু যুদ্ধত সীমা অতিক্ৰম নকৰিবা। কিয়নো আল্লাহে সীমা অতিক্ৰমকাৰীসকলক ভাল নাপায়।' (বাক্কাৰাহ ঃ১৯০)

ধৰ্মক বা সত্যক উৎখাত কৰিবলৈ নাইবা ঘৰ-বাৰীৰ পৰা বহিষ্কাৰ কৰিবলৈ শত্ৰুতা নকৰিলে বা আক্ৰমণ নকৰিলে মুছলমানসকলক অন্য সম্প্ৰদায়ৰ লগত ন্যায়-নীতিৰে বসবাস কৰিবলৈ ইছলামে বাধা দিয়া নাই আৰু তেওঁলোকৰ লগত অযথা শত্ৰুতা আৰু যুদ্ধ কৰিবলৈ নিষেধ কৰিছে। অথচ ইছলাম ধৰ্মৰ অনুগামীসকলক কুৰেইছ বংশৰ লগতে বহু ঈশ্বৰবাদীসকলে একগোট হৈ বিনাদোষত বন্দী কৰিছিল, মাৰপিট কৰিছিল, ভোক-পিয়াহেৰে জ্বালা-যন্ত্ৰণা দিছিল। মক্কাৰ মৰুৰ তপত বালিৰ ওপৰত নগ্ন কৰি শোৱাই দিছিল। গৰম লোহাৰে দাগ দিছিল। মুঠৰ ওপৰত বিভিন্ন ধৰণে অত্যাচাৰ কৰিছিল। তেনে অৱস্থাতহে জেহাদ ঘোষণা কৰা হৈছিল; কিন্তু তাৰ পাছতো আল্লাহে সতৰ্ক কৰি দিছে।

'যিহেতু পৃথিৱীক সুশৃংখল কৰা হৈছে, তাত বিপৰ্যয় সৃষ্টি নকৰিবা। ভয় আৰু আশাৰে আল্লাহক মাতা। নিশ্চয় আল্লাহৰ কৰুণা সৎকৰ্মীসকলৰ নিচেই ওচৰত।' (আৰাফ, ৭ ঃ ৫৬) আনহাতে, ইছলামত জোৰ-জুলুম কৰবিলৈ নিষেধ কৰিছে। লেকামহীনভাৱে হত্যা, লুণ্ঠন, অপহৰণ আদিত বাধা আৰোপ কৰি হজৰত মহম্মদ (ছঃ)-এ কৈছে—

'আল্লাহৰ নামত যুদ্ধ কৰা, কিন্তু বৃদ্ধ মানুহ, ল'ৰা-ছোৱালী আৰু মহিলাক হত্যা নকৰিবা।' (বুখাৰী)

অমুছলমানৰ লগত শান্তি চুক্তি বৰ্তাই ৰাখিবলৈ বুজাবুজি বা সন্ধি চুক্তি থাকিলে মুছলমানসকলে সেই চুক্তিক সন্মান কৰিব লাগিব। মুছলমানৰ আশ্ৰয়ত কোনো অমুছলিম থাকিলে বিশ্বাসঘাতকতা কৰা ইছলামী নিয়ম নহয়। আল্লাহৰ নবীয়ে পুনৰ কৈছে—

'যিয়েই মুছলমানসকলৰ লগত সন্ধি চুক্তি থকাসকলৰ কোনো ব্যক্তিক হত্যা কৰিলে, তেওঁ বেহেস্তৰ সুগন্ধ নাপায়।' (বুখাৰী, ইবনে মাজাহ)

সেয়ে মুছলমানসকলৰ বাবে প্ৰকৃত জেহাদ হৈছে নিজৰ ৰিপু তথা বেয়া গুণবোৰৰ লগত জেহাদ কৰা। নিজৰ মাজৰ বেয়া গুণবোৰৰ লগত অবিৰাম যুঁজ চলাই সেইবোৰ নিৰ্মূল কৰি নিজকে পৱিত্ৰ কৰা। এই যুঁজকে ইছলামত কোৱা হয় 'জেহাদে আকবৰ'। মানুহৰ প্ৰধান শত্ৰু নিজৰ ৰিপু অথবা বেয়া গুণবোৰে মানুহৰ মাজত সদায় কাম কৰি থাকিবই। মানুহ মাত্ৰেই সেই ৰিপুবোৰৰ লগত জেহাদ কৰি থকাই সময়োপযোগী কৰ্তব্য। এই সন্দৰ্ভত আল্লাহৰ নবীয়ে কৈছে—

'মুজাহিদ অৰ্থাৎ জেহাদকাৰী হৈছে সেইজন ব্যক্তি, যিজনে আল্লাহ পাকৰ ইবাদত বন্দেগীৰ বেলিকা নিজৰ নফছৰ লগত জেহাদ কৰে।' (বায়হাকী)

নফছৰ বিৰোধিতা কৰা বৰ কষ্টকৰ। কাৰণ নফছ স্বভাৱবশতঃ স্বাধীন হৈ থাকিব বিচাৰে। সেয়েহে জেহাদ কৰাৰ মূলতত্ত্ব হ'ল নফছৰ বিৰোধিতাৰ অনুশীলন আৰু অভ্যাসকৰণ, যাৰ জৰিয়তে আল্লাহৰ সন্তুষ্টি আৰু বন্দেগীৰ স্বাৰ্থত নফছৰ বেয়া আকাংক্ষা, কামনা-বাসনাক পৰাভূত কৰিব পাৰি। ইয়াৰ বাবে নিজকে যথেষ্ট কৰিব লাগিব। তাৰ বাবে স্বয়ং আল্লাহে কৈছে—

'যিসকলে মোৰ পথত কষ্ট সহ্য কৰে, নিশ্চয়কৈ মই তেওঁলোকক মোৰ নিকট তথা পুণ্য অৰ্থাৎ বেহেস্তৰ পথ দেখুৱাম।' (আনকাবুত ২৯ঃ৬৯)

ব্যক্তি স্বাধীনতাৰ ওপৰত গুৰুত্ব আৰোপ কৰা ইছলাম ধৰ্মত আৰু সেয়ে জোৰ-জুলুম কৰিবলৈ নিষেধ কৰিছে। ধৰ্ম বিশ্বাসী বা ঈশ্বৰ বিশ্বাসী হোৱা বাবে কাকো হত্যা কৰা, অন্যায়ভাৱে বন্দী কৰি ৰখা, নাইবা আন ধৰ্মৰ হোৱাৰ হেতুকে ঘৰ-বাৰীৰ পৰা বহিষ্কাৰ কৰা আদি কাৰ্যহে মহা অপৰাধ বুলি গণ্য কৰা হৈছে। আন সম্প্ৰদায়ৰ লোকেও মুছলমানসকলৰ অস্তিত্ব আৰু ভাবুকিৰ সৃষ্টি কৰি অস্ত্ৰ তুলি ল'লে মুছলমানসকলেও নিজৰ নিৰাপত্তাৰ বাবে জেহাদ কৰিব পাৰে; কিন্তু তাত উপৰোক্ত বিষয় বা চৰ্ত পালন কৰিব লাগিব। অৰ্থাৎ 'আল্লাহৰ নামত যুদ্ধ কৰা, কিন্তু বৃদ্ধ মানুহ, ল'ৰা-ছোৱালী আৰু মহিলাক হত্যা নকৰিবা।' (বুখাৰী)। একেদৰে আল্লাহে সকলোকে সতৰ্ক কৰি দি কৈছে—

'হে বিশ্বাসীসকল মনত ৰাখিবা এটা জাতিয়ে আন এটা জাতিক, এটা সম্প্ৰদায়ে আন এটা সম্প্ৰদায়ক ঠাট্টা বিদ্ৰূপ কৰা উচিত নহয়। (৪৯ঃ১১) সেয়েহে আজিৰ বিশ্বত বিশেষকৈ পশ্চিমীয়া দেশবোৰত জেহাদৰ ভুল ব্যাখ্যা কৰি এটা বিকৃত ৰূপ দিয়া পৰিলক্ষিত হৈছে। সেয়া আঁতৰ কৰিবৰ হ'ল।

*ফোন ঃ ৮৪৮৬২৯৯২৫১, ৮৬৩৮৯১৯১৩৯*

## ধীৰেন্দ্ৰ নাথ চক্ৰৱৰ্তী ঃ ৯৪ সংখ্যক জন্মদিনৰ অভিনন্দন

■ ডº সুৰেন্দ্ৰ মোহন মহন্ত

আমাৰ দেশৰ জ্যেষ্ঠতম কৰ্মৰত সংবাদসেৱী ধীৰেন্দ্ৰ নাথ চক্ৰৱৰ্তীয়ে আজি আঠ অক্টোবৰত (৮-১০-২০২১) জীৱনৰ ৯৩টা বছৰ অতিক্ৰম কৰি ৯৪ বছৰত ভৰি দিছে। তেওঁৰ জন্ম হৈছিল যোৰহাটৰ ওচৰৰ বালিগাঁৱত; য'ত ভালেমান অসমৰ সুসন্তানে জন্মগ্ৰহণ কৰিছিল। সেইসকলৰ ভিতৰত আমি নাম ল'ব পাৰো অসমৰ প্ৰথম গ্ৰেজুৱেট প্ৰয়াত জগন্নাথ বৰুৱা আৰু অসম সাহিত্য সভাৰ সভাপতি তথা আৰম্ভণি গীতৰ ৰচক মিত্ৰদেৱ মহন্তৰ কথা। তদুপৰি দক্ষ প্ৰশাসক সত্যেন্দ্ৰ নাথ বৰকটকী আৰু বৰ্তমানৰ উদীয়মান নেত্ৰী সুমন হৰিপ্ৰিয়াও বালিগাঁৱৰে সন্ততি। লব্ধপ্ৰতিষ্ঠিত নেত্ৰী বিজয়া চক্ৰৱৰ্তীও বালিগাঁৱৰে বোৱাৰী। (চক্ৰৱৰ্তীৰ ভ্ৰাতৃবধু)। সেই বালিগাঁৱৰে আমাৰ চক্ৰৱৰ্তী বালিৰ মাজত জিলিকি থকা অভ্ৰৰূপী অসমৰ তথা দেশৰ এজন সুপুত্ৰ।

চক্ৰৱৰ্তীৰ পিতৃ প্ৰয়াত দুৰ্গানাথ চক্ৰৱৰ্তী আৰু মাতৃ সুনন্দা দেৱী। চক্ৰৱৰ্তীৰ শিক্ষা-দীক্ষা বালিগাঁৱতে আৰম্ভ কৰি যোৰহাটৰ জে বি কলেজৰ পৰা বি এ পৰীক্ষাত উত্তীৰ্ণ হয়। তাৰ পাছত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ১৯৫৫ত অৰ্থনীতি বিষয়ত এম এ পাছ কৰে। সেই চনতে প্ৰকৃতপক্ষে তেওঁৰ সংবাদসেৱা আৰম্ভ হয় আছাম টিব্ৰিউন কাকতৰ ছাব এডিটৰ হিচাপে। অৱশ্যে সেই পদত তেওঁ বেছিদিন নাথাকিল। তাৰ পৰা আহি ১৯৫৭ত চৰকাৰী চাকৰি জিলা তথ্য আৰু জনসংযোগ বিষয়া হিচাপে লখিমপুৰত যোগদান কৰে। নিষ্ঠাৱান কৰ্মী হিচাপে চাকৰিত তেওঁ দোপতদোপে পদোন্নতি লাভ কৰি শেষত তথ্য আৰু জনসংযোগ বিভাগৰ সঞ্চালক পদ পায়। তাৰ পাছত অসম চৰকাৰৰ আমন্ত্ৰণক্ৰমে পুনৰ অসমৰ তথ্য আৰু জনসংযোগ বিভাগৰ সঞ্চালক পদত ১৯৮৬ৰ পৰা প্ৰায় তিনি বছৰ কৰ্মৰত থাকে আৰু তাৰ পৰা সম্পূৰ্ণভাৱে অৱসৰ গ্ৰহণ কৰে।

অৱসৰ গ্ৰহণৰ পাছত সংবাদসেৱা আৰম্ভ হয়। অৱশ্যে চৰকাৰী চাকৰি কৰি



থাকোতেও অসম চৰকাৰৰ 'পয়োভৰা' নামৰ পত্ৰিকাখনো (১৯৭১-৭৩) সম্পাদনা কৰিছিল। তেওঁ অসমৰ কে'বাখনো নামজ্বলা বাতৰি কাকতৰ সম্পাদনাৰ দায়িত্বভাৰ লৈ সুকলমে সেই দায়িত্ব পালন কৰিছিল। তেওঁ সম্পাদনা কৰা কাকতৰ ভিতৰত আছিল 'দৈনিক জনমভূমি' (১৯৯১), 'আজিৰ বাতৰি' (১৯৯২-৯৮), 'ৰংপুৰ' (১৯৯২, নৰ্থ-ইষ্ট অৱজাৰভাৰ (১৯৯৭-৯৮), 'নতুন অসম (১৯৯৮). 'নতুন দৈনিক' (২০০৩-২০০৪) আৰু 'দৈনিক অসম' (২০০৪-২০০৬)। বৰ্তমান তেওঁ 'প্ৰাগজ্যোতিষ' নামৰ সাপ্তাহিক কাকতখন সম্পাদনা কৰি আছে।

চক্ৰৱতীয়ে ১৯৯১ত পাঞ্জাবাৰীৰ শংকৰদেৱ নগৰত থাকিবলৈ লয় আৰু তেতিয়াৰ পৰা সমাজসেৱা আৰম্ভ হয়। চাকৰি কালত এনে কামৰ ইচ্ছা থাকিলেও সময় আৰু সুযোগ পোৱা নাছিল। পাঞ্জাবাৰী অঞ্চলত অসমৰ ৰাজধানী গুৱাহাটীলৈ নামি অহাৰ পাছৰ পৰা বিভিন্ন অঞ্চলৰ পৰা মানুহ আহি বসবাস কৰিবলৈ লয়। সেয়ে এই অঞ্চলৰ বসবাসীসকলক লগত লৈ সমাজসেৱা আৰম্ভ কৰে। পোনপ্ৰথমে গুৱাহাটী অকাডেমী জুনিয়ৰ কলেজ নাম দি (১৯৯৬/জুলাই) এখন কলেজ আৰম্ভ হয় তেওঁৰ উদ্যোগতে। কলেজখন চাৰি-পাঁচ বছৰমান সুন্দৰকৈ চলাৰ পাছত পৰিচালকসকলৰ অকৰ্মণ্যতাত বন্ধ হোৱাৰ উপক্ৰম হৈছে। সেই চনৰে পহিলা ডিচেম্বৰত স্থাপিত হয় বৃহত্তৰ পাঞ্জাবাৰী সাহিত্য সভা; আৰু বৰ্তমান এই শাখা সভাখন অসম সাহিত্য সভাৰ শতদল শাখা হিচাপে স্বীকৃত হৈছে। তাৰ পাছত তেওঁৰ উদ্যোগতে বিশ্ব জ্যেষ্ঠ নাগৰিক দিৱসৰ দিনাই (পহিলা অক্টোবৰ, ১৯৯৮) পাঞ্জাবাৰী জ্যেষ্ঠ নাগৰিক সন্থা গঠিত হয় আৰু তাৰ পাছতে গুৱাহাটী জ্যেষ্ঠ নাগৰিক সন্থা, তাৰো পাছত অসম জ্যেষ্ঠ নাগৰিক সন্থাৰ জন্ম হয়। ইতিমধ্যে তেওঁৰ উদ্যোগতে ১৯৯৮ৰ ব'হাগত বৌদ্ধপূৰ্ণিমাৰ দিনাই হিন্দুধৰ্মৰ বিভিন্ন মতাৱলম্বী ৰাইজক একত্ৰিত কৰি বৰসবাহ পতাৰ আৰম্ভণি কৰে।

চক্ৰৱৰ্তীৰ প্ৰকাশিত পুথি কেৱল এখনহে থাকিলেও (বাদুলি ফুকন) তেওঁ লিখা সম্পাদকীয়ই তেওঁৰ সাহিত্যিক প্ৰতিভাৰ আভাস দিয়ে। ইতিমধ্যে চৰকাৰৰ ফালৰ পৰাও সাহিত্যিক পেন্সন লাভ কৰিছে।

আমি তেওঁৰ এই জন্মদিনত ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাওঁ যাতে তেওঁক ইচ্ছামৃত্যু বৰদান কৰে। শেষত জন্মদিনৰ বাবে আমাৰ ফালৰ পৰা শুভেচ্ছা আৰু শত শত অভিনন্দন জনালো।

*ফোন ঃ ৯৮৫৪০৪০১৩৪*

## গোসাঁইগাঁৱত ইউপিপিএলৰ প্ৰাৰ্থী জয়ী হ'ব বুলি দাবী

অগ্ৰদূত বাৰ্তা

**ফকিৰাগ্ৰাম, ৭ অক্টোবৰ ঃ** বিধানসভাৰ উপ-নিৰ্বাচনৰ দিন যিমানেই চমু চাপি আহিছে সিমানেই ৰাজনৈতিক দলৰ নেতা-কৰ্মীসকলৰ তৎপৰতা বৃদ্ধি পাইছে। গোসাঁইগাঁও সমষ্টিৰ উপ-নিৰ্বাচনক কেন্দ্ৰ কৰি শাসকীয় দলৰ লগতে হাগ্ৰামা মহিলাৰী নেতৃত্বাধীন বিপিএফ দলৰ ক্ৰিয়া-প্ৰতিক্ৰিয়া চলি থকাৰ সময়তে বিটিআৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ ইএম তথা বিজেপিৰ কিষাণ মৰ্চাৰ ৰাজ্যিক উপ-সভাপতি অৰূপ কুমাৰ দেই প্ৰতিক্ৰিয়া ব্যক্ত কৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ লগত বিপিএফৰ মিত্ৰতা সন্দৰ্ভত আলোচনাৰ অন্তত সমাগত ৰাজ্যৰ উপ-নিৰ্বাচনত গোসাঁইগাঁও সমষ্টিত বিপিএফ দলে নিজাববীয়াকৈ প্ৰাৰ্থী প্ৰক্ষেপ কৰিছে যদিও ইউপিপিএলৰ প্ৰাৰ্থী জিৰণ বসুমতাৰীয়ে এই সমষ্টিত জয়লাভ কৰিব ইয়াত বেলেগ দলৰ কোনো কাম নাই বুলি দাবী কৰে ইএম অৰূপ কুমাৰ দেই। দেই পুনৰ কয় যে বিজেপি, ইউপিপিএলৰ মিত্ৰতাৰে অসম আৰু বিটিআৰত চৰকাৰ চলি আছে এই কথা সকলোৱে জানে। ৰাইজেও বিজেপিক ভাল পায় বাবে বিটিআৰত ইউপিপিএলৰ প্ৰাৰ্থীক ভোট প্ৰদান কৰিব। সেইবাবে গোসাঁইগাঁও সমষ্টিত জিৰণ বসুমতাৰীৰ জয় নিশ্চিত বুলি তেওঁ কয়।

## তেজপুৰত দুৰ্ঘটনাত নিহত এজন

অগ্ৰদূত বাৰ্তা

**তেজপুৰ, ৭ অক্টোবৰ ঃ** তেজপুৰৰ গৰৈমাৰীত যোৱা নিশা অচিনাক্ত বাহনৰ খুন্দাত মুনীন চেতিয়া নামৰ এজন লোকৰ মৃত্যু হয়। উল্লেখ্য যে সেনাবাহিনীৰ পৰা অৱসৰ লাভৰ পাছত গৰৈমাৰীত ব্যৱসায় কৰা চেতিয়াৰ বাসগৃহ লখিমপুৰত যদিও তেওঁ নিকটৱৰ্তী বঝাৰ গাঁৱত ভাড়াতীয়া হিচাপে আছিল। যোৱা নিশা ১০ বজাত ব্যৱসায় সামৰি ভাড়াঘৰলৈ ওভতাৰ সময়ত ১৫ নম্বৰ ৰাষ্ট্ৰীয় পথত দুৰ্ঘটনাটো সংঘটিত হয়।

**চৰকাৰলৈ স্মাৰকপত্ৰ জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, বৰভাগ আঞ্চলিক সমিতিৰ**

# ধাননি পথাৰত অচিন ৰোগ ঃ কৃষক চিন্তিত


অগ্ৰদূত বাৰ্তা

**বৰভাগ, ৭ অক্টোবৰ ঃ** নলবাৰী জিলাৰ বৰভাগ ৰাজহ চক্ৰৰ অন্তৰ্গত বিভিন্ন গাঁৱৰ ধান খেতিত দেখা দিয়া অচিন ৰোগৰ নিৰ্মূলকৰণৰ ব্যৱস্থা তথা খেতিয়কক সকাহ প্ৰদান কৰাৰ দাবীত আজি অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, বৰভাগ আঞ্চলিক সমিতিয়ে কৃষি মন্ত্ৰীলৈ এক স্মাৰকপত্ৰ প্ৰদান কৰে। বৃহত্তৰ বৰভাগ অঞ্চলৰ প্ৰায় সংখ্যক লোক কৃষিৰ ওপৰত নিৰ্ভৰশীল যদিও বিভিন্ন সময়ত কৃষকসকলে বিভিন্ন সমস্যাৰ সন্মুখীন হ'ব লগা হয়। কিন্তু কৃষকৰ এই সমস্যাসমূহৰ সমাধানৰ ক্ষেত্ৰত বিভাগীয় কৰ্তৃপক্ষই সময়োপযোগী ব্যৱস্থা গ্ৰহণ কৰা নাই। ফলত কৃষিৰ ওপৰত নিৰ্ভৰশীল লোকসকলে সমস্যাৰ সন্মুখীন হ'ব লগা হয়। তেনেদৰে বৰ্তমান বৃহত্তৰ বৰভাগ অঞ্চলৰ প্ৰায় সংখ্যক খেতি পথাৰৰ ধান খেতিত এক অচিন ৰোগে দেখা দিছে। ফলত ধান খেতিসমূহ নষ্ট হ'বলৈ ধৰিছে যিয়ে কৃষকসকলক চিন্তিত কৰিছে। এই সমস্যাসমূহ সমাধান কৰি কৃষক ৰাইজক সকাহ প্ৰদান কৰিবলৈ আজি অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, বৰভাগ আঞ্চলিক সমিতিৰ সভাপতি চিন্ময় পৰাশৰ আৰু সাধাৰণ সম্পাদক ময়ুৰ ৰহমান স্বাক্ষৰিত এখন স্মাৰকপত্ৰ বৰভাগ ৰাজহচক্ৰৰ চক্ৰ বিষয়াৰ জৰিয়তে অসম চৰকাৰ কৃষিমন্ত্ৰীলৈ প্ৰেৰণ কৰে।

স্মাৰকপত্ৰ প্ৰদান কৰি অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, নলবাৰী জিলা সমিতিৰ সাংস্কৃতিক সম্পাদক ধীৰাজ কলিতাই কয় যে বৃহত্তৰ বৰভাগ অঞ্চলৰ প্ৰায় ভাগ খেতি পথাৰৰ ধান খেতিসমূহত এক অচিন ৰোগে দেখা দিছে যদিও দুৰ্ভাগ্যজনক কথাটো হ'ল যে বিভাগীয় কৰ্তৃপক্ষৰ এই ধান খেতিপথাৰসমূহ পৰিদৰ্শন কৰি এই ৰোগ বিধৰ পৰা কৃষকসকলক সকাহ প্ৰদান কৰাৰ বিহিত ব্যৱস্থা লোৱাৰ দাবী জনায়। বিষয়টোৰ সন্দৰ্ভত গুৰুত্ব প্ৰদাদন কৰি কৃষক ৰাইজক সকাহ প্ৰদান কৰিবলৈ তেওঁ বিভাগীয় কৰ্তৃপক্ষক দাবী জনায়।

স্মাৰকপত্ৰ প্ৰদান কাৰ্যসূচীত উপস্থিত থাকে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ নলবাৰী জিলা সমিতিৰ সাংস্কৃতিক সম্পাদক ধীৰাজ কলিতা, বৰভাগ আঞ্চলিক সমিতিৰ উপ-সভাপতি ৰাতুল আহমেদ, সাধাৰণ সম্পাদক ময়ুৰ ৰহমান, সদস্য অনুপ কলিতা আৰু পাৰ্থ ডেকাই।

## টিহুৰ সমাজকৰ্মী চণ্ডীচৰণ পাঠকৰ মৃত্যু



অগ্ৰদূত বাৰ্তা

**টিহু, ৭ অক্টোবৰ ঃ** টিহু মহকুমাৰ বৃহত্তৰ মাখিবাহাৰ সমাজকৰ্মী চণ্ডীচৰণ পাঠকৰ যোৱা নিশা মাখিবাহাৰ কুকুৰমাৰাস্থিত নিজ বাসভৱনত বাৰ্ধক্যজনিত কাৰণত মৃত্যু হয়। ১৯৩১ৰ সাত এপ্ৰিলত মাখিবাহা গাঁৱৰ কুকুৰমাৰা চুবুৰিত জন্মগ্ৰহণ কৰা পাঠকে ১৫ বছৰ বয়সৰ পৰাই তেওঁ বিভিন্ন সামাজিক কামত ব্ৰতী হৈছিল। কুকুৰমাৰা চুবা উন্নয়ন সমিতিৰ একেৰাহে ৬০ বছৰৰো অধিক কাল সভাপতিৰ দায়িত্ব পালন কৰা পাঠকে মিলন সংঘৰো বহু বছৰ সভাপতি আছিল। নলবাৰী জিলা কৃষক সভাৰ সভাপতিৰ পদ অলংকৃত কৰি ১৯৯৯ত 'সেউজ কুমাৰ বঁটা' লাভ কৰা পাঠকক ২০০৬ত মাখিবাহা গ্ৰামোন্নয়ন সমিতিয়ে বয়োজ্যেষ্ঠ সমাজকৰ্মীৰ সন্মান প্ৰদান কৰা হয়। ২০১০ৰ ৩০ ডিচেম্বৰত 'ডাঃ গিৰীশ চৌধুৰী সামাজিক ব্যক্তি বঁটা' লাভ কৰা পাঠকে মাখিবাহা হিন্দুশাস্ত্ৰ অধ্যয়ন সমন্বয় গোষ্ঠীৰ প্ৰতিষ্ঠাপক সভাপতি আৰু বিজেপিৰো এজন জ্যেষ্ঠ কৰ্মকৰ্তা আছিল। মৃত্যুৰ সময়ত তেওঁ দুই পুত্ৰ-বোৱাৰী এৰি যায়। তেওঁৰ মৃত্যুত মাখিবাহা গ্ৰামোন্নয়ন সমিতি, মাখিবাহা জ্যেষ্ঠ নাগৰিক পৰিষদ, মাখিবাহা হিন্দুশাস্ত্ৰ অধ্যয়ন গোষ্ঠী, মাখিবাহা ক্ৰীড়া সংঘ, মাখিবাহা ব্যৱসায়ী সন্থা, মাখিবাহা গাঁও পঞ্চায়ত, মাখিবাহা আঞ্চলিক ছাত্ৰ সন্থা, বিজেপিৰ টিহু মণ্ডল সমিতি, কুকুৰমাৰা চুপা উন্নয়ন সমিতি, মিলন সংঘ, কুকুৰমাৰা মহিলা সমিতি আদি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান সংগঠনে শোক প্ৰকাশ কৰিছে।

## ভ্ৰাম্যমাণলৈ শীঘ্ৰে আহিব ভাল খবৰ ঃ বৰা



অগ্ৰদূত বাৰ্তা

**বাহাৰঘাট, ৭ অক্টোবৰ ঃ** আজি আবেলি কামৰূপ জিলাৰ বাৰাংহাটী মিলিজুলি চ'কত অভিনেতা, পৰিচালক যতীন বৰাই এটি জিম কেন্দ্ৰ উদ্বোধন কৰে। সমাজকৰ্মী নেকিবুদ্দিন আহমেদ আৰু কনক ভূঞাৰ তত্ত্বাৱধানত ৰিয়েল জিম নামৰ এটি কেন্দ্ৰ উদ্বোধন কৰি অভিনেতাজনে শৰীৰচৰ্চা কৰি সকলোকে স্বাস্থ্য সুস্থ আৰু সবল কৰি তুলিবলৈ আহ্বান জনায়। তেওঁ কয় যে ভ্ৰাম্যমাণ থিয়েটাৰৰ ক্ষেত্ৰত চৰকাৰে অচিৰে এটি ভাল সিদ্ধান্ত ল'ব। আনহাতে, সকলো ৰাইজকে কৰ'না প্ৰতিষেধকৰ দুয়োপালি লৈ কৰ'না প্ৰতিৰোধী ব্যৱস্থা ল'বলৈও আহ্বান জনায়। আনহাতে, উপ-নিৰ্বাচনত বিজেপিয়ে আটাইকেইখন আসন দখল কৰিব বুলি কয়।

## ধিঙৰ পাৰ্শ্বৱৰ্তী ব্ৰহ্মপুত্ৰৰ চৰচাপৰি অঞ্চলত চৰজমিন তদন্ত প্ৰশাসনৰ

### বহু দখলদাৰীয়ে ঘৰবাৰী ভাঙি প্ৰস্থান কৰিছে চৰচাপৰিৰ পৰা

অগ্ৰদূত বাৰ্তা

**বটদ্ৰৱা, ৭ অক্টোবৰ ঃ** গৰুখুঁটিৰ উচ্ছেদ অভিযানৰ পাছতে সৰৱ হৈছে শোণিতপুৰ জিলা প্ৰশাসন। জিলাখনৰ চৰচাপৰি অঞ্চলসমূহত অবৈধভাৱে বসবাস কৰি থকা লোকসকলৰ ঘৰে ঘৰে গৈ মাটিৰ লগতে আন প্ৰয়োজনীয় নথিপত্ৰ পৰীক্ষা কৰে প্ৰশাসনৰ লোকে। ইতিমধ্যে জিলাখনৰ ঢেকিয়াজুলি ৰাজহচক্ৰ আৰু ঠেলামৰা ৰাজহচক্ৰ বিষয়া-কৰ্মচাৰীয়ে ইয়াৰ চৰচাপৰিত বসবাস কৰা লোকসকলৰ ঘৰে ঘৰে গৈ অব্যাহত ৰাখিছে তদন্ত। পৰীক্ষা কৰিছে মাটিৰ লগতে আন নথিপত্ৰ। ধিঙৰ পাৰ্শ্বৱৰ্তী শোণিতপুৰ জিলাৰ ব্ৰহ্মপুত্ৰৰ তিনিটেকীয়া চাপৰিটো কালি আৰক্ষী আৰু অৰ্ধসামৰিক বাহিনী লৈ চৰজমিন তদন্ত কৰে জিলাখনৰ প্ৰশাসনে। এই তদন্ত চলি থকাৰ মাজতেই বহু অবৈধ দখলদাৰীয়ে ঘৰবাৰী ভাঙি প্ৰস্থান কৰিছে চৰচাপৰিৰ পৰা। উল্লেখ্য যে তিনিটেকীয়া চাপৰি বৰচলা সমষ্টিৰ গুপ্তেশ্বৰ পঞ্চায়তৰ অঞ্চলত। এই তিনিটেকীয়া চাপৰিত পাঁচখনকৈ চৰকাৰী প্ৰাথমিক বিদ্যালয় আৰু চাৰিখনকৈ বেচৰকাৰী বিদ্যালয় আছে। তদুপৰি আছে ১৬ টাকৈ অংগনৱাড়ী কেন্দ্ৰও। এই চাপৰিত বিগত ৫০/৬০ বছৰ ধৰি এইসকল লোকে বসবাস কৰি আহিছে। তেওঁলোকৰ আছে বৰছলা সমষ্টিৰ ভোটাৰ কাৰ্ডো। গৰুখুঁটি কাণ্ডৰ পিছতেই ব্ৰহ্মপুত্ৰৰ চৰচাপৰিসমূহ বেদখল মুক্ত কৰিবলৈ দাবী উত্থাপন হৈছিল। অৱশ্যে তদন্তৰ সময়ত তিনিটেকীয়া চাপৰিত বসবাস কৰা লোকসকলে প্ৰশাসনক পূৰ্ণসহযোগিতা আগবঢ়ায়।

## কুকুৰমাৰা কচমচ ক্লাবৰ চিকিৎসা শিবিৰ



**ছয়গাঁও, ৭ অক্টোবৰ ঃ** দক্ষিণ কামৰূপৰ ছয়গাঁও সমষ্টিৰ কুকুৰমাৰাত আছাম হেলথ কেয়াৰ কো-অপাৰেটিভ ছ'চাইটি লিমিটেড আৰু কচমচ ক্লাবৰ উদ্যোগত আজি ক্ৰণিক ৰোগ প্ৰতিৰোধী পৰীক্ষা শিবিৰ এটিৰ আয়োজন কৰা হয়।কচমচ ক্লাবৰ উদ্যোগত কুকুৰমাৰা প্ৰাথমিক বিদ্যালয়ত আয়োজন কৰা এই স্বাস্থ্য শিবিৰত উপস্থিত থাকে ডাঃ জয়ন্ত বিশ্ব শৰ্মাই। ডাঃ শৰ্মাই স্বাস্থ্য সম্পৰ্কত বিভিন্ন দিহা পৰামৰ্শ আগবঢ়ায়। অনুষ্ঠানটোত নেমকেয়াৰ আৰু এক্সচেল কেয়াৰ হাস্পতালৰ স্বাস্থ্যকৰ্মীৰ দল এটা উপস্থিত হৈ সেৱা আগবঢ়ায়। ক্লাবৰ সভাপতি হৃদয় ৰঞ্জন পাঠকে পৰিচালনা কৰা অনুষ্ঠানটোত সম্পাদক নিৰঞ্জন দাস আৰু গাঁৱৰ বিশিষ্ট ব্যক্তি জগদীশ দাসে চিকিৎসক শৰ্মাক সম্বৰ্ধনা জনায়। অনুষ্ঠানটোত ডাঃ শৰ্মাই চিকিৎসক সম্পৰ্কত মত প্ৰকাশ কৰে 'একাংশ ডাক্তৰে টি ভিৰ টক শ্বোত উপস্থিত থাকি ৰাজনৈতিক মন্তব্য কৰাৰ বিপৰীতে ৰাইজৰ মাজত থাকি চিকিৎসা সেৱা আগবঢ়াবলৈ পৰামৰ্শ দিয়ে। পাছত তেওঁ একালৰ শিক্ষাগুৰু কুকুৰমাৰাৰ হলিৰাম পাঠকৰ গৃহত উপস্থিত হৈ স্বাস্থ্যৰ বুজ লয়।

**ধিং ৰাজহ চক্ৰ বিষয়া-জিলা উপায়ুক্তকো ৰাজহুৱা অভিযোগ**

## নগাঁৱৰ বটদ্ৰৱাৰ বৃহত্তৰ অঞ্চল দুমাহ ধৰি কৃত্ৰিম বানৰ কবলত

অগ্ৰদূত বাৰ্তা

**বটদ্ৰৱা, ৭ অক্টোবৰ ঃ** বিগত দুমাহ ধৰি নগাঁও জিলাৰ বটদ্ৰৱা সমষ্টিৰ এক বৃহৎ অঞ্চলৰ ৰাইজে কৃত্ৰিম বানৰ কবলত পৰি জীয়াতু ভুগিব লগীয়া হৈছে। সমষ্টিটোৰ আমলক্ষী, ছালনাবড়ি, ভেৰভেৰি, টুকটুকী, আহোমগাঁও আদি গাঁৱৰ পথাৰত একাংশ মীনপালকে নিজ মইমতালিৰে কালভাৰ্ট আৰু গড়কাপ্তানী বিভাগৰ পথৰ দলঙৰ তলৰ পানী আহ-যাহ কৰা পথসমূহ বেদখলেৰে বন্ধ কৰি বৃহৎ বৃহৎ পুখুৰী খান্দি পানী নিষ্কাসনৰ পথ বন্ধ কৰি দিয়ে। ইয়াৰ ফলতে এনে পৰিস্থিতিৰ সৃষ্টি হোৱা বুলি ৰাইজে অভিযোগ কৰিছে। এই অঞ্চলসমূহৰ ৰাইজে ধিং চক্ৰ বিষয়াক অভিযোগ দাখিল কৰাৰ পাছতেই চক্ৰ বিষয়াই তদন্ত কৰি প্ৰায় ৩০জন মীনপালকক জাননী জাৰি কৰিছিল যদিও আজিকোপতি সেই ক্ষেত্ৰত অঞ্চলটোৰ ৰাইজে কোনো সুফল লাভ নকৰিলে। তদুপৰি অঞ্চলবাসীয়ে জিলা উপায়ুক্তকো লিখিত অভিযোগ দাখিল কৰে যদিও ইয়াতো কোনো সুফল লাভ কৰা নাই ৰাইজে। বটদ্ৰৱা সমষ্টিৰ স্থানীয় বিধায়িকাগৰাকীক অৱগত কৰোৱাৰ পাছতো বিধায়িকাগৰাকীয়ে অঞ্চলবাসীৰ কোনো খবৰ লোৱা নাই বুলিও অভিযোগ তুলিছে স্থানীয় ৰাইজে।

## পুষ্টি বৰ্ধনম সেৱাৰে আদৰিলে পুষ্টিহীনতাত ভোগা শিশুক



বিশেষ সংবাদদাতা

**ৰঙাপৰা, ৭ ছেপ্টেম্বৰ ঃ** 'দেশৰ প্ৰত্যেকজন শিশুৱে নিৰোগী হৈ সুস্থ শৰীৰেৰে জীয়াই থাকিব লাগিব। আজিৰ শিশুসকলে এদিন দেশখনক আগুৱাই লৈ যাব। শিশুসকল যাতে পুষ্টিহীনতাত নোভোগে তাৰ বাবে সমাজৰ প্ৰতিজন নাগৰিক সজাগ আৰু সচেতন হ'ব লাগিব। শিশুসকল সুস্থ থাকিলেহে দেশখন সমৃদ্ধিশালী হ'ব। এজন ব্যক্তি সুস্থ হৈ থাকিলে সমাজ কেতিয়াও পৰিৱৰ্তন নহয়।' এই মন্তব্য তেজপুৰ লোকসভা সমষ্টিৰ সাংসদ পল্লৱলোচন দাসৰ। শোণিতপুৰ জিলাৰ ৰঙাপৰাত জিলা সমাজ কল্যাণ বিভাগৰ দ্বাৰা অনুষ্ঠিত প্ৰথমখন পুষ্টি বৰ্ধনম অনুষ্ঠানত অতিথি হিচাপে উপস্থিত থাকি সাংসদ দাসে পুনৰ কয়, 'শিশুসকলে যাতে পুষ্টিহীনতাত নোভোগে, সময়ত পুষ্টিকৰ খাদ্য লাভ কৰে তাৰ বাবে কেন্দ্ৰীয় চৰকাৰে সমাজ কল্যাণ বিভাগৰ দ্বাৰা পোষণ মাহ পালন কৰি আহিছে।' শোণিতপুৰ জিলাত পুষ্টিহীনতাত ভুগি থকা শিশুসকলক পুষ্টিহীনতাৰ পৰা দূৰ কৰিবলৈ ব্যক্তিসকলক আগবাঢ়ি অহাটো সমাজৰ বাবে অতি শুভ লক্ষণ। সমাজ আৰু দেশখনক সকলোৱে মিলিজুলি আগুৱাই লৈ যাব লাগিব। ৰাজ্যখনত কোনো শিশুৱে যাতে পুষ্টিহীনতাত নোভোগে তাৰে বাবে ৰাজ্য চৰকাৰে ৰাইজৰ মাজত সজাগতা সৃষ্টিৰে বিশেষ পদক্ষেপ গ্ৰহণ কৰি আহিছে। ৰঙাপৰা সংহত শিশু উন্নয়ন প্ৰকল্পৰ বিষয়া মাহমুদা বেগমে কয় যে ৰঙাপৰা অঞ্চলত ২২ টি শিশু পুষ্টিহীনতাত ভুগি আছে। ইয়াৰে ভিতৰত সাতজন অত্যধিক পুষ্টিহীনতাত ভুগি আছে। ৰঙাপৰাৰ বিধায়ক কৃষ্ণ কমল তাঁতীয়ে ভাষণ প্ৰসংগত কয় যে শোণিতপুৰ জিলাৰ চাহ বাগিচা অঞ্চলত প্ৰসূতি আৰু শিশুৰ মৃত্যুৰ হাৰ বেছি। গৰ্ভৱতী মহিলাসকলে যথাসময়ত কি কি খাদ্য খালে গৰ্ভধাৰণ কৰা শিশুটি সুস্থ থাকিব, জন্ম হোৱাৰ পাছত মাতৃসকলে শিশুটিক কোন ধৰণৰ পুষ্টিকৰ খাদ্য খুৱাব সেই সন্দৰ্ভত বহু মহিলা সজাগ বা সচেতন নহয়। অনুষ্ঠানত জিলা সমাজ কল্যাণ বিষয়া দীপ্তি মৰাণ, শোণিতপুৰ জিলা পৰিষদৰ সভানেত্ৰী ডলী চুৰিণ, চাৰিদুৱাৰ ৰাজহ চক্ৰ কাৰ্যালৰ অদিতি গগৈ, ৰঙাপৰা উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া মুনীন দলে, ৰঙাপৰা আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া দেবেন বৰা আদি উপস্থিত থাকে।

## নগৰবেৰাত হত্যাকাণ্ডক কেন্দ্ৰ কৰি উত্তপ্ত পৰিস্থিতি

### উত্তেজিত লোকে জ্বলালে অভিযুক্তৰ গৃহ-বাহন

**আলোপতি, ৭ অক্টোবৰ ঃ** এক হত্যাকাণ্ডৰ অভিযোগক কেন্দ্ৰ কৰিয়ে কালি সন্ধিয়া উত্তেজনাপূৰ্ণ পৰিস্থিতিৰ উদ্ভৱ হয় কামৰূপ জিলাৰ নগৰবেৰাৰ টুপামাৰীত। একাংশ উত্তেজিত লোকে অভিযুক্তৰ বাসগৃহ আৰু বাহন জ্বলাই দিয়াৰ ফলত বিপুল ক্ষতিসাধন হয়। এক পৰকীয়া প্ৰেমৰ পৰিণতিত অঞ্চলটোত এক হত্যাকাণ্ড সংঘটিত হোৱাৰ অভিযোগ উঠিছে। উল্লেখ্য যে মঙলবাৰে পুৱতি নিশা টুপামাৰীৰ নিবাসী ছহিদুল ইছলামৰ মৃতদেহ বাঁহ গছত চিপ লোৱা অৱস্থাত উদ্ধাৰ হৈছিল। অৱশ্যে পৰিয়ালৰ লোক আৰু গাঁওবাসীয়ে এয়া হত্যাকাণ্ড বুলি দাবী কৰে। ছহিদুলৰ পত্নী ৰাছিদা খাতুন আৰু তেওঁৰ প্ৰেমিক মহিদুল ইছলামে লোকজনক হত্যা কৰি আত্মহত্যাৰ নাটক ৰচা বুলি সকলোৱে অভিযোগ কৰে। ইয়াৰ পাছতে টুপামাৰী আৰক্ষীয়ে দুই অভিযুক্তক আটক কৰে। ইপিনে, মৰণোত্তৰ পৰীক্ষাৰ অন্তত কালি সন্ধিয়া ছহিদুলৰ মৃতদেহ নিজগৃহলৈ অনাৰ লগে লগে অঞ্চলটোত উত্তেজনাৰ সৃষ্টি হয়। একাংশ লোকে উত্তেজিত হৈ অভিযুক্ত মহিদুলৰ লগতে তেওঁৰ ভ্ৰাতৃ জাকিৰ হুছেইনৰ মুঠ পাঁচটা গৃহত অগ্নি সংযোগ কৰে। লগতে ঘটনাত জড়িত থকাৰ অভিযোগত ফজৰ আলী নামৰ লোকজনৰ এ এছ-০১ এম চি-৯০৪৭ নম্বৰৰ মেজিক গাড়ীখনো উত্তেজিত লোকসকলে জ্বলাই দিয়ে। এই ঘটনাত কমেও ১৫ লাখ টকাৰ সম্পত্তি জুইত জাহ যোৱাৰ সন্দেহ কৰা হৈছে। ঘটনাৰ খবৰ লাভ কৰাৰ লগে লগে টুপামাৰী আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে। ঘটনাৰ সন্দৰ্ভত ভুক্তভোগী পৰিয়ালে সম্প্ৰতি টুপামাৰী আৰক্ষী চকীত এখন এজাহাৰ দাখিল কৰিছে।

## ভাষা আন্দোলনৰ ছহিদ অনিল বৰাক স্মৰণ

অগ্ৰদূত বাৰ্তা

**মৰিগাঁও, ৭ অক্টোবৰ ঃ** ঐতিহাসিক ভাষা আন্দোলনত প্ৰাণ আহুতি দিয়া ছহিদ অনিল বৰাৰ ৪৯ সংখ্যক মৃত্যু দিৱস আজি মৰিগাঁৱত পালন কৰা হয়। মৰিগাঁৱৰ নটুৱাগাঁৱত ভাষা ছহিদ অনিল বৰা স্মৃতি যুৱ সংঘৰ উদ্যোগত সংঘৰ কাৰ্যালয়ত অনুষ্ঠিত হোৱা স্মৃতি দিৱসৰ পুৱা পতাকা উত্তোলন কৰে সংঘৰ সভাপতি যোগেশ্বৰ নাথে। ইয়াৰ পাছতেই ছহিদগৰাকীৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ আৰু বন্তি প্ৰজ্বলন কৰে সংঘৰ প্ৰাক্তন সভাপতি লক্ষীকান্ত নাথে। দুপৰীয়া পাঠাচাৰ্য সুনন্দ নাথৰ নেতৃত্ব আৰু পুনাৰাম নাথৰ ব্যাখ্যাৰে গীতা পাঠ কৰাৰ লগতে এখন স্মৃতিচাৰণ সভা অনুষ্ঠিত হয়। উল্লেখ্য যে ১৯৫১ত নগাঁও জিলাৰ পলাশনিত জন্মগ্ৰহণ কৰা বৰা নগাঁও মহাবিদ্যালয়ৰ সাধাৰণ সম্পাদক আছিল। ১৯৭২ৰ ঐতিহাসিক ভাষা আন্দোলনৰ নেতৃত্বত আগবঢ়াই নিয়াৰ সময়তে আজিৰ দিনটোত নগাঁও জিলাৰ হোজাইত অসম আৰু অসমীয়া বিৰোধী এটা চক্ৰই ষড়যন্ত্ৰমূলকভাৱে শাৰীৰিকভাৱে অত্যাচাৰ কৰি হত্যা কৰিছিল বৰাক। এইগৰাকী ছহিদৰ স্মৃতিত গঠন কৰা মৰিগাঁৱৰ নটুৱাগাঁৱৰ অনিল বৰা স্মৃতি যুৱ সংঘই বিগত বৰ্ষৰ দৰে আজিৰ দিনটোত ছহিদগৰাকীৰ স্মৃতি দিৱস অনুষ্ঠিত কৰে। উক্ত অনুষ্ঠান আঁত ধৰে সম্পাদক শ্যমন্ত নাথে।

## দত্তকুছিত পশু চিকিৎসা শিবিৰ

অগ্ৰদূত বাৰ্তা

**হাউলী, ৭ অক্টোবৰ ঃ** হাউলীৰ সমীপৰ দত্তকুছি গাঁৱত আজি এটি পশু চিকিৎসা শিবিৰ অনুষ্ঠিত হয়। ৰাজ্য চৰকাৰৰ স্ব-অগ্ৰাধিকাৰ পুঁজি ২০২০-২১ৰ অধীনত হাউলীস্থ ভৱানীপুৰ খণ্ড উন্নয়ন পশু চিকিৎসালয়ৰ উদ্যোগত 'পশুধনৰ গৰ্ভধাৰণৰ আঁসোৱাহ আৰু ওহাৰ ফুলা নিয়ন্ত্ৰণ' সম্পৰ্কে উক্ত শিবিৰটো অনুষ্ঠিত হয়। শিবিৰত শতাধিক পশুধনৰ স্বাস্থ্য পৰীক্ষা, পশুধনৰ গৰ্ভধাৰণৰ বিভিন্ন সমস্যা আৰু পেলুজনিত সমস্যাৰ পৰা উপশম পোৱাৰ উদ্দেশ্যে শিবিৰটোত ব্যৱস্থা গ্ৰহণ কৰা হয়। শিবিৰলৈ অহা আটাইবোৰ পশুধনক বিনামূলীয়াকৈ ঔষধ যোগান ধৰাৰ লগতে পশুধনৰ অতিকৈ বিপজ্জনক হেমৰেজিক চেপতিচেমিয়া আৰু ব্লেককোৱাৰটাৰ ৰোগৰ প্ৰতিষেধক প্ৰদান কৰা হয়। উক্ত শিবিৰত ডাঃ ৰফিকুল ইছলাম আহমেদ, ডাঃ মফিদুল ইছলাম, ঈশ্বৰ কৃষ্ণ মিশ্ৰ, গুণধৰ দাস, জৱাহৰ আলী আহমেদ, ময়নুল হক, মুক্তাৰ হুছেইন আৰু দিগন্ত দাসে অংশগ্ৰহণ কৰে।


**সামগ্ৰীৰ মূল্যবৃদ্ধিৰ বিৰুদ্ধে**

## কবিৰালি আছুৰ মানৱ শৃংখল প্ৰতিবাদ

অগ্ৰদূত বাৰ্তা

**কলাইগাঁও, ৭ অক্টোবৰ ঃ** ওদালগুৰি জিলাৰ কবিৰালি আছুৱে আজি বৃহস্পতিবাৰে সামগ্ৰীৰ আকাশলংঘী মূল্যবৃদ্ধিৰ লগতে অপ্ৰাদেশিকীকৃত হৈ থকা বিদ্যালয়সমূহ প্ৰাদেশিকীকৰণ কৰিবলৈ কবিৰালিৰ মাজমজিয়াত মানৱ শৃংখল কাৰ্যসূচী ৰূপায়ণ কৰি প্ৰতিবাদ সাব্যস্ত কৰে। পেট্ৰ'ল, ডিজেল, ৰন্ধন গেছ, মিঠাতেল, বিভিন্ন খাদ্য সামগ্ৰীৰ আকাশলংঘী মূল্যবৃদ্ধি হোৱাৰ বাবে সৰ্বসাধাৰণ লোক আৰ্থিকভাৱে জুৰুলা হৈ পৰিছে যদিও চৰকাৰৰ কোনো কাণসাৰ নকৰাৰ বাবে কবিৰালি আছুৱে মানৱ শৃংখল কাৰ্যসূচী ৰূপায়ণ কৰে। লগতে বৰ্তমানেও অপ্ৰাদেশিকীকৃত হৈ থকা বিদ্যালয়সমূহ শীঘ্ৰে প্ৰাদেশিকীকৰণ কৰিবলৈ চৰকাৰক দাবী জনায়। উক্ত মানৱ শৃংখল কাৰ্যসূচীত কবিৰালি আছুৰ লগতে টংলা আৰু কলাইগাঁও আঞ্চলিক আছুৰ বিষয়ববীয়া আৰু ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰে।

## তীব্ৰবেগী বাহনৰ খুন্দাত নাহৰফুটুকীৰ মৃত্যু



অগ্ৰদূত বাৰ্তা

**সোণাপুৰ, ৭ অক্টোবৰ ঃ** খাদ্যৰ সন্ধানত আমচাং অভয়াৰণ্যৰ পৰা ওলাই অহা এটি নাহৰফুটুকী বাঘ যোৱা নিশা সোণাপুৰৰ পাটৰকুছিৰ ৩৭ নম্বৰ ঘাইপথত তীব্ৰবেগী বাহনৰ খুন্দাত মৃত্যু হয়। পাছত সোণাপুৰ আৰক্ষী আৰু বন বিভাগে ঘটনাস্থলীত উপস্থিত হৈ যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰে। ইপিনে, মৃত বাঘটো আজি পুৱা সোণাপুৰ বনাঞ্চলিক বিষয়াৰ কাৰ্যালয় প্ৰাংগণত এটি পশু চিকিৎসাৰ দলে মৰণোত্তৰ পৰীক্ষা কৰাৰ অন্তত সোণাপুৰ বনাঞ্চলিক বিষয়া কাৰ্যালয়ৰ চৌহদতে শেষকৃত্য সম্পন্ন কৰা হয়। উল্লেখ্য যে মহানগৰীৰ গাতে লাগি থকা অভয়াৰণ্যখন দিনক দিন বেদখলকাৰীৰ কবলত পৰি সংকুচিত হোৱাৰ ফলতে এতিয়া অভয়াৰণ্যখনৰ বিভিন্ন জীৱ-জন্তু আদি খাদ্যৰ সন্ধানত জনাঞ্চললৈ ওলাই এনেদৰে প্ৰায়ে মৃত্যুমুখত পৰিবলগীয়া অৱস্থাৰ সৃষ্টি হৈছে। সেয়েহে সময় থাকোতে ৰাজ্যৰ বন বিভাগ তথা প্ৰশাসনে অভয়াৰণ্যখনৰ অবৈধ বেদখলসমূহ উচ্ছেদ কৰি বন্যপ্ৰাণীসমূহ সুৰক্ষিত কৰিবলৈ সচেতন মহলে দাবী উত্থাপন কৰিছে।

## বৰমাত বৃহৎ পৰিমাণৰ গাঞ্জাসহ ধৃত দুই

**বৰমা, ৭ অক্টোবৰ ঃ** বৰমাৰ সমীপৰ বৰবজাৰ গাঁৱৰ পৰা যোৱা নিশা দুজন গাঞ্জা ব্যৱসায়িক নলবাৰীৰ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। নলবাৰী জিলাৰ উপ-আৰক্ষী অধীক্ষক জিকি ৰাণী মহন্তৰ নেতৃত্বত নিশা ২০ কিলোগ্ৰাম গাঞ্জাসহ ভূপেন তালুকদাৰ আৰু নাৰায়ণ তালুকদাৰক নিজ ঘৰৰ পৰা গ্ৰেপ্তাৰ কৰে। ধৃত গাঞ্জা ব্যৱসায়ী দুজনৰ ঘৰ নলবাৰী জিলাৰ বৰজাৰ গাঁৱত।

**প্ৰহসনত পৰিণত হৈছে ফচল বীমা যোজনা**

## নগাঁৱৰ কৃষকে বিগত বৰ্ষৰেই বীমাৰ ধন লাভ কৰা নাই

বিশেষ সংবাদদাতা

**নগাঁও, ৭ অক্টোবৰ ঃ** কৃষকসকলৰ সম্ভাব্য ক্ষতি সাধনৰ বিষয়টো জোৰা মাৰিবলৈ সকাহ দিয়াৰ উদ্দেশ্যে চৰকাৰে প্ৰণয়ন কৰা প্ৰধানমন্ত্ৰী ফচল বীমা যোজনা নামৰ অভিলাষী আঁচনিখন সম্প্ৰতি প্ৰহসনত পৰিণত হোৱাৰ অভিযোগ উঠিছে। উত্থাপিত অভিযোগ মতে, বিগত বৰ্ষৰ দৰে এইবাৰো খাৰিফ শস্যৰ বাবে কৃষি বিভাগে প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ অধীনত নগাঁও জিলাৰ ২৫ সহস্ৰাধিক কৃষকে নিজৰ নিজৰ শালিধানৰ খেতিডৰা বীমাকৰণ কৰিছিল। বিভাগীয় নিয়ম অনুসৰি এক হেক্টৰ বা তাতকৈ কম পৰিমাণৰ খেতি কৰা কৃষকসকলৰ বীমাকৰণৰ ধন চৰকাৰে বহন কৰিব লাগে। সেই অনুসৰি জিলাখনৰ ২৫ সহস্ৰাধিক কৃষকে চলিত বৰ্ষৰ ৩১ জুলাইৰ পূৰ্বে শালিধানৰ খেতিৰ বাবে বীমাকৰণ কৰে। কিন্তু বিভিন্ন কাৰণত বহু কৃষকৰ কৃষি ভূমি নষ্ট হৈছে যদিও ক্ষতিগ্ৰস্ত কৃষকসকলে বীমাৰ ক্ষতিপূৰণৰ ধন নোপোৱাটো প্ৰকাৰ নিশ্চিত হৈ পৰিছে। কাৰণ চৰকাৰে আজি পৰ্যন্ত কৃষকৰ বীমাকৰণৰ ধনৰাশি বীমা কোম্পানীক দিয়া নাই বুলি বিভাগীয় এক সূত্ৰে জানিব পৰা গৈছে। উল্লেখ্য যে জিলাখনৰ কৃষকসকলে এগ্ৰিকালচাৰেল ইঞ্চুৰেঞ্চ কোম্পানী অৱ ইণ্ডিয়া লিমিটেড নামৰ বীমা কোম্পানীটোৰ অধীনত এই বীমা কৰিছিল। উল্লেখ্য যে এইবাৰৰ বানপানীত নগাঁও জিলাৰ কামপুৰ, ধিং আৰু লাওখোৱা ৰাজহ চক্ৰৰ অন্তৰ্গত একাংশ কৃষকৰ লগতে নৈপৰীয়া অঞ্চলৰ বহু কৃষকৰ শালিধানৰ খেতি বানপানীত ক্ষতিগ্ৰস্ত হৈছে যদিও চৰকাৰ আৰু বিভাগীয় কৰ্তৃপক্ষৰ বাবে ক্ষতিগ্ৰস্ত কৃষকসকলে বীমাৰ ধন নোপোৱাটো এক প্ৰকাৰ নিমিত্ত। অৱশ্যে চৰকাৰে বীমাৰ ধনৰাশি বীমা কোম্পানীটোক পৰিশোধ কৰিব বুলি শেহতীয়াকৈ ঘোষণা কৰিছে। এইখিনিতে উল্লেখ কৰিব পাৰি যে বিগত বৰ্ষতো ৩০ সহস্ৰাধিক কৃষকে খাৰিফ শস্যৰ বাবে বীমাকৰণ কৰিছিল যদিও কোনো এজন ক্ষতিগ্ৰস্ত কৃষকে বীমাৰ এপইচাও নাপালে।

**ভৱিষ্যৎ কৰ্মসংস্থাপনক লৈ হতাশাত ক'ভিড যোদ্ধাসকল**

## অনিশ্চয়তাত বৰঝাৰ ক'ভিডত নিয়োজিত ডাটা এণ্ট্ৰি অপাৰেটৰ

অগ্ৰদূত বাৰ্তা

**আজাৰা, ৭ অক্টোবৰ ঃ** কৰ'ণা অতিমাৰীৰ বাবে বৰঝাৰ বিমানবন্দৰত বিমান যাত্ৰীৰ বাবে ডাটা এণ্ট্ৰি অপাৰেটৰসকলে বিমান চলাচল হোৱাৰ পৰাই ক'ভিড টেষ্টত জড়িত হৈ আছে। এইসকল ক'ভিড যোদ্ধাৰ ভবিষ্যতক লৈ এতিয়া চিন্তিত হৈ পৰিছে।

এইসকল অপাৰেটৰে ৰ'দ, বতাহ, বৰষুণক নেওচি দিন-ৰাতি একাকাৰ কৰি ৰাইজৰ বাবে কৰ্মৰত হৈ আছে। উল্লেখ্য যে বিগত আগষ্টত বিমান বন্দৰত কৰ্মৰত ডাটা এণ্ট্ৰি অপাৰেটৰসকলে গুৱাহাটীৰ খানাপাৰাস্থিত অসম প্ৰশাসনিক পদাধিকাৰী মহাবিদ্যালয়ত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক সাক্ষাৎ কৰি ১০ হেজাৰ টকাৰ এখন চেক প্ৰদান কৰাৰ সময়ত অপাৰেটৰসকলে মুখ্যমন্ত্ৰীৰ সাক্ষাৎকালত ভৱিষ্যৎ কৰ্মসংস্থাপন তথা স্থায়ী সমাধানৰ পথ দিয়াৰ বাবে আহ্বান দনায়। এই ক্ষেত্ৰত মুখ্যমন্ত্ৰী ড° শৰ্মাই অপাৰেটৰসকলৰ ভৱিষ্যৎ কৰ্মসংস্থাপনৰ পথ মুকলি কৰি দিয়াৰ সম্পূৰ্ণ প্ৰতিশ্ৰুতি প্ৰদান কৰিছিল বুলি তেওঁলোকে সদৰী কৰে। যাক লৈ আশাবাদী হৈ পৰিছিল বিমান বন্দৰত নিয়োজিত থকা অপাৰেটৰসকল। কিন্তু মুখ্যমন্ত্ৰীৰ সেইসমূহ প্ৰতিশ্ৰুতি এতিয়া অসাৰ প্ৰতিপন্ন হোৱা দেখা গ'ল। কাৰণ এতিয়ালৈ ৰাজ্য চৰকাৰৰ ফালৰ পৰা এইসকল অপাৰেটৰক স্থায়ী সমাধানৰ বিষয়ে কোনো ধৰণৰ মন্তব্য প্ৰদান কৰা নাই। ইয়াক লৈ এতিয়া বাৰুকৈয়ে বিমোৰত পৰিছে অপাৰেটৰসকল। বৰ্তমান দেশৰ শিক্ষিত নিৰনুৱাৰ ছবিখন দেখি অপাৰেটৰসকলো হতাশাত ভুগিছে। কাৰণ ক'ভিড অতিমাৰী শেষ হোৱাৰ পাছত এইসকল অপাৰেটৰক অসম চৰকাৰেৰ ভৱিষ্যতে স্থায়ী সমাধান দিব নে নাই তাক লৈ এতিয়া চিন্তিত হৈ পৰিছে। ইতিমধ্যে কিছুসংখ্যকে ক'ভিডত সম্পূৰ্ণ এটা বছৰ অতিক্ৰম কৰিছে। বিশেষকৈ ক'ভিডত এবছৰীয়া কাৰ্যকাল অতিক্ৰম কৰা অপাৰেটৰসকলক স্থায়ী কৰ্মসংস্থাপনৰ পথ প্ৰশস্ত কৰাৰ আহ্বান জনায় অপাৰেটৰৰ আহ্বায়ক ক্ৰমে দীপক কলিতা, ৰাহুল ঠাকুৰীয়াই।






# শ্ৰীলংকাৰ বিৰুদ্ধে ভাৰতৰ ড্ৰ

## ছাফ চেম্পিয়নশ্বিপ ফুটবল

**নতুন দিল্লী, ৭ অক্টোবৰ ঃ** ভাৰতীয় ফুটবল দলে চলিত ছাফ চেম্পিয়নশ্বিপত আজি নিজৰ দ্বিতীয় মেচো ড্ৰ খেলিবলৈ বাধ্য হয়। উল্লেখ্য যে আজি ভাৰতীয় ফুটবল দল মুখামুখি হয় শ্ৰীলংকাৰ। মেচত ভাৰত ফেভাৰিট হোৱাৰ পাছতো গ'ল কৰিব নোৱাৰিলে আৰু গ'লশূন্য ড্ৰ খেলি পইণ্ট ভগাই লয়। উল্লেখ্য যে ইয়াৰপূৰ্বে প্ৰথম মেচত ড্ৰ খেলি নিজৰ অভিযান আৰম্ভ কৰিছিল ভাৰতীয় ফুটবল দলে। চলিত ছাফ চেম্পিয়নশ্বিপত ভাৰতীয় ফুটবল দলে প্ৰতিযোগিতাৰ প্ৰথমখন মেচ খেলিছিল বাংলাদেশৰ বিৰুদ্ধে। 1-1 গ'লত ড্ৰ হয় মেচখন। খেলত প্ৰথমে ভাৰতীয় ফুটবল দলে গ'ল কৰি অগ্ৰগতি লৈছিল যদিও 10 জনৰে খেলাৰ পাছতো সমতা সুচক গ'ল কৰি মেচ ড্ৰ কৰিবলৈ সক্ষম হয় বাংলাদেশে। উল্লেখ্য যে ভাৰতৰ হৈ খেলৰ 27 মিনিটত গ'ল কৰে সুনীল চেত্ৰীয়ে। কেৰিয়াৰৰ 121 সংখ্যক আন্তৰ্জাতিক মেচ খেলা সুনীলে 76 সংখ্যক গ'ল কৰে। উল্লেখ্য যে মালেত চলি আছে ছাফ চেম্পিয়নশ্বিপ ফুটবল। ভাৰতীয় ফুটবল দলে ছাফ চেম্পিয়নশ্বিপত পূৰ্বে সাতবাৰ খিতাপ লাভ কৰিছে। অহা 10 অক্টোবৰত নেপালৰ বিৰুদ্ধে খেলিব ভাৰতীয় ফুটবল দলে। আনহাতে, 13 অক্টোবৰত মলদ্বীপৰ মুখামুখি হ'ব ভাৰতীয় ফুটবল দল।



## মথুৰা মোহন-কেশৰ বসুমতাৰী ফুটবল

**অগ্ৰদূত বাৰ্তা, জালাহ, ৭ অক্টোবৰ ঃ** ছানজাৰাং ক্লাবৰ উদ্যোগত আৰম্ভ হোৱা পঞ্চম মথুৰা মোহন আৰু কেশৰ বসুমতাৰী প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাৰ আজিৰ খেলত মানাস পেন্থাৰ ক্লাবে 2-0 গ'লৰ ব্যৱধানত পৰাস্ত কৰে জেনিথ ক্লাবক। উল্লেখ্য যে প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাখনৰ উদ্বোধনী মেচত ডানচৌৰাং ক্লাবে 2-1 গ'লৰ ব্যৱধানত পৰাস্ত কৰে এভাৰেষ্ট ক্লাবক। উল্লেখ্য যে প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাখনৰ চেম্পিয়ন দলে 35 হেজাৰ আৰু ৰানাৰ্ছ আপ দলে 25 হেজাৰ টকাসহ ট্ৰফী লাভ কৰিব। এইবাৰৰ পঞ্চম মথুৰা মোহন আৰু কেশৰ বসুমতাৰী প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাত মুঠ 15 টা দলে অংশ লৈছে।

## আছুৰ ছহিদ ফুটবল আৰম্ভ

**অগ্ৰদূত বাৰ্তা, নাহৰকটীয়া, ৭ অক্টোবৰ ঃ** নাহৰকটীয়া ছাত্ৰ সন্থাই আয়োজন কৰি অহা ছহিদ সোঁৱৰণী ফুটবল প্ৰতিযোগিতাই এইবাৰ 36 সংখ্যক বৰ্যত ভৰি দিছে। আজিৰে পৰা আৰম্ভ হোৱা ছহিদ সোঁৱৰণী ফুটবল প্ৰতিযোগিতাৰ উদ্বোধনী মেচত নামৰূপ বি ভি এফ চি এল বিদ্যালয়ে 10-0 গ'লৰ ব্যৱধানত পৰাস্ত কৰে নিগাম উচ্চ মাধ্যমিক বিদ্যালয়ক।



## ব্যৰ্থতাৰ হেট্ৰিক ছুপাৰ কিংছ দলৰ

**ডুবাই, ৭ অক্টোবৰ ঃ** চলিত আই পি এলত চেন্নাই ছুপাৰ কিংছ প্ৰথমটো দল হিচাপে প্লে-অফলৈ যোগ্যতা অৰ্জন কৰিছিল যদিও যোৱা তিনিখন মেচত দল পৰাজয়ৰ সন্মুখীন হৈছে। আই পি এলৰ আজি অনুষ্ঠিত হোৱা প্ৰথমখন মেচত পঞ্জাৱ কিংছ দলে ছয় উইকেটত চেন্নাই ছুপাৰ কিংছক পৰাস্ত কৰে। উল্লেখ্য যে মেচত পোনতে বেটিং কৰি চেন্নাই ছুপাৰ কিংছে ডুপ্লেছিছৰ 76 ৰাণৰ সহায়ত ছয় উইকেটত 134 ৰাণ কৰে। প্ৰত্যুত্তৰত কিংছ দলে 13 অভাৰত চাৰি উইকেটত 139 ৰাণ কৰি জয় অৰ্জন কৰে। কিংছৰ অধিনায়ক ৰাহুলে অপৰাজিত 98 ৰাণ কৰে। ইয়াৰ পূৰ্বে চেন্নাই ছুপাৰ কিংছক (136-5 ৰাণ) তিনি উইকেটত পৰাস্ত কৰি শীৰ্ষস্থান অধিকাৰ কৰিছিল দিল্লী কেপিটেলছে (139-7 ৰাণ)। উল্লেখ্য যে উভয় দলে ইতিমধ্যে প্লে-অফৰ যোগ্যতা নিশ্চিত কৰাত এই মেচ গুৰুত্বহীন আছিল। কিন্তু প্লে-অফৰ পূৰ্বে চেন্নাই ছুপাৰ কিংছ ক্ৰমাগত তিনিখনত পৰাস্ত হোৱাটো অধিনায়ক ধোনিৰ বাবে চিন্তাৰ বিষয়।

## জয়ৰ পাছতো পঞ্জাৱ কিংছৰ হতাশা

**ডুবাই, ৭ অক্টোবৰ ঃ** আই পি এলৰ আজি অনুষ্ঠিত হোৱা প্ৰথমখন মেচত পঞ্জাৱ কিংছ দলে ছয় উইকেটত চেন্নাই ছুপাৰ কিংছক পৰাস্ত কৰে যদিও দলৰ প্লে-অফ খেলাৰ সপোন ওলমি থাকিল। কাৰণ অন্তিমখন মেচ খেলাৰ পাছত পঞ্জাৱ কিংছৰ পইণ্ট হ'ল 12¼ মেচত পোনতে বেটিং কৰি চেন্নাই ছুপাৰ কিংছে ডুপ্লেছিছৰ 76 ৰাণৰ সহায়ত ছয় উইকেটত 134 ৰাণ কৰে। প্ৰত্যুত্তৰত কিংছ দলে 13 অভাৰত চাৰি উইকেটত 139 ৰাণ কৰি জয় অৰ্জন কৰে। কিংছৰ অধিনায়ক ৰাহুলে অপৰাজিত 98 ৰাণ কৰে। উল্লেখ্য যে যোৱা মেচত এখন গুৰুত্বপূৰ্ণ খেলত ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰু দলে ছয় ৰাণত পৰাস্ত কৰিছিল পঞ্জাৱ কিংছক। মেক্সৱেল (57], পাডিকাল (40] আৰু বিৰাটৰ (25] বেটিঙৰে আৰ চি বিয়ে কৰে 164-7 ৰাণ। প্ৰত্যুত্তৰত কিংছে ছয় উইকেটত 158 ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে। দলৰ হৈ মায়ংকে 57 আৰু ৰাহুলে 39 ৰাণ কৰে। এই ব্যৰ্থতাই কিংছৰ প্লে-অফলৈ যোগ্যতাৰ অংকত আউল লগাই দিছিল। উল্লেখ্য যে অন্তিম মেচত পঞ্জাৱ কিংছ দলে কে কে আৰক পৰাস্ত কৰি প্লে-অফৰ আশা সজীৱ কৰিছিল। পাঁচ উইকেটত পঞ্জাৱ কিংছৰ হাতত পৰাস্ত হয় কে কে আৰ। মেচত পোনতে বেটিং কৰা কে কে আৰে সাত উইকেটত 165 ৰাণ কৰে। প্ৰত্যুত্তৰত কিংছ দলে তিনিটা বল বাকী থকাত পাঁচ উইকেটত 168 ৰাণ কৰি গুৰুত্বপূৰ্ণ জয় অৰ্জন কৰে। ইয়াৰপূৰ্বে বিগত বৰ্ষৰ চেম্পিয়ন মুম্বাই ইণ্ডিয়ানছ দলে পঞ্জাছ কিংছক ছয় উইকেটত পৰাস্ত কৰিছিল। পোনতে বেটিং কৰি পঞ্জাছ কিংছ দলে ছয় উইকেটত 135 ৰাণ কৰিছিল। প্ৰত্যুত্তৰত, মুম্বাই দলে এক অভাৰ বাকী থকাত চাৰি উইকেটত 137 ৰাণ কৰি গুৰুত্বপূৰ্ণ জয় অৰ্জন কৰে। আনহাতে, পঞ্জাছ কিংছ দলে পাঁচ ৰাণত পৰাস্ত কৰিছিল ছানৰাইজাৰ্ছ হায়দৰাবাদক। পোনতে বেটিং কৰা কিংছে সাত উইকেটত সংগ্ৰহ কৰে 125 ৰাণ। প্ৰত্যুত্তৰত, ছানৰাইজাৰ্ছ হায়দৰাবাদ দলে সাত উইকেটত 120 ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে। আনহাতে, এখন ৰোমাঞ্চকৰ মেচত ৰাজস্থান ৰয়েলছে দুই ৰাণত পৰাস্ত কৰিছিল পঞ্জাৱ কিংছক। উল্লেখ্য যে জয়ৰ বাবে অন্তিম অভাৰত পঞ্জাৱ কিংছক প্ৰয়োজন হৈছিল চাৰি ৰাণ। হাতত আছিল আঠটা উইকেট। তথাপি দলে পৰাজয়ৰ সন্মুখীন হয়। পোনতে বেটিং কৰা ৰাজস্থান ৰয়েলছ দলে 20 অভাৰত সকলো উইকেট হেৰুৱাই সংগ্ৰহ কৰে 185 ৰাণ। কিন্তু 183-4 ৰাণত ইনিংছ সামৰি পৰাজয় স্বীকাৰ কৰে পঞ্জাৱ দলে।



## প্ৰাইজমানি ফুটবল আৰম্ভ

**অগ্ৰদূত বাৰ্তা**
**বৰপথাৰ, ৭ অক্টোবৰ ঃ** গোলাঘাটৰ বৰপথাৰৰ দপথাৰ হাইস্কুল খেলপথাৰত আৰম্ভ হৈছে এখন প্ৰাইজমানি ফুটবল প্ৰতিযোগিতা। কালিৰে পৰা আৰম্ভ হোৱা উক্ত প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাখন উদ্বোধন কৰে অসমৰ প্ৰথম মহিলাৰূপে অলিম্পিক খেলাৰ গৌৰৱ লাভ কৰা তথা ৰাজ্যৰ প্ৰথম ক্ৰীড়াবিদৰূপে ঐতিহাসিক অলিম্পিক পদক জয় কৰা বক্সাৰ লাভলীনা বৰগোঁহাইৰ পিতৃ টিকেন বৰগোঁহায়ে। উল্লেখ্য যে প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাখনৰ উদ্বোধনী মেচত চাওদাং পথাৰ ফুটবল একাদশে 3-1 গ'লৰ ব্যৱধানত পৰাস্ত কৰে গেলাবিল ডলফিন ফুটবল একাদশক।

## খাচিসোনাৰ খিতাপ

**অগ্ৰদূত বাৰ্তা, মৰিয়নি, ৭ অক্টোবৰ ঃ** কান্দ্ৰা চুড়ী সোঁৱৰণী প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাত চেম্পিয়ন হৈছে খাচিসোনা ফুটবল দল। উল্লেখ্য যে প্ৰাইজমানি প্ৰতিযোগিতাখনৰ ফাইনেলত খাচিসোনা ফুটবল দলে টাইব্ৰেকাৰত পৰাস্ত কৰে অনুৰাগ এফ চিক। ব্যৱধান 4-3 গ'ল।

## আৰিয়ান স্পৰ্টছ ক্লাব চেম্পিয়ন

**অগ্ৰদূত বাৰ্তা**
**বৰভাগ, ৭ অক্টোবৰ ঃ** ব্ৰজনাথ বৈশ্য, ভাৰতী বৈশ্য আৰু প্ৰানেশ্বৰ ডাউকা সোঁৱৰণী প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাত চেম্পিয়ন হৈছে মুকালমুৱাৰ আৰিয়ান স্পৰ্টছ ক্লাব। উল্লেখ্য যে প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাখনৰ ফাইনেলত মুকালমুৱাৰ আৰিয়ান স্পৰ্টছ ক্লাব দলে 4-0 গ'লৰ ব্যৱধানত পৰাস্ত কৰে দলৈতোলা নয়নজ্যোতি ক্লাবক।

## ভাৰত-অষ্ট্ৰেলিয়া টি-২০ পৰিত্যক্ত

**কেনবেৰা, ৭ অক্টোবৰ ঃ** অষ্ট্ৰেলিয়া ভ্ৰমণলৈ যোৱা ভাৰতীয় মহিলা ক্ৰিকেট দলে আজি তিনিখনীয়া টি-20 শৃংখলাৰ প্ৰথমখন মেচত অংশ লয় যদিও সুন্দৰ প্ৰদৰ্শন কৰাৰ পাছতো বৰষুণৰ বাবে মেচখন পৰিত্যক্ত হয়। ভাৰতীয় মহিলা ক্ৰিকেট দলে আজি পোনতে বেটিং কৰি 15.3 অভাৰত চাৰি উইকেটত 131 ৰাণ কৰাৰ সময়তে বৰষুন দিয়ে আৰু মেচ তাতেই বন্ধ হয়। ভাৰতৰ হৈ জেমিমাহে সৰ্বাধিক 49 ৰাণ কৰে। উল্লেখ্য যে ভাৰতে এদিনীয়া শৃংখলাৰ প্ৰথম দুখন মেচত পৰাস্ত হৈছিল যদিও তৃতীয় এদিনীয়া আৰু একমাত্ৰ টেষ্টত দৰ্শনীয় প্ৰদৰ্শন কৰিছিল। সেয়ে তিনিখনীয়া টি-20 শৃংখলাৰ বাবে দল আত্মবিশ্বাসী। উল্লেখ্য যে ভাৰতীয় মহিলা ক্ৰিকেট দলৰ বিৰুদ্ধে অষ্ট্ৰেলিয়া মহিলা ক্ৰিকেট দলে দিবা-নৈশ টেষ্টখন ড্ৰ কৰিছিল যদিও ভাৰতৰ শক্তি আছিল অদমনীয়। ভাৰতে প্ৰথম ইনিংছত আঠ উইকেটত 377 ৰাণ কৰি ইনিংছ ঘোষণা কৰিছিল। প্ৰত্যুত্তৰত, অষ্ট্ৰেলিয়া মহিলা ক্ৰিকেট দলে 241-9 ৰাণত প্ৰথম ইনিংছ ঘোষণা কৰে। ভাৰতীয় দলে প্ৰথম ইনিংছত 136 ৰাণৰ অগ্ৰগতি লাভ কৰাৰ পাছত দ্বিতীয় ইনিংছত 135-3 ৰাণত ইনিংছ ঘোষণা কৰিছিল আৰু অষ্ট্ৰেলিয়াৰ সন্মুখত 272 ৰাণৰ বিজয়লক্ষ্য দিছিল। ঘৰুৱা দলে 36-2 ৰাণ কৰাৰ সময়তে মেচ ড্ৰৰূপে সমাপ্ত হয়। উল্লেখ্য যে ভাৰতীয় মহিলা ক্ৰিকেট দলে ইয়াৰপূৰ্বে সদ্য সমাপ্ত তিনিখনীয়া এদিনীয়া শৃংখলাৰ প্ৰথম দুখন এদিনীয়া মেচত পৰাস্ত হৈ শৃংখলা হেৰুৱাইছিল যদিও তৃতীয় তথা অন্তিমখন মেচত দুই উইকেটত জয়ী হৈ আত্মবিশ্বাস ঘুৰাই আনিছিল। অষ্ট্ৰেলিয়া মহিলা ক্ৰিকেট দলে দ্বিতীয় মেচত পাঁচ উইকেটত ভাৰতক পৰাস্ত কৰাৰ পূৰ্বে প্ৰথমখন এদিনীয়া মেচত ন উইকেটত জয়ী হৈছিল অষ্ট্ৰেলিয়া মহিলা ক্ৰিকেট দল।



## প্ৰাইজমানি ভলীবল

**অগ্ৰদূত বাৰ্তা**
**সোনাপুৰ, ৭ অক্টোবৰ ঃ** মিলিজুলি সংঘই অহা ন আৰু দহ অক্টোবৰত দুদিনীয়াকৈ আয়োজন কৰিছে প্ৰাইজমানি ভলীবল প্ৰতিযোগিতা। নকআউট ভলীবল প্ৰতিযোগিতাখনৰ চেম্পিয়ন দলে পাঁচ হেজাৰ টকাসহ ট্ৰফী আৰু ৰানাৰ্ছআপ দলে তিনি হেজাৰ টকাসহ ট্ৰফী লাভ কৰিব।

## প্লে-অফৰ পূৰ্বে পৰাজয়ৰ সন্মুখীন আৰ চি বি

**ডুবাই, ৭ অক্টোবৰ ঃ** ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰু দলে চলিত আই পি এলত ক্ৰমাগত তৃতীয় মেচত জয়েৰে ইতিমধ্যে প্লে-অফলৈ যোগ্যতা অৰ্জন কৰিছে। কিন্তু এই সফলতাৰ পাছত যোৱানিশা আৰ চি বি চাৰি ৰাণত পৰাস্ত হয় ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে। ছাউথ ডাৰ্বিত পোনতে বেটিং কৰি ছানৰাইজাৰ্ছ হায়দৰাবাদে সাত উইকেটত 141 ৰাণ কৰে। প্ৰত্যুত্তৰত আৰ চি বিয়ে ছয় উইকেটত 137 ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে। অৱশ্যে এই মেচৰ কোনো গুৰুত্ব নাছিল। আৰ চি বি ইতিমধ্যে প্লে-অফলৈ যোগ্যতা অৰ্জন কৰিছে। বিপৰীতে ছানৰাইজাৰ্ছ হায়দৰাবাদ দলে ইতিমধ্যে বিদায় লৈছে। উল্লেখ্য যে পূৰ্বৰ মেচতে আৰ চি বিয়ে ছয় ৰাণত পঞ্জাৱ কিংছক পৰাস্ত কৰি প্লে-অফলৈ যোগ্যতা অৰ্জন কৰিছিল। মেচখনত আৰ চি বিয়ে কৰে 164-7 ৰাণ। প্ৰত্যুত্তৰত কিংছে ছয় উইকেটত 158 ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে। ইয়াৰপূৰ্বে আৰ চি বিয়ে সাত উইকেটত পৰাস্ত কৰে ৰাজস্থান ৰয়েলছক। পোনতে বেটিং কৰি ৰয়েলছে ন উইকেটত 149 ৰাণ কৰে। প্ৰত্যুত্তৰত, আৰ চি বিয়ে 17.1 অভাৰত তিনি উইকেটত 153 ৰাণ কৰি সহজ জয় অৰ্জন কৰে। আনহাতে আৰ চি বিয়ে 54 ৰাণত পৰাস্ত কৰিছিল মুম্বাই ইণ্ডিয়ানছক। পোনতে বেটিং কৰি আৰ চি বিয়ে ছয় উইকেটত 165 ৰাণ কৰিছিল। প্ৰত্যুত্তৰত, মুম্বাই দলে 18.1 অভাৰত 111 ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে। কিন্তু চেন্নাই ছুপাৰ কিংছ দলে ছয় উইকেটত পৰাস্ত কৰিছিল ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰু দলক। পোনতে বেটিং কৰি আৰ চি বিয়ে ছয় উইকেটত 156 ৰাণ কৰে। প্ৰত্যুত্তৰত, চেন্নাই ছুপাৰ কিংছ দলে 18.1 অভাৰত চাৰি উইকেট হেৰুৱাই 157 ৰাণ কৰি সহজ বিজয় অৰ্জন কৰে। আনহাতে, কে কে আৰৰ হাতত নিলৰ্জ্জ পৰাজয়ৰ সন্মুখীন হৈছিল ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰু দল। কলকাতা নাইট ৰাইডাৰ্ছে ন উইকেটত পৰাস্ত কৰে বিৰাট কোহলিৰ দলক। পোনতে বেটিং কৰা ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰু দলে 19 অভাৰত সকলো উইকেট হেৰুৱাই সংগ্ৰহ কৰে মাত্ৰ 92 ৰাণ। প্ৰত্যুত্তৰত কলকাতা নাইট ৰাইডাৰ্ছে 10 অভাৰত এটা উইকেট হেৰুৱাই 94 ৰাণ কৰি ন উইকেটত সহজে পৰাস্ত কৰে আৰ চি বিক।



## ছিনিয়ৰ ফুটবল

**অগ্ৰদূত বাৰ্তা, বেবেজীয়া, ৭ অক্টোবৰ ঃ** নুৰুল আমিন ষ্টেডিয়ামত চলি থকা ছিনিয়ৰ আন্তঃজিলা ফুটবলৰ মাণ্ডলিক মেচত যোৱানিশা কাৰ্বি আংলং দলে 5-0 গ'লৰ ব্যৱধানত পৰাস্ত কৰে হোজাই দলক। ইয়াৰপূৰ্বে প্ৰথম মেচত নাগাঁও দলে 6-2 গ'লৰ ব্যৱধানত পৰাস্ত কৰে কলিয়াবৰক।

## ছাউথ ডাৰ্বিত সন্তুষ্টিৰ জয় ছানৰাইজাৰ্ছ হায়দৰাবাদৰ

**ডুবাই, ৭ অক্টোবৰ ঃ** 12 খন মেচৰ দুখনত জয় তথা 10 খনত পৰাজয়। চাৰি পইণ্টৰে অন্তিম স্থানত লগতে চলিত আই পি এলৰ পৰা বিদায় লোৱা প্ৰথমটো দল। হতাশজনক এই প্ৰদৰ্শন ছানৰাইজাৰ্ছ হায়দৰাবাদ দলৰ। কিন্তু যোৱানিশা দলে সন্তুষ্টিৰ জয় অৰ্জন কৰে আৰ চি বিৰ বিৰুদ্ধে। চাৰি ৰাণত জয়ী হয় ছানৰাইজাৰ্ছ হায়দৰাবাদ। ছাউথ ডাৰ্বিত পোনতে বেটিং কৰি ছানৰাইজাৰ্ছ হায়দৰাবাদে সাত উইকেটত 141 ৰাণ কৰে। প্ৰত্যুত্তৰত আৰ চি বিয়ে ছয় উইকেটত 137 ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে। অৱশ্যে এই মেচৰ কোনো গুৰুত্ব নাছিল। আৰ চি বি ইতিমধ্যে প্লে-অফলৈ যোগ্যতা অৰ্জন কৰিছে। বিপৰীতে ছানৰাইজাৰ্ছ হায়দৰাবাদ দলে ইতিমধ্যে বিদায় লৈছে। উল্লেখ্য যে ধাৰাবাহিক ব্যৰ্থতাৰ পাছত জয়ৰ মুখ দেখিলে ছানৰাইজাৰ্ছ হায়দৰাবাদে। ইয়াৰপূৰ্বে কলকাতা নাইট ৰাইডাৰ্ছে ছানৰাইজাৰ্ছ হায়দৰাবাদক ছয় উইকেটত পৰাস্ত কৰিছিল। পোনতে বেটিং কৰা ছানৰাইজাৰ্ছ হায়দৰাবাদে ছয় উইকেট হেৰুৱাই 115 ৰাণ কৰে। প্ৰত্যুত্তৰত কে কে আৰে চাৰি উইকেটত 119 ৰাণ কৰি জয় অৰ্জন কৰে। উল্লেখ্য যে ছানৰাইজাৰ্ছ হায়দৰাবাদ দলৰ চলিত আই পি এলত প্লে-অফ খেলাৰ আশা সমাপ্ত হৈছিল যদিও অংকৰ মাধ্যমৰে কিছু সজীৱ আছিল। কিন্তু ক্ৰমাগত দুখন মেচত পৰাস্ত হৈ দলে বিদায় লৈছে। উল্লেখ্য যে পূৰ্বৰ মেচত দলে সাত উইকেটত ৰাজস্থান ৰয়েলছক পৰাস্ত কৰি প্ৰত্যাৱৰ্তন কৰিছিল। মেচত পোনতে বেটিং কৰা ৰাজস্থানে পাঁচ উইকেটত 164 ৰাণ কৰে। প্ৰত্যুত্তৰত, হায়দৰাবাদে 18.3 অভাৰত 167 ৰাণ কৰি জয়লাভ অৰ্জন কৰে। পূৰ্বৰ মেচত পঞ্জাৱ কিংছে পাঁচ ৰাণত পৰাস্ত কৰিছিল ছানৰাইজাৰ্ছ হায়দৰাবাদক। পোনতে বেটিং কৰা কিংছে সাত উইকেটত সংগ্ৰহ কৰে 125 ৰাণ। প্ৰত্যুত্তৰত,



ছানৰাইজাৰ্ছ হায়দৰাবাদ দলে সাত উইকেটত 120 ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে। ইয়াৰপূৰ্বৰ মেচত দিল্লী কেপিটেলছে আঠ উইকেটত পৰাস্ত কৰিছিল ছানৰাইজাৰ্ছ হায়দৰাবাদক। পোনতে বেটিং কৰি ছানৰাইজাৰ্ছ হায়দৰাবাদ দলে ন উইকেট হেৰুৱাই 134 ৰাণ কৰিছিল। প্ৰত্যুত্তৰত দিল্লী কেপিটেলছ দলে 17.5 অভাৰত দুটা উইকেট হেৰুৱাই 139 ৰাণ কৰি সহজ বিজয় অৰ্জন কৰে।

NO. KMJ-91/15/Pt-III/980

**NOTICE INVITING APPLICATION**

Applications are invited from interested parties for selection of Training Centers/Driving Training School/Training Providers for imparting training under the scheme "Skill Training in driving covering 50 youths from each Legislative Assembly Constituency area' for Kamrup Metropolitan District.

**Eligibility Criteria :**
i. Industrial Training Institute (ITI)
ii. The agency should have authorised Driving Training Institute registered under Transport Department/DTOs of respective districts.
iii. Automobile Houses running Driving Training Institutes registered under Transport Department/DTOs of respective districts.
iv. Any registered agency/training institute with required infrastructure.
v. Applicant Agency should not have been blacklisted by any donor agency/State Government/Central Government.
vi. Applicant Agency should have experience in training candidates.

**Criteria for selection of Training Centre**
**a) Manpower requirement and Minimum Qualification**
i. 2 (Two) number of Motor Vehicle Trainers i.e. 1 (One) per batch
a.A minimum driving experience of five years having valid driving license in addition to a certificate in a course in motor machanics or any other higher qualification in mechanical/automobile engineering from an institution established by the Central or a State Government or from an institution recognised by the Board of Technical Education of a State Government.
b. Thorough knowledge of traffic signs
c. Ability to demonstrate and to explain the functions of different components, parts of the vehicles
d. Adequate knowledge of English/the regional language of the region
ii. 1 (One) Soft Skills and Personality Development Trainer
A Diploma with minimum 2 years of experience in imparting soft skills and personality development training. The candidate should have a pleasing personality having excellent communication and interpersonal skills. The applicant should have sufficient knowledge on the tourism aspects of the region. Applicant should have the passion for training and the ability to connect with the trainees.
iii. 1 (One) program Coordinator per LAC
The applicant must be 12th standard pass having Certificate in Computer Application with practical knowledge in MS Office and should be familiar with the region.
**2) Other Training Material Requirements**
1. 2 (Two) vehicles for practical training i.e. 1 (One) vehicle per batch
ii. Blackboard/Whiteboard with chalk/markers
iii. A road plan board with necessary model signals and charts
iv. Traffic signs chart
v. Chart on automatic signals and signals given by traffic controllers where there are no automatic signals
vi. A service chart depicting a detailed view of all the components of a motor vehilce, Engine gear box, brake shoe and drums
vii. Puncture kit with tyre lever, wheel brace, jack and tyre pressure gauge
viii. Tools (a set each of fix spanners, box spanners, pliers, screw drivers, screw spanners and hammer)
ix. Driving instructions manual
x. Books on automobile mechanism, driving, road safety, traffic regulations, laws relating to motor vehicles and related subjects.
xi. A fully equipped first-aid box for use in emergency at the premises.
xii. Fire Safety equipment
xiii. GPS navigation device
3) Classroom Requirements
i) The selected agency must have suitable venue/classroom with minimum seating arrangement for 2 batches with size of 25 trainees in each batch i.e. total of 50 trainees.
4) **Application Procedure** :
1. In response to this NIA, applicant organisations meeting above criteria can apply for empanelment in the prescribed format, with required documents.
2. The applicant organisations need to fill up the following TECHs and submit on or before the last date of submission :
- TECH1-Self declaration for not being blacklisted
- TECH2-Self-Declaration
- TECH3-Methodology
- TECH4-Transport Department/DTOs registration copy for Driving Training Institute
- TECH5-Methodology

Interested Training centers/Driving Training School/Training providers may collect application details from Office of the DTO (R&L), Kamrup (Metro), Betkuchi, Guwahati-40 during office hours.
**5) Last Date of Submission**
The application may be submitted in prescribed format with required documents at the Office of the DTO (R&L), Kamrup (Metro), Betkuchi, Guwahati-40 **on or before 21/10/2021, 5.00 PM**

Sd/-
Deputy Commissioner &
Chairman, District Level Selection & Monitoring Committee,
Kamrup Metro
Scheme for Skill Training in diriving covering 50 youths from each Legislative Assembly Constituency area of Assam

Janasanyog/D/7317/21

## বিলাসনন্দন চ'ৰা




# দেৱীৰ মৰ্ত্যযাত্ৰা

**অৱশেষত** আহি পালে দেৱী এণ্ড হাৰ ফেমিলী। এবছৰে অহা নাই। গতিকে ৰাস্তা-ঘাটবোৰ চিনোতে অলপ অসুবিধা নোহোৱা নহয়। স্পেচিয়েলী গুৱাহাটীৰ ৰাস্তাবোৰ। চাৰিওফালে ফ্লাই অ'ভাৰ নিৰ্মাণৰ কাম চলি আছে। ভয়ানক ট্ৰেফিক জাম! দেৱীয়ে মনে মনে ভাবিলে—'ভুলেই হ'ল। দেৱৰাজৰ ঐৰাৱতটো এইকেইদিনৰ কাৰণে ভাড়ালৈ অনাই ভাল আছিল। ট্ৰেফিক জাম হোৱা জাগাবোৰ উৰি উৰি পাৰ হ'ব পৰা গ'লহেঁতেন!' জাম ভাঙি ভাঙি সপৰিয়ালে দেৱী আগুৱাই গ'ল। আন বহু পৰিয়ালৰ দৰে দেৱীৰ পৰিয়ালতো চৰ্চা চলিল। চৰ্চাৰ বিষয়বস্তু এটাই—মাস্ক পিন্ধিব নে নাই? বাবা গণেশে প্ৰথমেই হাত দাঙি দিছে—অসম্ভৱ! তেওঁ পিন্ধিব পৰা ডিজাইনৰ মাস্ক আজিলৈকে আৱিষ্কাৰেই হোৱা নাই। লক্ষ্মীয়ে কৈছে—'নাই, মাস্ক



নহ'ব। ফেঁচাটোৰে তাৰ নাকটো ঢাকিবলৈ অলৰেডি মাস্ক পিন্ধি লৈছেই। এতিয়া যদি ময়ো মাস্ক পিন্ধি লওঁ, আমাক ধনৰ অধিষ্ঠাত্ৰী দেৱী বুলি কোনে চিনিব?' সৰস্বতীয়েও 'না' কৰি দিছে—'হাঁহটোৱে ইমানকৈ পেকপেকাই থাকে। তাৰ পেকপেকনিৰ উত্তৰ দিবলৈ হ'লে বাৰে বাৰে মাস্কখন উঠোৱা-নমোৱা কৰি থাকিব লাগিব। নোৱাৰো দেই সেইবোৰ কৰি থাকিব!' কাৰ্তিকৰ ক্ষেত্ৰততো মাস্ক পিন্ধাৰ প্ৰশ্নই নুঠে—'মোৰ চেহেৰাটোৱে মেইন এট্ৰাকচন। সেইটোকো যদি ঢাকি ৰাখো কোনে পুচিব মোক?' সিংহটোৱে কৈছে—'মই অনবৰতে 'খাওঁ খাওঁ' কৰি মুখখন মেলি থাকিব লাগে। মাস্ক পিন্ধিলে মুখ মেলিম কেনেকৈ?' মহাদেৱে নিজৰ পজিছন ক্লিয়েৰ কৰি কৈছে—'মইতো একেবাৰে সৰুকৈহে থাকিম। মাস্কখন দেখোন মোতকৈও ডাঙৰ হ'ব। পিন্ধিলে গোটেই গাটোৱে ঢকা যাব।' দেৱীয়েও ভাবিছে—'ফেমিলীৰ কোনেও যদি নিপিন্ধেই, মই পিন্ধিনো কি লাভ? মেছেজ দিয়াৰ কামটো কেৱল মোৰেই নহয়তো!'

মৰ্ত্যলৈ অহাৰ সময়ত দেৱীয়ে ভাবিছিল—কৰ'নাকাল! চৌদিশে চাগে নিৰ্জন পৰিৱেশ হ'ব; কিন্তু মৰ্ত্যত ভৰি দি দেৱীৰ চকু কপালত উঠিল। কি ভিৰ চৌদিশে! বজাৰত ভৰি দিব নোৱাৰি। এখোজ দিলেই হ'ল, বাকীকেইটা খোজ পাছফালৰ পৰাই ঠেলি-হেঁচি বঢ়াই দিয়ে। কাৰোৰে মুখত মাস্কো নাই। তেন্তে কৰ'না আছে ক'ত? দেৱী দোকান এখনলৈ গ'ল আৰু দোকানীজনক ক'লে—'ভাই চাহাব, কথা এটা কওকচোন।'

ঃ কি লাগে বেহেনজী?

ঃ কি লাগে মানে কথা এটা জানিব খুজিছিলো।

ঃ কিনো?

ঃ কৰ'না ক'ত পোৱা যায়?

দোকানীজনে হাঁহি মাৰি ক'লে—'ধ্যেই! দিনৰ পোহৰত কৰ'না নাহে নহয়! এতিয়া কৰ'নাক লগ নাপায়!'

ঃ তেন্তে কেতিয়া লগ পামনো?

ঃ ৰাতি ১০ বজাৰ পাছতহে কৰ'না আহে। এতিয়া নাহেতো।

দেৱী আচৰিত হ'ল। টাইম চাই চাই কৰ'না আহে বুলিতো দেৱীয়ে ভবা নাছিল। যিয়ে নহওক, আহিছেই যেতিয়া দিছপুৰত সোমাই লৈ মহাৰাজক এবাৰ চাই যাওঁ বুলি ঠিক কৰিলে। মহাৰাজ সিংহাসনত বহাৰ পাছত দেৱীয়েতো এবাৰলৈও সাক্ষাৎ কৰিব পৰা নাই। ৰাজদৰবাৰলৈ বুলি দেৱী সোমাই গ'ল। লগত ফেমিলী নিনিলে। নহয় মানে একেলগে ইমানবোৰ গ'লে মহাৰাজে বেয়াও পাব পাৰে। লগত নিলে কেৱল সিংহটো। সিংহটোকো এণ্ট্ৰি পাছ দিয়া নহ'ল। গতিকে দেৱীয়ে অকলেই গ'ল। গৈ দাৰোৱানক ক'লে—'মই কৈলাসৰ পৰা আহিছো।'

ঃ কিয় আহিছে?

ঃ মহাৰাজক লগ ধৰিব।

ঃ মহাৰাজ মিটিঙত ব্যস্ত। কাকো লগ নধৰে।

ঃ মই অহা বুলি ক'লে ধৰিব চাগে।

ঃ নাই নধৰে। বৰ জৰুৰী মিটিং চলি আছে।

ঃ কিহৰ মিটিং?

ঃ আমাৰ ষ্টেটত বহু বেয়া কাম চলি আছে। বেয়া কাম চলাই থকা অসুৰবোৰক চিনাক্ত কৰি সিহঁতক বিনাশ কৰাৰ সংকল্প লৈছে মহাৰাজে। তাৰেই মিটিং!

হঠাতে দৰবাৰৰ দুৱাৰ খুলি গ'ল। ভিতৰৰ পৰা মহিষাসুৰ ওলাই আহিল। দেখি দেৱী আচৰিত হ'ল—'তুমি ঃ তুমি ইয়াত কি কৰিছা?'

মহিষাসুৰে ক'লে—'মোক বৰ গধুৰ দায়িত্ব দিছে মহাৰাজে।

ঃ কি দায়িত্ব?

ঃ অসুৰবোৰৰ বিনাশ কৰাৰ দায়িত্ব।

*(বিলাসনন্দন চ'ৰাৰ উদ্দেশ্য ব্যংগ ৰস সৃষ্টিহে, কোনো ব্যক্তি বিশেষৰ মনত আঘাত দিয়াটো নহয়।)*

## শেষ পৃষ্ঠাৰ প্ৰথম
### দৈনন্দিন

# কঠোৰ পৰিশ্ৰমৰ মাজতো জীৱনৰ ছন্দ বিচৰা বিজু কলিতা

**পৰিয়ালৰ** আৰ্থিক দুৰৱস্থাৰ বাবে এদিন গুৱাহাটীলৈ উপাৰ্জনৰ পথ বিচাৰি অহা বিজু কলিতা নামৰ কিশোৰজনে মহানগৰীৰ ধামখুমীয়াৰ মাজত আত্মপ্ৰতিষ্ঠা কৰিব নোৱাৰি অহা বাটেই উভতিছিল আপোন গাঁওখনলৈ। এতিয়া গাড়ী চলাই জীৱন নিৰ্বাহ কৰা বিজুৱে শৈশৱৰে পৰাই কৰি আহিছে জীৱন যুঁজৰ সংগ্ৰাম। জীৱনৰ প্ৰতিটো খোজতে প্ৰত্যাহ্বানৰ সন্মুখীন হোৱা বিজুৱে বিগত ডেৰ দশক ধৰি চলাইছে চাৰিচকীয়া বাহন। কামৰূপ জিলাৰ বাৰাংহাটী গাঁৱত জন্মগ্ৰহণ কৰা বিজুৰ পিতৃ-মাতৃৰ নাম ক্ৰমে প্ৰয়াত মহেশ্বৰ কলিতা আৰু বীণা কলিতা। বিজুৰ এজন ককায়েক আৰু চাৰিগৰাকী বিবাহিতা জ্যেষ্ঠ ভগ্নী আছে। ঘৰৰ সৰু হোৱা বাবে বিজুক সকলোৱে মৰম কৰিছিল। তেওঁৰ পিতৃয়ে খেতি কৰি পৰিয়ালটোক পোহপাল দিছিল যদিও আৰ্থিক অৱস্থা সচ্ছল নাছিল। বহু কষ্টৰ মাজেদি বাৰাংহাটী এম ভি বিদ্যালয়ত প্ৰাথমিক শিক্ষা লাভ কৰে। ইয়াৰ পাছত তেওঁ ওচৰৰে এখন হাইস্কুলত নৱম শ্ৰেণীলৈকে অধ্যয়ন কৰে। আৰ্থিকভাৱে জুৰুলা পৰিয়ালটোৱে দুবেলা দুমুঠি আহাৰ যোগাৰ কৰাটো লাহে লাহে এক প্ৰত্যাহ্বান হৈ পৰিছিল। সেইবাবে নৱম শ্ৰেণীতে অধ্যয়ন শেষ কৰি দেউতাকক খেতি-বাতিত সহায় কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। পিছে কম মাটিত খেতি কৰি সুফল লাভ নকৰাত তেওঁ এদিন ওচৰৰে এজন চিনাকি মানুহৰ যোগেদি উপস্থিত হয় গুৱাহাটী মহানগৰীত। ১৯৯৬ মানত তেওঁ ফাঁচী বজাৰৰ এখন কাপোৰৰ দোকানত থাকিবলৈ লয়। মাহিলি আঠশ টকা দৰমহাত কাম কৰি দুবছৰমান মহানগৰীতে থাকে। তেওঁ পেহীয়েকৰ ঘৰত থাকিয়ে ফাঁচী বজাৰৰ কাপোৰৰ দোকানত কাম কৰিছিল। দুবছৰমানৰ পাছত তেওঁ এই কাম বাদ দিয়ে। ইয়াৰ পাছত খাৰঘুলিৰ বৰঠাকুৰ ক্লিনিকৰ কেণ্টিনত কাম কৰিবলৈ লয়। তাতে কাম কৰি থকাৰ মাজতে গাড়ী চলাবলৈ শিকে। তেওঁ এই প্ৰসংগত কয়, 'পুৱা সোনকালে উঠি গাড়ী শিকিবলৈ যাওঁ। তাৰ পৰা আহি দিনৰ দিনটো কেণ্টিনত কাম কৰো। খুব ভাগৰ লাগে। কাম কৰি ভাগৰি পৰিলেও পিছে গাড়ী শিকিবলৈ এৰি দিয়া নাছিলো। এনেদৰে কেইমাহমান শিকাৰ পাছত বৰঠাকুৰ ক্লিনিকৰ এম্বুলেন্স চলোৱাৰ সুবিধা পাওঁ। ডেৰ হেজাৰ টকা মাহিলি পাওঁ যদিও মহানগৰীত সেই টকাৰে চলাটো বৰ কষ্টকৰ আছিল। সেইবাবে আন কাম কৰাৰ চেষ্টা কৰিছিলো; কিন্তু ক'তো পোৱা নাছিলো। প্ৰায় ১০ বছৰ এম্বুলেন্স চলাই পাছত মাহিলি ছহেজাৰ টকাকৈ পোৱা হ'লো। পিছে ২০০৬ত দেউতা অসুস্থ হোৱাত চিকিৎসাৰ বাবে অধিক ধনৰ প্ৰয়োজন হোৱাত চকুৰে বাট নেদেখাৰ দৰে হ'লো।' উপায়ান্তৰ হৈ ঘৰলৈ উভতি গৈ কেইজনমান লোকৰ পৰা টকা ধাৰ লৈ এখন পুৰণি ছুম' ক্ৰয় কৰে। এই ক্ষেত্ৰত তেওঁৰ ককায়েকে সহায় কৰা বুলিও কয়। কেইবছৰমান ছুম'খনেৰে ভাড়া মৰাৰ পাছত লাহে লাহে পূৰ্বৰ তুলনাত সামান্য ধনো আহিবলৈ ধৰে। ইয়াৰ মাজতে তেওঁ বিবাহপাশত আবদ্ধ হয়। এনেদৰে দৈনন্দিন জীৱনৰ কাৰ্যক্ৰমণিকা চলাই নিয়াৰ মাজতে তিনি বছৰ পূৰ্বে তেওঁ ছুম'খন বিক্ৰী কৰি এখন মাৰুতি ভান ক্ৰয় কৰে। সম্প্ৰতি এই ভানখনেই তেওঁৰ প্ৰধান আয়ৰ উৎস। তেওঁ সময় পালে কৃষিকৰ্মত ব্যস্ত হয়। খেতি কৰিবলৈ



অলপ মাটি আছে। ধান খেতিৰ সময়ত তেওঁ গাড়ী চলোৱাৰ পৰিৱৰ্তে কৃষি পথাৰত ব্যস্ত হয়। এটি কন্যা সন্তানৰ পিতৃ বিজুৱে এতিয়া মাহিলি ১৫-২০ হেজাৰ টকা উপাৰ্জন কৰে। যিদিনা ভাড়া থাকে সিদিনা পুৱা চাৰিটা মানতে উঠি সাজু হয়। দিনটো গাড়ী চলালেও তেওঁ পৰিয়ালটোক পোহপাল দিয়াৰ স্বাৰ্থত কষ্ট অনুভৱ নকৰে। নিজৰ সৰু পৰিয়ালটো পোহপাল দিয়াৰ বাবে যিখিনি কষ্ট কৰিব লাগে তাতকৈ অধিক কষ্ট কৰিবলৈ সাজু বুলি তেওঁ কয়। কাৰণ এনে ব্যৱসায়ত দিন সমানে নাযায়। বিগত ডেৰ বছৰত তেওঁ ক'ভিডকালীন পৰিস্থিতিৰ বাবে বহু পৰিমাণে লোকচানৰ সন্মুখীন হ'বলগীয়া হৈছে বুলিও উল্লেখ কৰি বিজুৱে কয় যে তেওঁ এই লোকচানৰ পৰা পৰিত্ৰাণ পাবলৈ পূৰ্বৰ তুলনাত অধিক কষ্ট কৰিছে। তেওঁৰ নিজৰ কাম কৰাৰ ক্ষেত্ৰত কোনো সংকোচ নাই। গাড়ী চলাই জীৱন নিৰ্বাহ কৰা মানে আনৰ দৃষ্টিত হেয় প্ৰতিপন্ন হোৱাৰ কোনো কাৰণ নাই বুলি কয় বিজুৱে। তেওঁ এনেদৰেই নিজৰ কৰ্মৰ মাজেৰে আগুৱাই যাবলৈ প্ৰতিজ্ঞাবদ্ধ।

■ নয়ন কুমাৰ শৰ্মা







# চাহ জনগোষ্ঠীৰ আৰ্থ-সামাজিক উন্নয়নৰ লক্ষ্য

অগ্ৰদূত বাৰ্তা

**দোতমা, ৭ অক্টোবৰ ঃ** চাহ জনগোষ্ঠীৰ লোকসকল অধিক পিছপৰা শ্ৰেণী হিচাপে স্বীকৃতি প্ৰাপ্ত। এওঁলোকে জাতিৰ প্ৰমাণপত্ৰ লাভ কৰে। কিন্তু এওঁলোক সুসংগঠিত নোহোৱাৰ বাবে কেৱল জাতিগত প্ৰমাণপত্ৰই নহয় বিভিন্ন সা-সুবিধাৰ পৰা বঞ্চিত হৈ আছে। সেয়ে জাতিগত প্ৰমাণপত্ৰৰ লগতে সমূহ সা-সুবিধা লাভ কৰি সামগ্ৰিক উন্নয়নৰ লক্ষ্যৰে আজি কোকৰাঝাৰত জিলা সমিতি গঠনৰ উদ্দেশ্যৰে অসম চাহ জনগোষ্ঠী জলহা যুৱ ছাত্ৰ পৰিষদৰ এখন প্ৰতিনিধি সভা অনুষ্ঠিত হয়। জিলাখনৰ অঠাইবাৰীৰ জলহাবস্তি ইয়ং ছেলেঞ্জাৰ্ছ ক্লাব প্ৰাংগণত আয়োজিত উক্ত সভাত উপস্থিত থকা সদৌ অসম চাহ জনগোষ্ঠী জলহা যুৱ ছাত্ৰ পৰিষদৰ সাধাৰণ সম্পাদক জিতু আহমেদে কয় যে ২০১৮ত শিৱসাগৰ জিলাৰ নাজিৰাত এই সংগঠনটোৰ জন্ম হৈছিল। ইতিমধ্যে অসমৰ ১১খন জিলা সমিতি গঠন হৈছে বুলি জানিব দি মূলতঃ চাহ জনগোষ্ঠীৰ আৰ্থ-সামাজিক উন্নয়নৰ বাবে এই সমিতিসমূহ গঠন কৰা হৈছে বুলি সদৰী কৰে। ইপিনে, কোকৰাঝাৰ জিলাত চলোৱা জৰীপ অনুসৰি প্ৰায় তিনি হেজাৰ জলাহ গোষ্ঠীৰ লোক আছে আৰু তেওঁলোকক অতি শীঘ্ৰে চাহ জনগোষ্ঠীৰ বেনাৰৰ অন্তৰ্ভুক্ত কৰিব বুলি দাবী কৰে। উল্লেখ্য যে উক্ত সভাত সদৌ অসম চাহ জনগোষ্ঠী জলহা যুৱ ছাত্ৰ পৰিষদৰ সাধাৰণ সম্পাদক জিতু আহমেদৰ উপৰি জলহা যুৱ ছাত্ৰ পৰিষদৰ উপ-সভাপতি আজিজুল হক, সদৌ অসম নাথ-যোগী ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক অৰবিন্দ নাথ, আছাৰ সভাপতি ষ্টিফেন লাক্ৰা, গৰিয়া-মৰিয়া দেশী জাতীয় পৰিষদৰ কোকৰাঝাৰ জিলা সমিতিৰ সভাপতি সেখ ছেলিম পাটগিৰি, বিটিআৰ সূত্ৰধৰ যুৱ ছাত্ৰ পৰিষদৰ সভাপতি তৰণী সূত্ৰধৰৰ উপৰি আন বিভিন্ন দল-সংগঠনৰ নেতৃবৃন্দ আৰু স্থানীয় ৰাইজ উপস্থিত থাকে।




## -জাননী-

### অসম চৰকাৰৰ অধীনৰ চৰকাৰী, প্ৰাদেশীকৃত আৰু ব্যক্তিগত বিদ্যালয়ত অধ্যয়নৰত দশম, একাদশ আৰু দ্বাদশ শ্ৰেণীৰ সংখ্যালঘু ছাত্ৰীসকলৰ বাবে জলপানি

অসম চৰকাৰৰ বিশেষ জলপানি আঁচনিৰ অধীনত মাধ্যমিক শিক্ষাৰ অন্তৰ্গত দশম, একাদশ আৰু দ্বাদশ শ্ৰেণীত অধ্যয়নৰত সংখ্যালঘু ছাত্ৰীসকলৰ পৰা আবেদন বিচৰা হৈছে। এই আঁচনিৰ অধীনত চৰকাৰী, প্ৰাদেশীকৃত আৰু ব্যক্তিগত খণ্ডৰ বিদ্যালয়ত অধ্যয়নৰত দশম শ্ৰেণীৰ ছাত্ৰীসকলৰ বাবে বছৰি ২০০০/-(দুই হাজাৰ) টকা আৰু একাদশ-দ্বাদশ শ্ৰেণীৰ ছাত্ৰীসকলৰ বাবে ৪০০০/-(চাৰি হাজাৰ) টকা আগবঢ়োৱা হ'ব।



**আবেদনৰ বাবে নিয়মাৱলী:**
- ছাত্ৰীসকল সংখ্যালঘু হোৱাটো বাঞ্চনীয়।
- ছাত্ৰীসকল ২০২০-২১ বৰ্ষত দশম, একাদশ তথা দ্বাদশ শ্ৰেণীত অধ্যয়ন কৰি থকা হ'ব লাগিব।
- ছাত্ৰীসকল চৰকাৰী, প্ৰাদেশীকৃত, অ-প্ৰাদেশীকৃত তথা চৰকাৰী স্বীকৃতিপ্ৰাপ্ত ৰাজহুৱা বা ব্যক্তিগত খণ্ডৰ বিদ্যালয় বা মহাবিদ্যালয়ত অধ্যয়ন কৰি থকা হ'ব লাগিব।
- আবেদনকাৰীৰ পৰিয়ালৰ সৰ্বোচ্চ দুগৰাকী ছাত্ৰীয়েহে এই আঁচনিৰ অধীনত আবেদন কৰিব পাৰিব।
- আবেদনৰ বাবে 'আধাৰ কাৰ্ড' বাধ্যতামূলক।

**আবেদনৰ প্ৰক্ৰিয়াঃ**
- মাধ্যমিক শিক্ষা সঞ্চালকালয়ৰ ৱেবচাইট www.madhyamik.assam.gov.in-ৰ জৰিয়তে আবেদন কৰিব পাৰিব।
- Google Play Store-ৰ পৰা '*Bidyarthi*' মোবাইল এপ download কৰি তাৰ সহায়তো আবেদন কৰিব পাৰিব।

**আৱশ্যকীয় নথি-পত্ৰঃ**
- ছাত্ৰীসকলৰ নিজৰ নামত Savings Bank Account থকাটো বাধ্যতামূলক আৰু সেই Bank Account-ৰ প্ৰথম পৃষ্ঠা-ৰ copy upload কৰিব লাগিব।
- সংশ্লিষ্ট শিক্ষানুষ্ঠানৰ মূৰব্বীৰ Declaration।
- আবেদনকাৰীৰ ফটো আৰু স্বাক্ষৰ।



**আবেদনৰ অন্তিম তাৰিখঃ**
- আবেদনৰ অন্তিম তাৰিখ **৭ নৱেম্বৰ, ২০২১**।

**বিভাগীয় কাৰ্য্যব্যৱস্থাঃ**
- আবেদনকাৰীৰ প্ৰ-পত্ৰসমূহ বিধি অনুযায়ী সংশ্লিষ্ট জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ দ্বাৰা পুনৰীক্ষণ কৰা হ'ব।
- শুদ্ধ আৰু যথোচিত আবেদনকাৰীয়ে অহা মাৰ্চ, ২০২২-ৰ ভিতৰত জলপানিৰ ধন নিৰ্দিষ্ট Bank Account-ৰ জৰিয়তে লাভ কৰিব।

Office Address:
Examination & Training Branch
Directorate of Secondary Education, Assam
Kahilipara, Guwahati-781019
E-mail: scholarships.assam@gmail.com
Ph. No. 0361-3-55-8-170

QR Code to download from Google Play Store

সঞ্চালিকা,
মাধ্যমিক শিক্ষা সঞ্চালকালয়, অসম
কাহিলিপাৰা, গুৱাহাটী-১৯

জনসংযোগ/ডি/৭২৬১/২১

অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। **সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।**
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
**E-MAIL :** agradoot@gmail.com, editor.agradoot@gmail.com